www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আমি সকলোৱেই নৰ্দমাত পৰি আছো, কিন্তু ইয়াৰ কিছুমানে নৰ্দমাৰ পৰাই আকাশৰ নক্ষত্ৰবোৰ পৰ্যবেক্ষণ কৰি আছে। — অস্কাৰ ওৱাইল্ড

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ ▢ সংখ্যা- ১৬৩ ▢ দেওবাৰ ▢ ৫ এপ্ৰিল, ২০২৬ চন ▢ Volume/Year- I ▢ Issue- 163 ▢ Sunday ▢ 5th April, 2026 ▢ Asom Barta, Majuli ▢ PRGI Reg. No.- ASASS/25/A2361 ▢ Price- Rs. 10 ▢ Total Page- 8

■ নাজিৰা নিৰ্বাচনী ৰেলীত ঘোষণা, বিলুপ্ত আমগুৰি সমষ্টি পুনৰুজ্জীৱিত কৰাৰ আশ্বাস ■

অসমত নতুনকৈ সংযোজন হ'ব ৬৩টা বিধানসভা সমষ্টি

দ্বৈত ইঞ্জিন চৰকাৰে অসমত উন্নত ৰাস্তা, বিভিন্ন কল্যাণ-মূলক আঁচনি আৰু সামগ্ৰিক পৰিৱৰ্তন আনিছে ঃ মুখ্যমন্ত্ৰী

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৪ এপ্ৰিল ঃ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শনিবাৰে এক গুৰুত্বপূৰ্ণ ঘোষণা কৰি কৈছে যে মহিলা সংৰক্ষণৰ ব্যৱস্থা কাৰ্যকৰী কৰা হ'লে ৰাজ্যৰ বিধানসভাৰ মুঠ আসন সংখ্যা বৰ্তমানৰ ১২৬ ৰ পৰা বৃদ্ধি পাই ১৮৯ লৈ হ'ব পাৰে। ইয়াৰ ফলত মুঠ ৬৩টা নতুন আসন যোগ হোৱাৰ সম্ভাৱনা আছে। শিৱসাগৰ জিলাৰ নাজিৰাত বিজেপি প্ৰাৰ্থী ময়ুৰ বৰগোহাঁইৰ সমৰ্থনত অনুষ্ঠিত নিৰ্বাচনী ৰেলীত ভাষণ দি মুখ্যমন্ত্ৰী শৰ্মাই এই ঘোষণা কৰে। তেওঁ লগতে কয় যে এই আসন বৃদ্ধিৰ সুবিধাত সীমা নিৰ্ধাৰণৰ সময়ত বিলুপ্ত কৰা আমগুৰি বিধানসভা সমষ্টি পুনৰুজ্জীৱিত কৰা হ'ব। ৰেলীত ভাষণ দি হিমন্ত বিশ্ব শৰ্মাই কয়, "মহিলা সংৰক্ষণৰ বাবে ৬৩টা অধিক আসন যোগ হোৱাৰ সম্ভাৱনা আছে। যেতিয়া সেয়া হ'ব, তেতিয়া আমি বিলুপ্ত কৰা আমগুৰি আসনটো পুনৰুজ্জীৱিত কৰিম। সীমা নিৰ্ধাৰণৰ সময়ত আমগুৰিৰ এটা অংশ শিৱসাগৰ সমষ্টিলৈ আৰু আন ▢ ৬ পৃষ্ঠাত

চেলেংহাটত ৰূপজ্যোতিৰ হৈ প্ৰচাৰত নামিল মুখ্যমন্ত্ৰী

খুমটাইৰ পৰা অহা মানুহৰ মৰিয়নীত কাম নাই ঃ মুখ্যমন্ত্ৰী

অসম বাৰ্তা, চেলেংহাট, ৪ এপ্ৰিল ঃ নিৰ্বাচনৰ দিন যিমানে চমু চাপিছে সিমানে গৰম হৈছে ৰাজ্যৰ ৰাজনৈতিক আকাশ। সমষ্টিয়ে সমষ্টিয়ে ষ্টাৰ কেম্পেনাৰে চলাইছে নিৰ্বাচনী ▢ ৬ পৃষ্ঠাত

▢ বৰছিলাত বৃহৎ নিৰ্বাচনী সভা ▢

আমাক চিঠি লিখা বিধায়ক নালাগে, কাম কৰা বিধায়ক লাগে ঃ ড° হিমন্ত বিশ্ব শৰ্মা

অসম বাৰ্তা, চেলেংহাট, ৪ এপ্ৰিল ঃ দেবব্ৰত শইকীয়াৰ কাম নাই। তেওঁ চিঠি লিখা বিধায়ক। আমাক চিঠি লিখা বিধায়ক নালাগে, কামকৰা বিধায়ক লাগে। গতিকে আপোনালোকে ময়ুৰ বৰগোহাইক জিকাব লাগে। এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। আজি নাজিৰা ▢ ৬ পৃষ্ঠাত

▢ চিলিণ্ডাৰৰ টকা মামাই দিব, আপোনালোকে একো দিব নালাগে ▢

বিহু-পূজাত অসমৰ প্ৰতিটো পৰিয়ালে পাব বিনামূলীয়া গেছ চিলিণ্ডাৰ ঃ মুখ্যমন্ত্ৰী

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৪ এপ্ৰিল ঃ অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰচাৰ যুদ্ধ যথেষ্ট তীব্ৰ হৈ উঠিছে। একে সময়তে পশ্চিম এছিয়াত চলি থকা যুদ্ধৰ প্ৰভাৱত দেশৰ বিভিন্ন প্ৰান্তত দৰে অসমতো গেছ চিলিণ্ডাৰৰ নাটনিৰ আশংকা দেখা দিছে। এই পৰিস্থিতিত সুযোগ বুজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনী প্ৰচাৰ সভাত ৰাইজক ডাঙৰ উপহাৰ দিয়াৰ প্ৰতিশ্ৰুতি দিলে। শনিবাৰে চৰাইদেউ জিলাৰ মাহমৰা আৰু সোণাৰি ▢ ৬ পৃষ্ঠাত

বিজেপি নেতাৰ বিৰুদ্ধে পাণবজাৰ চাইবাৰ থানাত গোচৰ কুংকি চৌধুৰীৰ

BJP কাৰ্যালয়ৰ ৫০১ নম্বৰ কোঠাৰ পৰাই দুষ্কাৰ্য চলোৱাৰ গুৰুত্বৰ অভিযোগ কুংকিৰ

নিউজ ডেস্ক, অসম বাৰ্তা, ৪ এপ্ৰিল ঃ অসম বিধানসভা নিৰ্বাচন ২০২৬ত মধ্য গুৱাহাটী সমষ্টিৰ নিৰ্বাচনী যুঁজ তীব্ৰ হৈ উঠিছে। বিজেপিৰ ▢ ৬ পৃষ্ঠাত

বিজনীত নিৰ্বাচনী প্ৰচাৰত হাগ্ৰামা মহিলাৰী

হেলিকপ্টাৰত তেল নাই ! পাইলটৰ ওপৰত খং হাগ্ৰামাৰ

অসম বাৰ্তা, বিজনী, ৪ এপ্ৰিল ঃ চিৰাং জিলাৰ ২০ নং বিজনী বিধানসভা সমষ্টিৰ এনডিএৰ প্ৰাৰ্থী অৰূপ কুমাৰ দে'ৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ বিচিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীৰ। শুকুৰবাৰে আবেলিৰ ভাগত সমষ্টিটোৰ ক্ৰমে পচলাহাৰী আৰু মাজৰাবাৰীত দুখনকৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয় বিপিএফ প্ৰধান হাগ্ৰামা ▢ ৬ পৃষ্ঠাত

■ মিত্ৰজোটৰ প্ৰাৰ্থী অশোক শৰ্মাক সমৰ্থন জনাই বৃহৎ পদযাত্ৰা ■

জয়ন্ত মল্লবৰুৱাৰ দুৰ্গত নিৰ্বাচনী ৰেলীৰে কঁপনি তুলিলে গৌৰৱ গগৈৰ

অসম বাৰ্তা, নলবাৰী, ৪ এপ্ৰিল ঃ অসম ৰাজনীতিৰ গুৰুত্বপূৰ্ণ নিৰ্বাচনী পৰিৱেশৰ মাজতে আজি Nalbari চহৰত কংগ্ৰেছ মিত্ৰজোটে এক বিশাল শক্তি প্ৰদৰ্শন কৰে। নলবাৰী বিধানসভা সমষ্টিৰ বিৰোধী ঐক্যৰ মনোনীত প্ৰাৰ্থী অশোক শৰ্মাৰ সমৰ্থনত ▢ ৬ পৃষ্ঠাত

বিজেপিয়ে গৰু ছিণ্ডিকেটৰ ধনেৰে চলায় দলীয় কাম-কাজ

▢ কাহিলিপাৰাস্থিত নিজ বাসগৃহত শেষ নিশ্বাস ত্যাগ ফুটবলাৰগৰাকীৰ ▢

'মেন অব গ'ল্ডেন বুট' খ্যাত গিলবাৰ্টচন ছাংমাৰ দেহাৱসান

ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৪ এপ্ৰিল ঃ অসম ফুটবলৰ ইতিহাসত এক সোণালী অধ্যায়ৰ সমাপ্তি ঘটিল। দীৰ্ঘদিনীয়া অসুস্থতাৰ পাছত প্ৰখ্যাত ফুটবলাৰ গিলবাৰ্টছন চাংমাই শনিবাৰে ▢ ৬ পৃষ্ঠাত

প্ৰধানমন্ত্ৰীৰ আগমন উপলক্ষে কটকটীয়া নিৰাপত্তা ব্যৱস্থা

সোমবাৰে হোজাইত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিশাল ৰণসভা

অসম বাৰ্তা, লংকা, ৪ এপ্ৰিল ঃ আহা ০৬ এপ্ৰিল, ২০২৬ তাৰিখে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হোজাই জিলালৈ আগমন উপলক্ষে জিলা ▢ ৬ পৃষ্ঠাত

■ AIUDF প্ৰাৰ্থীয়ে বিজেপিক ভোট দিয়াৰ অভিযোগ ■

আগন্তুক নিৰ্বাচনত বিৰোধী ঐক্যমঞ্চই লাভ কৰিব ৭০-৮০ আসন ঃ অখিল গগৈ

গৌৰীপুৰত ৰাইজৰ দলৰ আবুল মিঞা জয়ী হ'ব ঃ অখিল গগৈ

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৪ এপ্ৰিল ঃ অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰচাৰৰ অন্তিম পৰ্যায়ত ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে গৌৰীপুৰ সমষ্টিত তেওঁলোকৰ প্ৰাৰ্থী আবুল মিঞাৰ জয়ৰ বিষয়ে দৃঢ় আশাবাদ প্ৰকাশ কৰিছে। অখিল ▢ ৬ পৃষ্ঠাত

ইন্দ্ৰনীল পেগুক কটাক্ষ; কেৱল মাৰ্কশ্বিটৰ নম্বৰেই প্ৰকৃত শিক্ষা নহয়

অসমত মিঞা থকালৈকে বিৰোধী শূন্য নহ'ব ঃ পবিত্ৰ মাৰ্ঘেৰিটা

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৪ এপ্ৰিল ঃ অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰচাৰৰ অন্তিম পৰ্যায়ত সমষ্টিৰ পৰা সমষ্টিলৈ ৰাজনৈতিক সভা-সমাবেশ অব্যাহত আছে। শনিবাৰে মাজুলীত বিজেপি প্ৰাৰ্থী ভূৰন ▢ ৬ পৃষ্ঠাত

মৰাণ বিহু সমাৰোহ-২০২৬ উপলক্ষে অনুষ্ঠিত কৰা মৰাণ বিহু আখৰাৰ সামৰণি

অসম বাৰ্তা, মাকুম, ৪ এপ্ৰিল ঃ বৃহত্তৰ মাকুম অঞ্চলত ২০০৬ চনৰ পৰাই অনুষ্ঠিত কৰি অহা উত্তৰ পূৰ্বাঞ্চলৰ আদিম ভূমি পুত্ৰ মৰাণ জনগোষ্ঠীৰ মৰাণ বিহু সমাৰোহ প্ৰতি পাঁচ বছৰৰ ব্যৱধানত অনুষ্ঠিত কৰি অহা হৈছে। মৰাণ জনগোষ্ঠীটোৰ আটাইকৈইটা সংগঠন ক্ৰমে সদৌ মৰাণ ছাত্ৰ সন্থা, অসম মৰাণ সভা, মৰাণ জাতীয় মহিলা পৰিষদ, সদৌ মৰাণ কলা সংস্কৃতি বিকাশ কেন্দ্ৰ, মৰাণ জাতীয় কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চ আৰু মৰাণ সাহিত্য সভা মাকুম আঞ্চলিক সমিতিৰ যৌথ উদ্যোগত আৰু সমগ্ৰ মাকুম অঞ্চলটোৰ বাইজৰ সহযোগত অহা মে' মাহৰ প্ৰথম সপ্তাহত ৮, ৯ আৰু ১০ মে'ত পঞ্চম বাৰ্ষিক মৰাণ বিহু সমাৰোহ ২০২৬ ৰ মাকুম ৰজনীকান্ত বৰদলৈ খেলপথাৰত অনুষ্ঠিত কৰিব লগা মৰাণ বিহু সমাৰোহৰ বাবে ইতিমধ্যে ব্যাপক প্ৰস্তুতি চলাইছে আয়োজক সমিতিয়ে। সেই উপলক্ষে সদৌ মৰাণ কলা সংস্কৃতি বিকাশ কেন্দ্ৰৰ তত্বাৱধানত সদৌ মৰাণ ছাত্ৰ সন্থা আৰু সদৌ মৰাণ কলা সংস্কৃতি বিকাশ কেন্দ্ৰ মাকুম আঞ্চলিক সমিতিৰ যৌথ উদ্যোগত যোৱা ২০ মাৰ্চৰ পৰা ৩ এপ্ৰিললৈকে মাকুম ধুলিজান গাঁৱৰ জৰৌচা ভৰনত আয়োজন কৰা মৰাণ বিহুৰ আখৰা কাৰ্যসূচীৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। লিউৱেন বড়াই আঁতধৰা সামৰণি অনুষ্ঠানতে মৰাণ বিহু চিকমিক নামৰ শীৰ্ষক গীতৰ উন্মোচন কৰা হয়। গীতটো উন্মোচন কৰে অসম মৰাণ সভাৰ কেন্দ্ৰীয় সভাপতি ৰাজীব বড়াই। উন্মোচন কৰি চিকমিক গীতত কণ্ঠদান কৰা শিল্পী বৰ্ণালী দহোটীয়া আৰু ভাস্কৰ মৰাণৰ উজ্জ্বল ভবিষ্যতৰ কামনা কৰি গীতটিক সকলোকে আঁকোৱালি ল'বলৈ সংবাদ মাধ্যমৰ জৰিয়তে আহ্বান জনায়। অনুষ্ঠানটোত ৰাজীব বড়াৰ সৈতে উপস্থিত থাকে অসম মৰাণ সভাৰ উপ সভাপতি বিশ্বজিত বড়া, মৰাণ বিহুৰ বিহুৱা তথা সদৌ মৰাণ কলা সংস্কৃতি বিকাশ কেন্দ্ৰ মাকুম আঞ্চলিক সমিতিৰ সম্পাদক নিৰ্বাণ বড়া, অৰুণ বৰুৱা, মৰাণ কলা সংস্কৃতি বিকাশ কেন্দ্ৰৰ সম্পাদিকা ঋণু মৰাণ চাউৰুৱ, মৰাণ মহিলা পৰিষদৰ প্ৰাক্তন সহকাৰী সম্পাদিকা পদ্মা চেতিয়া প্ৰমুখ্যে কৰি অন্যান্য বহু কেইবাগৰাকী গণ্য মান্য ব্যক্তি।

মাজুলী জিলা প্ৰশাসনৰ আসন্ন নিৰ্বাচনত নিয়োজিত সুৰক্ষা কৰ্মী সকলৰ স্বাস্থ্য আৰু সুৰক্ষা নিশ্চিত কৰাৰ পদক্ষেপ

অসম বাৰ্তা, মাজুলী, ৪ এপ্ৰিল ঃ আসন্ন অসম বিধানসভা নিৰ্বাচন ২০২৬-ৰ প্ৰতি লক্ষ্য ৰাখি মাজুলী জিলা প্ৰশাসনে জিলাখনত নিয়োজিত সুৰক্ষা কৰ্মীসকলৰ স্বাস্থ্য আৰু সুৰক্ষা নিশ্চিত কৰিবলৈ বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। নিৰ্বাচন আয়োগ আৰু জিলা আয়ুক্তৰ নিৰ্দেশ মৰ্মে, ১ এপ্ৰিলৰ পৰা ৩ এপ্ৰিল ২০২৬ লৈ জিলাখনৰ বিভিন্ন স্থানত থকা চি.আৰ.পি.এফ. আৰু বি.এচ.এফ. কেম্পসমূহৰ লগতে আৰক্ষী বাহিনীৰ বাবে এই বিশেষ স্বাস্থ্য পৰীক্ষা শিবিৰসমূহৰ আয়োজন কৰা হৈছে। এই শিবিৰসমূহত সুৰক্ষা কৰ্মীসকলৰ উচ্চ ৰক্তচাপ, ডায়েবেটিছ আদিৰ দৰে সাধাৰণ স্বাস্থ্য পৰীক্ষাৰ লগতে মেলেৰিয়া স্ক্ৰীনিংৰ বাবে ৰাখ্যতামূলক ৰেপিড ডায়েগনষ্টিক টেষ্ট (RDK) কৰা হৈছে। স্বাস্থ্য সেৱা সুচল কৰিবলৈ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ে কেইবাটাও মোবাইল মেডিকেল ইউনিট (MMU) আৰু বিভিন্ন স্বাস্থ্য কেন্দ্ৰ যেনে ৰঙাচাহী এছ.ডি., কমলাবাৰী চি.এইচ.চি., জেংবাইমুখ মডেল হস্পিতাল আদিৰ পৰা অভিজ্ঞ চিকিৎসক আৰু স্বাস্থ্য কৰ্মী নিয়োগ কৰিছে। এই শিবিৰসমূহ পুৱা ১০ বজাৰ পৰা বিয়লি ২ বজালৈ ৰঙাচাহী অডিটৰিয়াম, খোনাচুক মাধৱদেৱ কৃষ্টি সংঘ, পহুমৰা নাথ গাঁও মিলন সংঘ আদি নিৰ্ধাৰিত স্থানত পৰিচালিত হৈছে। জোষ্ঠ স্বাস্থ্য বিষয়সকলে এই সমগ্ৰ প্ৰক্ৰিয়াটো তদাৰক কৰিছে যাতে প্ৰতিগাৰকী সুৰক্ষা কৰ্মীয়ে সঠিক চিকিৎসা সেৱা লাভ কৰে। স্বাস্থ্য পৰীক্ষাৰ উপৰিও, সংক্ৰামক ৰোগ প্ৰতিৰোধৰ বাবে ৩১ মাৰ্চৰ পৰাই সকলো কেম্প ছাইট আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলসমূহত তীব্ৰতৰ ফগিং অভিযান চলোৱা হৈছে। জিলা স্বাস্থ্য সমিতিৰ নিৰ্দেশত ফগিং দলসমূহে প্ৰয়োজনীয় কীটনাশক আৰু সঁজুলি ব্যৱহাৰ কৰি পৰিবেশ নিকা আৰু সুৰক্ষিত কৰি ৰাখিবলৈ অহোপুৰুষাৰ্থ কৰিছে। নিৰ্বাচনী দায়িত্ব থকা আমাৰ সুৰক্ষা বাহিনীৰ জোৱানসকলৰ শাৰীৰিক সুস্থতা বজাই ৰাখিবলৈ মাজুলী জিলা প্ৰশাসন সদায় দায়বদ্ধ।

ব্যতিক্ৰমী পৰিকল্পনাৰে বিহুলৈ সাজু "হুৰাই লাহৰি বিহু দল"

অসম বাৰ্তা, বেৰেজীয়া, ৪ এপ্ৰিল ঃ হেঁপাহৰ ৰঙালী বিহুলৈ মাজত মাথোঁ কেইটামান দিন বাকী। ঢোল পেঁপাৰ মাতত ৰজন-জনাইছে ৰাজ্যৰ আকাশ বতাহ। ৰঙালীক আদৰাৰ পৰিকল্পনাৰে ব্যস্ততা হৈ পৰিছে নগাঁও জিলাৰ হাতীজোৰ চমুৱাগাঁৱৰ হুৰাই লাহৰি বিহু দলটি। ইতিপূৰ্বেই অসমৰ বিভিন্ন ঠাইত খলকনি লগোৱা জনপ্ৰিয় হুৰাই লাহৰি দলটি সম্পূৰ্ণ নতুন পৰিকল্পনাৰে বিহু মঞ্চৰ মাজত এইবাৰ পাব অসমৰ বিহু বলীয়া ৰাইজে। হুৰাই লাহৰি শব্দৰ অৰ্থ হ'ল লোকবাদ্য সুৰীয়া কোলাহল। অসমৰ বিভিন্ন লোকবাদ্য আৰু লোকনৃত্য সমাহাৰে এক ব্যক্তিক্ৰমী অনুষ্ঠান হুৰাই লাহৰি" The Folk Band of Assam। এই লোকবাদ্যৰ দলটি জন্ম হয় ২০১৭ চনত। নগাঁৱৰ বেৰেজীয়াৰ সমিপৰ শংকৰদেৱ চিত্ৰকলা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক লৈ দলটি গঠন কৰি দলটিৰ জন্মলগ্নৰ পৰা বৰ্তমানলৈকে অৱসৰপ্ৰাপ্ত শিক্ষক অজিত চন্দ্ৰ বৰাই প্ৰয়োজক হিচাপে কাম কৰি আহিছে। ২০১৭ চনৰ পৰা বৰ্তমানলৈকে লোকবাদ্য আৰু লোকনৃত্যৰ সমাহাৰে দলটিক সুন্দৰ ভাবে সংগীতেৰে সজাই তুলিছে অসমৰ জনপ্ৰিয় বাঁহীবাদক নৱজিত বৰাই। প্ৰায় ৩০ বিধ লোকবাদ্যৰ ধ্বনিৰে অসমৰ জাতি-জনগোষ্ঠীসমূহক আকৌ এবাৰ জীপাল কৰি তুলিবলৈ এই অপূৰ্ব প্ৰয়াস দলটিৰ। লোকবাদ্যৰ লগতে লোক নৃত্যৰ সমাহাৰে মঞ্চখন জীপাল কৰি তুলিবলৈ সাজু "হুৰাই লাহৰি" The Folk Band Of Assam দলটি।

ৰামদিয়াত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ ধুমুহা সদৃশ প্ৰচাৰ

হাজো-শুৱালকুছিত মিত্ৰজোঁটৰ বিশাল শক্তি প্ৰদৰ্শন

অসম বাৰ্তা, হাজো, ৪ এপ্ৰিল ঃ নিৰ্বাচনী যুঁজত এতিয়া উত্তপ্ত হাজো-শুৱালকুছি আকাশ-বতাহ। আজি ৰামদিয়াৰ ঐতিহাসিক ভঠেলি খোলা খেলপথাৰত অগাপ-বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী প্ৰকাশ চন্দ্ৰ দাসৰ সমৰ্থনত আয়োজিত এক বিশাল নিৰ্বাচনী জনসভাত অংশগ্ৰহণ কৰি মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই বিৰোধী কংগ্ৰেছক তীব্ৰ ভাষাৰে আক্ৰমণ কৰে। হাজাৰ হাজাৰ সমৰ্থকৰ উপস্থিতিয়ে আজিৰ এই সভাক এক বিশাল জনসমুদ্ৰলৈ ৰূপান্তৰিত কৰে। সভাত ভাষণ প্ৰদান কৰি মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কংগ্ৰেছৰ শাসনকালক সমালোচনা কৰি কয় যে, কংগ্ৰেছৰ দিনত কেৱল দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ হে দপদপনি আছিল। ইয়াৰ বিপৰীতে বৰ্তমান চৰকাৰৰ মূল মন্ত্ৰই হৈছে উন্নয়ন। কংগ্ৰেছে কেৱল জনতাক শোষণ কৰিছে। তেওঁলোকৰ সময়ত চৰকাৰী আঁচনিৰ ধন দৰিদ্ৰৰ পৰিবৰ্তে মধ্যভোগীৰ পকেটলৈ গৈছিল। আনহাতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমত উন্নয়নৰ এক নতুন যুগৰ সূচনা হোৱা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে, বাট-পথ, শিক্ষা, স্বাস্থ্য আৰু আন্তঃগাঁথনিৰ দ্ৰুত বিকাশৰ খতিয়ান দাঙি ধৰে। "আজিৰ বিশাল জনসমাগমেই প্ৰমাণ কৰে যে বাইজে উন্নয়ন বিচাৰে, দুৰ্নীতি নহয়। মুখ্যমন্ত্ৰীৰ উন্নয়নৰ চানেকি এতিয়া প্ৰতিটো পৰিয়ালৰ চোতাল পাইছেগৈ।" হাজো-শুৱালকুছিৰ চুকে-কোণে থকা হাজাৰ হাজাৰ বাইজ স্বতঃস্ফূৰ্তভাৱে ওলাই আহে প্ৰাৰ্থী প্ৰকাশ চন্দ্ৰ দাসক আশীৰ্বাদ দিবলৈ। সভাৰ আৰম্ভণিৰে পৰাই আকাশ-বতাহ কঁপাই তোলা শ্ল'গানে প্ৰমাণ কৰিলে যে সমষ্টিটোত মিত্ৰজোঁটৰ স্থিতি অতি শক্তিশালী। সভাত প্ৰাৰ্থী প্ৰকাশ চন্দ্ৰ দাসে সমষ্টিবাসীৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰি কয় যে তেওঁ নিৰ্বাচনত জয়ী হৈ সমষ্টিটোৰ বান সমস্যা সমাধান আৰু স্থানীয় শিল্প-উদ্যোগৰ উত্তৰণৰ বাবে অহোপুৰুষাৰ্থ কৰিব। আজিৰ এই সভাই হাজো-শুৱালকুছি সমষ্টিত মিত্ৰজোঁটৰ নিৰ্বাচনী প্ৰচাৰক এক নতুন মাত্ৰা প্ৰদান কৰিছে। ৰামদিয়াৰ এই ব্যাপক জনসমৰ্থনে বিৰোধী শিবিৰলৈ এক কঠোৰ বাৰ্তা প্ৰেৰণ কৰা বুলি ৰাজনৈতিক বিশ্লেষকসকলে ধাৰণা কৰিছে। সভাত মিত্ৰজোঁটৰ কেইবাজনো শীৰ্ষ পৰ্যায়ৰ নেতা আৰু নিষ্ঠাবান কৰ্মকৰ্তা উপস্থিত থাকি নিৰ্বাচনী ৰণকৌশল সন্দৰ্ভত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়।

ডিব্ৰুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত ডিবৰু নাট্য সমাজৰ নৃত্য-গীত, কবিতা আৰু নাট মঞ্চস্থ

অসম বাৰ্তা, ষ্টাফ বিপৰ্টাৰ, ডিব্ৰুগড়, ৪ এপ্ৰিল ঃ ডিবৰু নাট্য সমাজৰ উদ্যোগত ৩ আৰু ৪ এপ্ৰিলত ডিব্ৰুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত দ্বিতীয় বাৰ্ষিক নৃত্য-গীত, কবিতাৰ এটি সাংস্কৃতিক অনুষ্ঠান আজি সম্পন্ন হয়। নৱ প্ৰজন্মক নাটকৰ প্ৰতি আকৰ্ষিত কৰি সমাজলৈ এক সু-বাৰ্তা কঢ়িয়াই, কাহিনী, চৰিত্ৰ, সংলাপ, সংগীত নৃত্য আৰু অভিনয়ৰ যোগেদি সমাজৰ আগত গঢ়নমূলক বাৰ্তা প্ৰসাৰ প্ৰচাৰ কৰাৰ উদ্দেশ্যেৰে বিশিষ্ট নাট্যকৰ্মী প্ৰয়াত অচ্যুৎ চুতীয়া ৰচনা আৰু বিৰাজ চুতীয়া পৰিচালনাত- "সেই সময় সু-সময় নাট" আৰু দ্বিতীয় নিশা মৃণাল কুমাৰ বৰা আৰু মুদুপৰণ বৰাৰ পৰিচালনাত "পূৰণি বকুল সুবাস" নাট মঞ্চস্থ কৰে। সমিতিৰ সম্পাদক ৰঞ্জন দত্তই অসমৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ কাৰ্যসূচী আৰম্ভ কৰা প্ৰথম দিনা-নাট আৰম্ভ হোৱা আগতে বিশিষ্ট কবি অনুপম মহন্তই সমাজৰ বাস্তৱ পৰিষ্ঠিনাৰে সমৃদ্ধ হোৱা কবিতা পাঠ কৰি দৰ্শকৰ সমাদৰ লাভ কৰা অনুষ্ঠানত নৃত্য-গীতৰ লগতে বাণীপুৰ মইনা পাৰিজাতৰ-মইনা সকলে মূকাভিনয় প্ৰদৰ্শন কৰে। নাট অনুষ্ঠানৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰী সকলৰ মাজত অনুষ্ঠিত হোৱা চিত্ৰাঙ্কণ প্ৰতিযোগিতা বিজয়ীহোৱা প্ৰতিযোগী সকলক বটাঁ প্ৰদান কৰা হয়। অনুষ্ঠান বহুকেইগৰাকী গণ্যমান্য বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

সাজু হৈছে কোচ ৰাজবংশী পৰম্পৰাগতভাবে আগন্তুক সাত বিষুৱাক আদৰিবলৈ

অসম বাৰ্তা, গোলকগঞ্জ, ৪ এপ্ৰিল ঃ গোলকগঞ্জত শুক্ল ধ্বজ ডেন্স একাডেমীৰ উদ্যোগত কেই দিনমান পূৰ্বে বিহু নৃত্য কৰ্মশালা হোৱাৰ পিছত আজিৰ পৰা আৰম্ভ চাৰি দিনীয়াকৈ কোচৰাজবংশী লোকনৃত্য, কুশান নৃত্য আৰু গোয়ালিনী নৃত্যৰ কৰ্মশালাৰ শুভাৰম্ভণি হয়। গোলকগঞ্জ বাসী বাইজ ইতিমধ্যে সাজু হৈছে কোচ ৰাজবংশী পৰম্পৰাগতভাবে আগন্তুক সাত বিষুৱা বা সাত বেষমাক আদৰিবলৈ। উক্ত কৰ্মশালাৰ জৰিয়তে গোলকগঞ্জ অঞ্চলত গোয়ালিনী, কুশান নৃত্য দলৰ অভাৱ দূৰ কৰিবলৈ শুক্ল ধ্বজ ডেন্স একাডেমী আৰু ধুবুৰী জিলা আক্ৰান্তুয়ে এই সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখ্য যে অহা ১৮ আৰু ১৯ এপ্ৰিলত হ'বলগীয়া সাত বেষমাক উছাহ উদ্দীপনাৰে পালন কৰিবলৈ আগতিয়াকৈ নাচনী সকলক সাজু কৰি তুলিবলৈ এই কৰ্মশালাত এক ইতিবাচক পদক্ষেপৰূপে পৰিগণিত হৈছে। । কোকৰাঝাৰৰ মুখ্য প্ৰশিক্ষক দিলীপ ৰায় আৰু সহ প্ৰশিক্ষক বেশ্মি দাস ৰ তত্বাৱধানত শতাধিক প্ৰশিক্ষাৰ্থী ভাগ লয়। শুক্ল ধ্বজ ডেন্স একাডেমীৰ অধ্যক্ষ জীৱন সাহাৰ উক্ত প্ৰসংশনীয় পদক্ষেপত ৰাইজে মাজত সন্তুষ্টি প্ৰকাশ কৰা পৰিলক্ষিত হৈছে।

সদৌ অসম ভিত্তিত প্ৰাইজমানি স্কুল কুইজ প্ৰতিযোগিতা আৰু বক্তৃতানুষ্ঠানৰ আয়োজন

অসম বাৰ্তা বিশেষ, সোণাৰি, ৪ এপ্ৰিল ঃ জাগৰণ দ্য বাইজিং চান, শিশু আৰু কিশোৰৰ ত্ৰৈমাসিক পত্ৰিকা বালাৰ্ক আৰু সদৌ তাই আহোম ছাত্ৰ সন্থা শিৱসাগৰ মহকুমা সমিতিৰ যৌথ উদ্যোগত ২৬ এপ্ৰিল তাৰিখে শিৱসাগৰৰ যুৱদলত SAPIENTIA 2.0 শীৰ্ষক এখনি অসম ভিত্তিত স্কুল কুইজ প্ৰতিযোগিতা আৰু সম্ভাৱনাৰ সঁফুৰা শীৰ্ষক এখনি বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হৈছে। দ্বাদশ শ্ৰেণীলৈকে অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী সকলে অংশগ্ৰহণ কৰিব পৰা উক্ত কুইজ প্ৰতিযোগিতাখনিৰ সৰ্বমুঠ ৩২,০০০ টকাৰ প্ৰাইজমানি ধাৰ্য্য কৰা হৈছে। পুৱা ১০.৩০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাত সৰ্বমুঠ আঠটি দলক নগদ ধন আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হ'ব। ইয়াৰ লগতে ষষ্ঠ শ্ৰেণীলৈ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত কৰা হৈছে এখনি লিখিত কুইজ প্ৰতিযোগিতা। এই লিখিত কুইজ প্ৰতিযোগিতাত শ্ৰেষ্ঠ তিনিটা দলক সৰ্বমুঠ ৩,০০০ টকা আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হ'ব। প্ৰতিযোগিতাখনিৰ অন্তত ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ এখনি বক্তৃতানুষ্ঠানৰো আয়োজন কৰা হৈছে। এই বক্তৃতানুষ্ঠানটিত সকলো বয়সৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব পাৰিব। বক্তৃতাৰ বিষয় হিচাপে নিৰ্বাচন কৰা হৈছে "সামাজিক মাধ্যম আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ যুগত শিক্ষাৰ্থীৰ শৈক্ষিক আৰু মানবীয় উত্তৰণ-প্ৰত্যাহ্বান আৰু সম্ভাৱনা।" এই বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰবক্তা প্ৰাঞ্জল বুঢ়াগোহাঁই। এই বক্তৃতানুষ্ঠানতে উপস্থিত থাকিব অসম সাহিত্য সভাৰ সভাপতি বসন্ত গোস্বামী, ৰাজ্য সভাৰ সাংসদ যোগেন মহন, অসম ঔদ্যোগিক উন্নয়ন নিগমৰ অধ্যক্ষ তপ্ন কুমাৰ গগৈ, সদৌ তাই আহোম ছাত্ৰ সন্থাৰ সভাপতি বসন্ত গগৈকে আদি কৰি বহু কেইগৰাকী গণ্যমান্য ব্যক্তি। উক্ত প্ৰতিযোগিতাখনিৰ লগতে বক্তৃতানুষ্ঠানটিত অংশগ্ৰহণ কৰিব বিচৰা ছাত্ৰ-ছাত্ৰীসকলে বিশদ বিৱৰণৰ বাবে ৯ ৯ ৫ ৭ ৬ ৬ ৫ ৯ ৫ ০ / ৬ ০ ০ ০ ১ ৪ ০ ০ ৬ ৬ / ৯৮৬৪৬৯৩৭০২ নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি আয়োজক সমিতিয়ে জানিবলৈ দিয়ে।

তিনি শতাধিকৰ অগপ দলত যোগদান

ৰূপহীহাটত জাকিৰ হুছেইন ফৰাজীৰ হৈ নিৰ্বাচনী প্ৰচাৰ বিজেপি নেতা সুৰেশ বৰাৰ

অসম বাৰ্তা, ৰূপহীহাট, ৪ এপ্ৰিল ঃ ৰূপহীহাট বিধানসভা সমষ্টিত অগপ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জাকিৰ হুছেইন ফৰাজীয়ে আৰম্ভ কৰিছে ব্যাপক নিৰ্বাচনী প্ৰচাৰ। নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰূপহীহাটত অগপ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জাকিৰ হুছেইন ফৰাজীৰ জনপ্ৰিয়তা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ৰূপহীহাট বিধানসভা সমষ্টিত নতুনকৈ অন্তৰ্ভুক্ত হোৱা, শালপাৰা, নম্বৰী, তেৰমইল আৰু বনগাঁও, বৰঘুলি আৰু ভুৰবন্ধাত বিজেপি নেতা সুৰেশ বৰাই প্ৰাৰ্থী জাকিৰ হুছেইন ফৰাজীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। প্ৰতিটো পঞ্চায়ততে বিজেপি নেতাজনে গাঁৱৰ ৰাইজৰ লগত মত বিনিময় কৰে। অহা ৯ এপ্ৰিলত অনুষ্ঠিত হ'ব লগা নিৰ্বাচনত সকলোৱে উন্নয়নৰ স্বাৰ্থত হাতীৰ ছবিত ভোট দিবলৈ আহ্বান জনায়। বিজেপি নেতা সুৰেশ বৰাই। ৰূপহীহাটত নিৰ্বাচনী প্ৰচাৰ কাৰ্যত ফৰাজীক সংগ দিয়ে অগপ নেতা অভিজিৎ বৰাই। ৰূপহী বিধানসভা সমষ্টিৰ প্ৰাৰ্থী জাকিৰ হুছেইন ফৰাজীয়ে বিধায়ক হ'ব পাৰে তেন্তে ৰূপহীহাট বিধানসভা সমষ্টিৰ ভুমিহীন প্ৰকৃত ভাৰতীয় লোকক মাটিৰ পট্টা প্ৰদান ব্যৱস্থা কৰিব বুলি আশ্বাস প্ৰদান কৰে। ৰূপহীহাটত অগপ দলে বিভিন্ন পঞ্চায়তত নিৰ্বাচনী প্ৰচাৰৰ সময়ত বিভিন্ন পঞ্চায়তৰ পৰা প্ৰায় তিনি শতাধিক কংগ্ৰেছ দলৰ নেতা কৰ্মী কংগ্ৰেছ দল ত্যাগ কৰি অগপ দলত যোগদান কৰে। অগপ দলত যোগদান কৰা সকলক সুৰেশ বৰা, জাকিৰ হুছেইন ফৰাজী আৰু অভিজিত বৰাই অগপ দলৰ টুপি আৰু গামোচাৰে আদৰি লয়। ৰূপহীহাটত অগপ দলৰ মাৰাথন প্ৰচাৰত কংগ্ৰেছৰ ভেঁটিত কঁপনি উঠিছে আৰু অগপ দল শক্তিশালী হৈ উঠিছে।

বিজনী সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী ডিম্বেশ্বৰ বড়োক বিপিএফৰ পৰা নিলম্বন

অসম বাৰ্তা, বিজনী, ৪ এপ্ৰিল ঃ চিবাং জিলাৰ বিজনী জিলা যুৱ বি পি এফৰ উপ-সভাপতি ডিম্বেশ্বৰ বড়োক দলবিৰোধী কাৰ্যকলাপত লিপ্ত থকাৰ বাবে তেওঁক উক্ত পদবীৰ উপৰি প্ৰাথমিক সদস্য পদৰ পৰা ছৱছৰৰ বাবে নিলম্বন কৰা হয়। শুকুৰবাৰে বিজনী জিলা বি পি এফৰ কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদমেলত জিলা বিপিএফে এই কথা সদৰী কৰে। উল্লেখযোগ্য যে চিবাং জিলাৰ ২০ নম্বৰ বিজনী বিধানসভা সমষ্টিৰ বিপিএফৰ প্ৰাৰ্থিপ্ৰত্যাশী ডিম্বেশ্বৰ বড়োই দলীয় প্ৰাৰ্থিত্ব লাভ নকৰাৰ পাছত সমষ্টিটোত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। আজি বিজনী জিলা বিপিএফৰ কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলৰ জৰিয়তে বিজনী জিলা যুৱ বিপিএফৰ সভাপতি ৰূপম কুমাৰ দাসে এই তথ্য সদৰী কৰে। বিজনী জিলা বিপিএফৰ সভাপতি ৰবিৰাম খাকলাৰী, সাধাৰণ সম্পাদক গুদীপ ব্ৰহ্মই সংবাদমেলত অংশগ্ৰহণ কৰে। লক্ষণীয় যে বিপিএফৰ পৰা নিলম্বিত ডিম্বেশ্বৰ বড়ো সম্প্ৰতি ২০ নম্বৰ বিজনী বিধানসভা সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থীৰূপে নিজৰ পক্ষে নিৰ্বাচনী প্ৰচাৰ সভাসমূহ অনুষ্ঠিত কৰি আহিছে।

মাকুম মহাবিদ্যালয়ত SVEEP কোষৰ উদ্যোগত ভোটাৰ সজাগতা কাৰ্যসূচী

অসম বাৰ্তা, ষ্টাফ বিপৰ্টাৰ, তিনিচুকীয়া, ৪ এপ্ৰিল ঃ সমাগত অসম বিধানসভা নিৰ্বাচন-২০২৬ ৰ পৰিপ্ৰেক্ষিতত তিনিচুকীয়া নিৰ্বাচনী জিলাত SVEEP(প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু ভোটদানত অংশগ্ৰহণ) কোষৰ উদ্যোগত ভোটাৰ সজাগতাৰ বাবে বিভিন্ন কাৰ্যসূচী চলাই থকা হৈছে। জিলাখনৰ ১৮ বছৰ উৰ্দ্ধৰ ভোটাৰসকলৰ মাজত সজাগতা বৃদ্ধি আৰু ৯ এপ্ৰিল তাৰিখে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ অনুপ্ৰাণিত কৰাৰ উদ্দেশ্যে আজি মাকুম মহাবিদ্যালয়ত SVEEP কোষৰ উদ্যোগত তথা মাকুম মহাবিদ্যালয়ৰ সহযোগত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত স্বাক্ষৰ অভিযানৰ আয়োজন কৰাৰ উপৰিও কোনো ভয় অথবা শংকা নোহোৱাকৈ বিবেক ভোটদানৰ শপতবাক্য পাঠ কৰোৱাৰ হয়। মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে অতি উৎসাহেৰে এই স্বাক্ষৰ অভিযানত অংশগ্ৰহণ কৰে আৰু নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ উৎসাহ প্ৰকাশ কৰে।

"বিজেপি চৰকাৰৰ দিনত সংখ্যালঘু ৰাইজৰ যথেষ্ট উন্নয়ন হৈছে"

বৰক্ষেত্ৰীৰ পেৰাধৰাত নাৰায়ন ডেকাৰ নিৰ্বাচনী সভা

অসম বাৰ্তা, দৌলাশাল, ৪ এপ্ৰিল ঃ ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টীৰ মনোনীত তথা মিত্ৰজোঁটৰ সমৰ্থিত প্ৰাৰ্থী নাৰায়ন ডেকাই সমষ্টিটোত ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলাইছে। বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীয়ে আজি সমষ্টিটোৰ ৬৫নং লাৰকুছি-কাপলাবড়ি গাঁও পঞ্চায়তৰ সংখ্যালঘু অধ্যুষিত পেৰধৰাত নিৰ্বাচনী প্ৰচাৰ চলায়। পেৰাধৰা সাপ্তাহিক বজাৰৰ সমীপত নাৰায়ন ডেকাই এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে। পাঁচ শতাধিক সংখ্যালঘু ৰাইজৰ সমাবেশত অনুষ্ঠিত সভাত নাৰায়ন ডেকাই ভাষণ প্ৰসংগত বিজেপি চৰকাৰ তথা হিমন্ত বিশ্ব শৰ্মাই কৰা ৰাইজৰ সাৰ্বংগীন উন্নয়নৰ বাবেই এই বাৰ সংখ্যালঘু ৰাইজে বিজেপি মিত্ৰজোঁটৰ পক্ষত ভোটদান সাব্যস্ত কৰিব বুলি মন্তব্য কৰে। ৬৫নং লাৰকুছি-কাপলাবড়ি গাঁও পঞ্চায়তৰ ভাৰতীয় জনতা পাৰ্টীৰ নিৰ্বাচনী সমিতিৰ সভাপতি চাধুল্লা আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সভাত ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী নাৰায়ণ ডেকাই বিজেপি চৰকাৰৰ বিকাশ আৰু উন্নয়নৰ কথা আওৰাই বিজেপি চৰকাৰৰ দিনত সংখ্যালঘু ৰাইজৰ যথেষ্ট উন্নয়ন হোৱা বুলি কয়। নাৰায়

ৰূপহীহাটত কংগ্ৰেছ-অগপ আৰু এআইইউডিএফৰ নিৰ্বাচনী তৎপৰতা

কোনে মাৰিব শেষ হাঁহি?

অসম বাৰ্তা, ৰূপহীহাট, ৪ এপ্ৰিল ঃ নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে সিমানেই ৰূপহীহাটত নিৰ্বাচনী বতাহ গৰম হৈ পৰিছে। ৰূপহীহাট সমষ্টিত ৯৩ শতাংশ আছে সংখ্যালঘু ভোটাৰ। এই সংখ্যালঘু ভোটাৰ সকলে এইবাৰ প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। ৰূপহীহাটত কংগ্ৰেছ, অগপ আৰু এআইইউডিএফ দলৰ বাঘা-বাঘা নেতাই প্ৰতিদ্বন্দ্বিতা কৰিছে। ৰূপহীহাটত কংগ্ৰেছৰ দুইবাৰৰ বিধায়ক নুৰুল হুদা, এআইইউডিএফ দলৰ তিনিবাৰৰ বিধায়ক আমিনুল ইছলাম আৰু অগপ দলৰ পৰা অধিবক্তা জাকিৰ হুছেইন ফৰাজীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। সমষ্টিটোত তিনিখন দলেই শক্তিশালী প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে। বৰ্তমান কংগ্ৰেছৰ দখলত থকা সমষ্টিটোত নুৰুল হুদাৰ এক শক্তিশালী ভেঁটি আছে। নুৰুল হুদাই সমষ্টিটোত হেট্টিক কৰি তৃতীয় বাৰৰ বাবে বিধায়ক হোৱাৰ বাবে দিনে-নিশাই সমষ্টিটোত জঁপিয়াই পৰা দেখা গৈছে। কিন্তু সমষ্টিটোত বিধায়ক পুঁজিৰ টকাৰ লুণ্ঠন, ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ টকা কাম নকৰাকৈ আত্মসাৎ কৰাত সমষ্টিটোত কংগ্ৰেছ বিৰোধী টো দেখিবলৈ পোৱা গৈছে। কংগ্ৰেছৰ সাংসদ প্ৰদ্যুত বৰদলৈয়ে কংগ্ৰেছ দল ত্যাগ কৰি বিজেপি দলত যোগদান কৰাত ৰূপহীহাটত কংগ্ৰেছৰ বহু ক্ষতি হৈছে। প্ৰদ্যুত বৰদলৈৰ লগত ৰূপহীহাটৰ বহু কংগ্ৰেছী কৰ্মী দল ত্যাগ কৰি বিজেপি দলত যোগদান কৰিছে। সমষ্টিটোত কংগ্ৰেছে ভেঁটি দুৰ্বল হোৱাত নুৰুল হুদাই মানকাচাৰৰ এআইইউডিএফৰ দলৰ বহিস্কৃত প্ৰাক্তন বিধায়ক আমিনুল ইছলামক লগত লৈ সমষ্টিটো উদ্ধাৰৰ বাবে নামি পৰা পৰিলক্ষিত হৈছে। যোৱা ১০টা বছৰত নুৰুল হুদাই সমষ্টি উন্নয়ন ব্যৰ্থ হোৱাৰ বাবেই এতিয়া সমষ্টিটোত কংগ্ৰেছৰ বিপদ ঘণ্টা বাজি উঠিছে। নুৰুল হুদাৰ ৰূপহীহাট সমষ্টিত একমাত্ৰ নিজৰ ভোটটো আছে। পৰিয়ালৰ বাকী সকলো সদস্যৰ ভোট চামওৰি সমষ্টিত। হুদাৰ পৰিয়ালৰ ভোটৰ বিষয়টোও সমষ্টিটোত ব্যাপক চৰ্চা লাভ কৰিছে। আন পিনে সমষ্টিটোত এআইইউডিএফৰ দলৰ প্ৰাৰ্থী তথা ধিং সমষ্টিৰ তিনিবাৰৰ বিধায়ক আমিনুল ইছলামেও আৰম্ভ কৰিছে ব্যাপক নিৰ্বাচনী প্ৰচাৰ। আমিনুল ইছলাম পূৰ্বে ধিং সমষ্টিৰ বাসিন্দা আছিল আৰু এইবাৰ ৰূপহীহাট সমষ্টিৰ বাসিন্দা। সমষ্টিটোত এআইইউডিএফৰ দলৰ ভেঁটি শক্তিশালী। ৰূপহীহাটৰ পৰা এবাৰ এআইইউডিএফৰ দলৰ পৰা বিধায়ক মজিবুৰ ৰহমান বিজয়ী হৈছে। সেই ফালৰ পৰা ৰূপহীহাটত এআইইউডিএফৰ দলৰ সাংগঠনিক ভেঁটি মজবুত। আমিনুল ইছলামে সমষ্টিটোৰ চোকে-কোনে সভা সমিতি কৰি নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। আমিনুল ইছলামে সদায় নিৰ্যাতিত সংখ্যালঘু ৰাইজৰ হৈ বিধানসভাৰ মজিয়াত মাত মাতি আহিছে যাৰ বাবে নিৰ্বাচনৰ সময়ত সহজতে ভোটাৰ ৰাইজৰ মন জয় কৰিবলৈ সক্ষম হৈছে। ইয়াৰ উপৰিও সমষ্টিটোত আমিনুল ইছলামৰ পিতৃ ইসলামিক পণ্ডিত প্ৰয়াত আলহাজ খাইকল ইছলাম মুক্তি ৰ আছে ব্যাপক জনপ্ৰিয়তা। ইছলামিক পণ্ডিত খাইকল ইছলামৰ পুত্ৰ আমিনুল ইছলাম হোৱাৰ বাবে বহু সংখ্যালঘু মানুহে আমিনুল ইছলাম ক মুক্তিকৈ সমৰ্থন কৰিছে। সেই সকলো ফালৰ পৰা ৰূপহীহাটত এআইইউডিএফৰ দলৰ ভেঁটি মজবুত হোৱা দেখা গৈছে। য়োৱাকালি ৰূপহীহাটৰ উদমাৰীত হেলিকপ্টাৰে লৈ হায়দৰাবাদৰ সাংসদ আশ্বাদ উদ্দিন ওৱেছিয়ে আমিনুল ইছলামৰ হৈ প্ৰচাৰ চলোৱাত ৰূপহীহাটত এআইইউডিএফৰ দল অধিক শক্তিশালী হৈ পৰা দেখা গৈছে। ইপিনে সমষ্টিটোত অগপ মিত্ৰজোঁটৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছে ৰূপহীহাটৰ উচ্চ শিক্ষিত যুবক তথা অধিবক্তা জাকিৰ হুছেইন ফৰাজীক। জাকিৰ হুছেইন ফৰাজীয়ে অগপ দলৰ প্ৰাৰ্থী হোৱাৰ আগৰে পৰাই সমষ্টিটোত সভা-সমিতি কৰি অগপ দলৰ ভেঁটি মজবুত কৰি ৰাখিছে। ৰূপহীহাট সমষ্টি এসময়ত অগপ দলৰ দুৰ্গ হিচাপে পৰিচিত আছিল। ৰূপহীহাটৰ পৰা এবাৰ অগপ দলৰ পৰা আব্দুল আজিজ বিপুল ভোটেৰ জয়ী হৈ বিধায়ক হৈছিল। জাকিৰ হুছেইন ফৰাজীয়ে সমষ্টিটোৰ চোকে-কোণে বিভিন্ন সভা সমিতি কৰি প্ৰচাৰ কাৰ্য্য তুংগাত কৰি তুলিছে। ফৰাজীয়ে সমষ্টিটোৰ পঞ্চায়তে পঞ্চায়তে ব্যাপক প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। ফৰাজীৰ হৈ মন্ত্ৰী কেশৱ মহন্তই প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। মন্ত্ৰী গৰাকীৰ উপৰিও জাকিৰ হুছেইন ফৰাজীৰ হৈ বিজেপি নেতা অভিজিত নাথ, ছালমা জেছমিন, বাবুল আহমেদ, আনোৱাৰ হুছেইন ওৰফে ডন, দিৰাকৰ বৰা, কামৰুজ জামান সৰকাৰ আৰু ফাৰনাজ আহমেদে প্ৰচাৰত জঁপিয়াই পৰা দেখা গৈছে। অগপ দলৰ মাৰথন প্ৰচাৰত অগপ দল সমষ্টিটোত শক্তিশালী হৈ পৰা দেখা গৈছে। ৰূপহীহাটত তিনি গৰাকী হেভী প্ৰাৰ্থীৰ পৰা ভোটাৰ ৰাইজে কাক নিৰ্বাচিত কৰি শেষ হাঁহি মৰাৰ সুযোগ দিয়ে সেইটো হব লক্ষণীয়।

দহোটীয়া বিদ্যালয়ৰ ৮০ সংখ্যক প্ৰতিষ্ঠা দিৱস, বিদ্যাৰম্ভ অনুষ্ঠান

অসম বাৰ্তা, যোৰহাট, ৪ এপ্ৰিল ঃ পশ্চিম যোৰহাটৰ অগ্ৰণী শিক্ষানুষ্ঠান দহোটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৮০ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু নতুন শিক্ষাবৰ্ষৰ বিদ্যাৰম্ভ অনুষ্ঠান আজি অনুষ্ঠিত হয়। বিদ্যালয়ৰ শৈক্ষিক তত্ত্বাবধায়ক ধীৰেন্দ্ৰ কুমাৰ গগৈয়ে পুবা বিদ্যালয়ৰ পতাকা উত্তোলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি ব্ৰজেন দত্তৰ সভাপতিত্বত অনুষ্ঠিত দিৱস আৰু বিদ্যাৰম্ভ অনুষ্ঠানৰ সভাত অৱসৰপ্ৰাপ্ত অধ্যক্ষদ্বয় ৰুৰুণ চন্দ্ৰ নেওগ, চৈয়দ নজিব উল্লাহ, অৱসৰপ্ৰাপ্ত শিক্ষক মহেন্দ্ৰ নাথ হাজৰিকাক সম্বৰ্ধনা জনায়। ৰুৰুণ বৰা, মিনতি বৰাই আঁত ধৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মিনতি বৰাই। শিক্ষাৰ্থীসকলে বিদ্যালয় সংগীত পৰিৱেশন কৰা অনুষ্ঠানত বিদ্যালয়ৰ নতুন শিক্ষাবৰ্ষ আৰম্ভণি হিচাপে ছাত্ৰ-ছাত্ৰীৰ মংগল কামনা কৰি প্ৰতিটো শ্ৰেণীৰ হৈ বন্তি প্ৰস্তুতন কৰে বিদ্যালয়ৰ শিক্ষয়িত্ৰী মীনাক্ষী শইকীয়া বৰা, দীপামণি বৰা, সাহিত্যজ্যোতি দাস, বৰ্ণালী বৰদলৈ, তবালি ডেকা, ইন্দুলিনা বৰা আৰু মনমী বৰঠাকুৰে। সভাত ষষ্ঠৰ পৰা দশম শ্ৰেণীলৈ সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত সকলক অভিনন্দন জনোৱা হয়। বিদ্যালয়ৰ সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ষষ্ঠ শ্ৰেণীৰ ময়ূখ দাসক সভাত অভিনন্দন জনায়। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া পাঠ্যপুথি আৰু সমসাজ বিতৰণ কৰাৰ লগতে বিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধীনত ১৫ মাৰ্চত অনুষ্ঠিত চিত্ৰাংকন আৰু পস্টাৰ নিৰ্মাণ প্ৰতিযোগিতাৰ বঁটা বিতৰণ কৰা হয়। আজিৰ অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী, অভিভাৱকৰ লগতে বিভিন্নজন উপস্থিত থাকে।

বিৰেক ভোটেৰে উপযুক্ত প্ৰাৰ্থী নিৰ্বাচিত কৰাৰ আহ্বান কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ

অসম বাৰ্তা, লীলাবাৰী, ৪ এপ্ৰিল ঃ সমাগত বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশ গৰম হৈ থকাৰ সময়তে ভোটাৰ ৰাইজক সজাগ হ'বলৈ আহ্বান জনাইছে অসমৰ শক্তিশালী জাতীয় সংগঠন কোচ ৰাজবংশী সংগ্ৰাম সমিতিয়ে। সংগঠনটোৱে নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকললৈ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে ৰাইজক প্ৰলোভনত ভুল নগৈ 'বিবেক ভোট' প্ৰদান কৰিবলৈ অনুৰোধ জনাইছে। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিত কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি তথা বিশিষ্ট যুৱ সাহিত্যিক কাব্যপ্ৰাণ ৰূপজ্যোতি দত্ত কোচে কয় যে নিৰ্বাচনৰ সময়ত বিভিন্ন ৰাজনৈতিক দল বা নিৰ্দলীয় প্ৰাৰ্থীয়ে প্ৰদান কৰা মিছা প্ৰতিশ্ৰুতি, নগদ ধন, সুৰা বা অন্যান্য সামগ্ৰীৰ মোহিত আৱদ্ধ হোৱাটো অনুচিত। তাৰ পৰিৱৰ্তে মৌলিক সমস্যাসমূহ সমাধানৰ বাবে বাস্তৱসম্মত পৰিকল্পনা থকা, সৎ আৰু নিকা ভাৱমূৰ্তি ৰ প্ৰাৰ্থীকহে জয়যুক্ত কৰিব লাগে। বিশেষকৈ উচ্চ শিক্ষিত, কৰ্মদক্ষ আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত যুক্তি প্ৰদৰ্শন কৰিব পৰাকৈ ইংৰাজী-হিন্দী ভাষাত দখল থকা প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিবলৈ তেওঁ আহ্বান জনায়। একেদৰে, সদৌ লখিমপুৰ জিলা কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ সভাপতি বিকাশ দত্ত, সাধাৰণ সম্পাদক নিতুল শইকীয়াৰ লগতে জিলা আৰু আঞ্চলিক সমিতিৰ নেতৃবৃন্দই আন এক বিজ্ঞপ্তিযোগে জনাই ছে যে সমাজৰ প্ৰতি দায়বদ্ধতা থকা প্ৰাৰ্থী নিৰ্বাচিত হ'লেহে এখন শক্তিশালী আৰু উন্নয়নকামী চৰকাৰ গঠন হোৱাটো সম্ভৱ। নেতৃবৃন্দই আশা প্ৰকাশ কৰে যে ভোটাৰসকলে নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰি এজন উপযুক্ত প্ৰতিনিধি নিৰ্বাচিত কৰিব যিয়ে অঞ্চলটোৰ লগতে সমাজৰ সৰ্বাংগীণ উন্নতিৰ বাবে কাম কৰিব।

সৰুপথাৰ সমষ্টিৰ শাসক-বিৰোধীৰ সমীকৰণ সলনি কৰিব পাৰে এজন প্ৰাৰ্থীয়ে

অসম বাৰ্তা, সৰুপথাৰ, ৪ এপ্ৰিল ঃ সৰুপথাৰ সমষ্টিত শাসক-বিৰোধীৰ ৰাজনৈতিক যুঁজ তুংগাত হৈ উঠিছে। শাসক-বিৰোধীৰ অংকত আউল লগাব নেকি ঝাৰখণ্ড মুক্তি মৰ্চাই। সৰুপথাৰ সমষ্টিৰ ঝাৰখণ্ড মুক্তি মৰ্চাৰ প্ৰাৰ্থী চাহিল মুগুই চলাইছে নিৰ্বাচনী প্ৰচাৰ। ৩৬ হাজাৰতকৈ অধিক চাহ জনজাতি তথা আদিবাসী ভোটাৰ থকা সৰুপথাৰ সমষ্টিত চাহিল মুগুই পৰিবৰ্তন কৰিব নেকি ৰাজনৈতিক সমীকৰণ। বিজেপিৰ পকেট ভোটৰে পৰিবৰ্তন হোৱা চাহ জনজাতিৰ ভোটাৰসকলে যদিহে চাহিল মুগুক ভোট প্ৰদান কৰে তেতিয়া বিজেপিৰ অংকত আউল লগাটো স্বাভাৱিক বুলি তেওঁৰ সমৰ্থকসকলে ক'ব খোজে। সমান্তৰালভাৱে কংগ্ৰেছৰ পকেট ভোট হিচাপে পৰিচিত খ্ৰীষ্টীয়ান, সংখ্যালঘু ভোটাৰৰ মাজতো চাহিল মুগুৰ ব্যাপক নিৰ্বাচনী প্ৰচাৰ। সৰুপথাৰ সমষ্টিৰ ৰাজনৈতিক প্ৰেক্ষাপটত ঝাৰখণ্ড মুক্তি মৰ্চাই কিদৰে প্ৰভাৱ পেলাব সেয়া নিৰ্বাচনী ফলাফলত স্পষ্ট হ'ব। ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত ছোৰেণে সৰুপথাৰত বিশাল নিৰ্বাচনী সভা সম্বোধন কৰি চাহিলৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ সম্ভাৱনা আছে। ই সৰুপথাৰ সমষ্টিৰ আদিবাসী ভোটাৰ ৰাইজৰ মাজত এক প্ৰভাৱ পেলাব নেকি? ২০২৬-ৰ বিধানসভা নিৰ্বাচনক লৈ শাসক বিৰোধী যি তৎপৰতা দেখিবলৈ পোৱা গৈছে আৰু পাৰ্থীসমূহে নিৰ্বাচনী যি প্ৰচাৰ অভিযান, প্ৰচাৰ অভিযান তুংগাত কৰি তুলিছে। সমান্তৰালভাৱে ব্যতিক্ৰম নহয় সৰুপথাৰ বিধানসভা সমষ্টি। সৰুপথাৰ বিধানসভা সমষ্টিত ঝাৰখণ্ড মুক্তি মৰ্চাৰ হৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়াব চাহিল মুগুই। পোনপ্ৰথমবাৰৰ বাবে সৰুপথাৰ বিধানসভা সমষ্টিত জয় ভাৰত পাৰ্টিৰ বা ঝাৰখণ্ড মুক্তি মৰ্চাৰ হৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়াব চাহিল মুগুই। এক প্ৰকাৰে ক'বলৈ গ'লে ৰাজনৈতিক জীৱন আৰম্ভ কৰিছে এইজন প্ৰাৰ্থীয়ে। বৃহস্পতিবাৰে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত ছোৰেনে চাহিল মুগুৰ হৈ সৰুপথাৰ সমষ্টিৰ বনং পানজান খেলপথাৰত নিৰ্বাচনী প্ৰচাৰ চলাল। ঝাৰখণ্ড মুক্তি মৰ্চাৰ প্ৰাৰ্থী চাহিল মুণ্ডা প্ৰবল আশাবাদী। তেওঁৰ প্ৰতিদ্বন্দ্বিতা কেৱল জাতীয় পৰিষদ লগত হ'ব বিজেপিৰ লগত প্ৰতিদ্বন্দ্বিতা নহয় বুলি উল্লেখ কৰে। এই বাৰ নিৰ্বাচনত আদিবাসী সমাজে সঠিক সিদ্ধান্ত লব।

গণতন্ত্ৰত একমাত্ৰ পাশুপাত অস্ত্ৰ ৰাইজৰ হাতত

বাঁহজানীত কংগ্ৰেছ দলৰ দুটাকৈ নিৰ্বাচনী কাৰ্যালয় মুকলি

অসম বাৰ্তা, বাঁহজানী, ৪ এপ্ৰিল ঃ নলবাৰী জিলাৰ ৩৯ নং নলবাৰী বিধানসভা সমষ্টিত নিৰ্বাচনী যুঁজ অধিক আকৰ্ষণীয় হৈ উঠিছে। শাসকীয় এনডিএ মিত্ৰজোঁটৰ বিপক্ষত প্ৰাৰ্থী জয়ন্ত মল্লবৰুৱা, বিৰোধী ঐক্য মঞ্চৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী অশোক কুমাৰ শৰ্মা, এচ ইউ চি আই দলৰ পৰা কেনেডি পেগু আৰু মুক্তাৰ ছুইইন, চাম্চুদা হক, চফৰ আলীয়ে নিৰ্দলীয় হিচাপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াই নিৰ্বাচনী প্ৰচাৰ চলাইছে যদিও প্ৰধানত বিজেপি আৰু কংগ্ৰেছ দলৰ প্ৰচাৰ ক্ৰমাৎ তীব্ৰ হৈ উঠিছে। আজি সন্ধিয়া কংগ্ৰেছ প্ৰাৰ্থী অশোক কুমাৰ শৰ্মাৰ হৈ অৱসৰপ্ৰাপ্ত শিক্ষক তথা প্ৰবীন কংগ্ৰেছ নেতা অনিল ভট্টই সমষ্টিটোৰ বাঁহজানীত উপস্থিত হৈ অঞ্চলটোত দুটাকৈ নিৰ্বাচনী কৰ্যালয় উদ্বোধন কৰে। দলটোৰ বহুসংখ্যক দলীয় কৰ্মী, সমৰ্থকক লগত লৈ প্ৰবীন কংগ্ৰেছ নেতা অনিল ভট্টই বুল্লকুছি খাদী চ'ফত কংগ্ৰেছ দলৰ নিৰ্বাচনী কাৰ্যালয়টো উদ্বোধন কৰি ভোটাৰ ৰাইজক সম্বোধন কৰা এখন সভাত কয় যে, নিৰ্বাচনতো এটা উৎসৱ বুলি মুখ্যমন্ত্ৰীয়ে কয়। বিবেকক শুধি এটি সুস্থিৰ সিদ্ধান্ত পাবলৈ নিৰ্বাচনৰ প্ৰয়োজন। এটি সঠিক সিদ্ধান্তত উপস্থিত হোৱাই নিৰ্বাচন। পাঁচবছৰত কি কৰিলে এবাৰ ভাবি চাওঁক। মিটিঙত নগ'লে নামটো কাটি দিম বুলি এই চৰকাৰখনে ভয় খুৱাই। গণতান্ত্ৰিক অধিকাৰ ৰক্ষা কৰিব লাগিলে ভয়মুক্ত হ'ব লাগিব। আমি পৰিবৰ্তন বিচৰা উচিত বুলি কৈ ভট্টই পৰিবৰ্তনৰ একমাত্ৰ পাশুপাত অস্ত্ৰ ৰাইজৰ হাতত আছে বুলি কয়। কংগ্ৰেছে নেতা নিৰ্মল কৃষ্ণ শৰ্মাই আঁত ধৰা সভাখনত নলবাৰী জিলা কংগ্ৰেছৰ ভাৰপ্ৰাপ্ত সভাপতি দিব্যজ্যোতি হাঁলৈ, অসম জাতীয় পৰিষদৰ নলবাৰী জিলা সভাপতি নগেন ডেকাই ভাষণ দিয়ে। সভাত কংগ্ৰেছ নেতা সূৰ্য মেধি, দহ নং মধ্য বাঁহজানী মণ্ডল কংগ্ৰেছৰ সভাপতি দিলীপ ডেকা, পূৱ নলবাৰী ব্লক কংগ্ৰেছৰ উপ সভাপতি ক্ৰমে জয়দেৱ দাস, মখলেল আলী, পূৱ নলবাৰী ব্লক কংগ্ৰেছৰ সম্পাদক উদয় বৈশ্যকে ধৰি কেইবাগৰাকীও দলীয় নেতা কৰ্মী উপস্থিত থাকে। ইফালে এই সভাতে যোৱা পঞ্চায়ত নিৰ্বাচনৰ নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদন্দিতা আগবঢ়োৱা মিতালী ডেকাই আনুষ্ঠানিকভাৱে ভাৰতীয় জাতীয় কংগ্ৰেছ দলত যোগদান কৰে। আনহাতে আজিয়ে বাঁহজানীৰ চান্দকুছি ঘিঞ্জা চ'ফত কংগ্ৰেছ দলৰ দ্বিতীয়টো নিৰ্বাচনী কাৰ্যালয়টো আনুষ্ঠানিকভাৱে মুকলি কৰে ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ নলবাৰী জিলাৰ ভাৰপ্ৰাপ্ত সভাপতি দিব্যজ্যোতি হাঁলৈয়ে।

■ বিজেপি ঘৃণাৰ ৰাজনীতিৰ সৃষ্টি কৰিছে ■

গৰৈমাৰীত কংগ্ৰেছৰ নিৰ্বাচনী সভাত শচীন পাইলট

অসম বাৰ্তা, গৰৈমাৰী, ৪ এপ্ৰিল ঃ নৱগঠিত ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰী টাউন ক্লাব খেলপথাৰত আজি বিয়লি অনুষ্ঠিত কংগ্ৰেছৰ বিশাল নিৰ্বাচনী সভা অনুষ্ঠিত হয়। সভাত অংশগ্ৰহণ কৰি ৰাজস্থানৰ প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী তথা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক শচীন পাইলটে বিজেপিয়ে বিগত ১০ বছৰত অসমত ঘৃণাৰ ৰাজনীতিৰ সৃষ্টি কৰা বুলি কয়। বিগত দহ বছৰত ডাবল ইঞ্জিন চৰকাৰখনে মিলি কিমান চাকৰি, উদ্যোগ, কিমান লোকক সহায় কৰিছে, সেই সন্দৰ্ভত নিজৰ ভাষণৰ জৰিয়তে শচীন পাইলটে বিজেপিক প্ৰশ্ন কৰে। গৰৈমাৰী আৰু ছমৰীয়া ব্লক কংগ্ৰেছ কমিটিৰ উদ্যোগত অনুষ্ঠিত নিখিল ভাৰত মহিলা কংগ্ৰেছ সমিতিৰ সাধাৰণ সম্পাদিকা নুৰী খানে আঁত ধৰা সভাত বাজস্থানৰ প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী শচীন পাইলটে আৰু কয়—উয়েন তাত হয়, য'ত শান্তি থাকে। ৰাহুল গান্ধীয়ে কন্যাকুমাৰীৰ পৰা কাশ্মীৰ লৈ মানুহক একত্ৰিত কৰাৰ বাবে কাম কৰিছে। বিজেপিয়ে দেশত বিষ-ঘৃণা, এজনক আন জনৰ পৰা পৃথক কৰিছে। বিজেপিয়ে এন আৰ চি, চি এ এ আদি অনাৰ কথা উল্লেখ কৰি বিজেপি সংবিধান, আইন-কানুন নামানে বুলি শচীন পাইলটে কয়। নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক

ড° চৈয়দ নাছিৰ হুছেইনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, অসমৰ মুখ্যমন্ত্ৰী হিমন্তবিশ্ব শৰ্মা আনকি উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথৰ বিৰুদ্ধে ভাৰতীয় জাতীয় কংগ্ৰেছৰ হৈ বাছল গান্ধী, মল্লিকাৰ্জুন খাৰ্গে যুঁজি থকা বুলি কয়। বিজেপিয়ে চল্লিছবছৰ বিধানসভা নিৰ্বাচনত দিয়া প্ৰতিশ্ৰুতিসমূহ পূৰণ কৰিব নোৱাৰাত হিমন্তবিশ্ব শৰ্মাই হিন্দু-মুছলমান, ভাৰত-পাকিস্তান, বাংলাদেশী, বঙালি-অসমীয়া বুলি কৈ থকা বুলি চৈয়দ নাছিৰ হুছেইনে কয়। ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ মুখ্যমন্ত্ৰী হৈ শিক্ষা, বিজ্ঞান, মাইনিং, চাকৰিৰ নামত, পেপাৰ ফাদিল আদিৰ নামত লুটপাট চলাই আহিছে' হিমন্তবিশ্ব শৰ্মাক অসমৰ ছিঞ্চিকেটৰ মুখ্যমন্ত্ৰী আখ্যায়িত কৰি চৈয়দ নাছিৰ হুছেইনে কয়লা, পান, ছুপাৰি, বালি আদি সকলো সামগ্ৰীৰ ছিঞ্চিকেটৰ মাফিয়াও ড° হিমন্ত বিশ্ব শৰ্মা। হিমন্তবিশ্ব শৰ্মাই ছিঞ্চিকেটৰ ধন দেশৰ বিভিন্ন ৰাজ্যৰ বিজেপি চৰকাৰক ভোটিৰ সময়ত যোগান ধৰা বুলি চৈয়দ নাছ হুছেইনে কয়। নিৰ্বাচনী সভাত সৰ্বভাৰতীয় মহিলা কংগ্ৰেছ কমিটিৰ সভানেত্ৰী আলকা লাম্বাই উপস্থিত থাকি বিজেপিয়ে নিজৰ চকী ৰক্ষা কৰাৰ বাবে দেশত হিন্দু-মুছলমানৰ ৰাজনীতি কৰা বুলি কয়। বিজেপি চৰকাৰে শিশুক শিক্ষা আৰু সুৰক্ষাৰ পৰা বঞ্চিত কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে বেটী বচাও বেটি কয় যদিও বিজেপি নেতাৰ পৰা বেটীক কক্ষা কৰিবলৈ অসুবিধা হোৱা বুলি অলকা লাম্বাই কয়। সভাত ছমৰীয়া সমষ্টিৰ কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী ৰেকি বুদিন আহমেদে ৰাইজৰ পৰা দোৱা আৰু আশীৰ্বাদ বিচাৰে। সভাত গৰৈমাৰী আৰু সোণত্ৰীৰ কেই বাগৰাকী পঞ্চায়ত প্ৰতিনিধিৰ লগতে ভালেসংখ্যক নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে।

মৃত্যুৰ মুখৰ পৰা ৰক্ষা পৰিল বিদ্যুৎ বিভাগৰ অভিযন্তা

মানৱ অধিকাৰ কৰ্মী তথা সাংবাদিকৰ মানৱীয়তা

অসম বাৰ্তা, লীলাবাৰী, ৪ এপ্ৰিল ঃ লখিমপুৰ চহৰৰ মাজমজিয়াত কালি নিশা এক হৃদয়স্পৰ্শী ঘটনা সংঘটিত হয়। জিলাখনৰ জ্যেষ্ঠ মানৱ অধিকাৰ কৰ্মী তথা 'নতুন স্বদেশ' কাকতৰ ষ্টাফ বিপৰ্টাৰ ৰাজু সিংহৰ তৎপৰতাত এক নিশ্চিত মৃত্যুৰ মুখৰ পৰা প্ৰাণ ৰক্ষা পৰে বিদ্যুৎ বিভাগৰ এগৰাকী অভিযন্তাৰ। বৃহস্পতিবাৰে নিশা প্ৰায় ৮: ৪০ বজাত সাংবাদিক ৰাজু সিংহই নিত্য কৰ্তব্য সামৰি নিজৰ দুচকীয়া বাহনেৰে ঘৰলৈ উভতি আহি আছিল। তেনে সময়তে তেওঁ গান্ধী পাৰ্কৰ সমীপৰ বগী মিক্ষ পাৰ্লাৰৰ সন্মুখত পথৰ কাষৰ এটা বিদ্যুৎ খুঁটাৰ তলত এজন ব্যক্তিক তিনিটা বেগৰ সৈতে সংজ্ঞাহীন অৱস্থাত পৰি থকা প্ৰত্যক্ষ কৰে। পৰিস্থিতিৰ গুৰুত্ব বুজি উঠি সাংবাদিক গৰাকীয়ে লগে-লগে বাহন ৰখায় আৰু একাংশ বাটকৰাৰ সহায় বিচাৰে। কেইবাজনো সচেতন যুৱক আগবাঢ়ি অহাত তেওঁলোকৰ সহযোগত সংজ্ঞাহীন ব্যক্তিজনক দাঙি যেনে-তেনে বহুৱায়। যুৱকসকল আৰু সাংবাদিক গৰাকীয়ে ব্যক্তিজনৰ মুখ আৰু মূৰত পানী চিতায়ই শুশ্ৰূষা কৰাত কিছু সময়ৰ পাছত তেওঁৰ সংজ্ঞা ঘূৰি আহে। উদ্ধাৰ কাৰ্য চলি থকাৰ সময়তে সেই পথেৰে গৈ থকা সদৰ থানাৰ নগৰ পেট্ৰলিং আৰক্ষীৰ দল এটাক ৰাইজৰ সহযোগত খবৰো হয় আৰু ব্যক্তিজনক আৰক্ষীৰ হাতত গতাই দিয়া হয়। পৰবৰ্তী সময়ত সাংবাদিক ৰাজু সিংহই ব্যক্তিজনৰ আলোকচিত্ৰসহ সবিশেষ নিজৰ ফেচবুক একাউণ্টৰ জৰিয়তে প্ৰচাৰ কৰে। ছচিয়েল মিডিয়াৰ জৰিয়তে জানিব পৰা মতে, উদ্ধাৰ হোৱা ব্যক্তিজন প্ৰকৃততে লখিমপুৰ জিলা বিদ্যুৎ বিভাগৰ অভিযন্তা আদিত্য ৰঞ্জন বৰুৱা ঘৰ যোৰহাট তৰাজানত। ফেচবুকৰ সেই পোষ্টৰ জৰিয়তেই নিশাৰ ভিতৰতে পৰিয়ালৰ লোকৰ সৈতে অভিযন্তাজনৰ যোগাযোগ সম্ভৱ হৈ উঠে। সাংবাদিক ৰাজু সিংহে এই সময়োচিত পদক্ষেপ আৰু মানৱীয়তাৰ বাবে লখিমপুৰৰ সচেতন ৰাইজে তেওঁক উচ্চ প্ৰশংসা কৰাৰ লগতে কৃতজ্ঞতা জ্ঞাপন কৰিছে।

'হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমৰ সুৰক্ষাৰ কাম আৰম্ভ হৈছে'

বাঁহজানীৰ ভদ্ৰাত বিজেপিৰ নিৰ্বাচনী সভাত জয়ন্ত মল্লবৰুৱা

অসম বাৰ্তা, বাঁহজানী, ৩ এপ্ৰিল ঃ বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে নলবাৰী জিলাৰ ৩৯ নং নলবাৰী বিধানসভা সমষ্টিত শাসকীয় বিজেপি আৰু কংগ্ৰেছ দলৰ নিৰ্বাচনী প্ৰচাৰ অভিযান ক্ৰমান্বয়ে তীব্ৰতৰ হৈ উঠিছে। আজি সন্ধিয

সম্পাদকীয়

ৰাঘৱ চাদ্দাক অপসাৰণ আৰু কেইটামান প্ৰশ্ন

আম আদমী পাৰ্টীয়ে ৰাজ্যসভাৰ উপ-দলপতিৰ পদৰ পৰা জনপ্ৰিয় সাংসদ ৰাঘৱ চাদ্দাক আঁতৰাই লুধিয়ানাৰ সাংসদ অশোক মিট্টালক নিযুক্তি দিয়াৰ ঘটনাই ৰাজনৈতিক মহলত ধুমুহাৰ সৃষ্টি কৰিছে। দলটোৱে ৰাজ্যসভা সচিবালয়লৈ প্ৰেৰণ কৰা আনুষ্ঠানিক পত্ৰৰ ভৰিয়তে এই সিদ্ধান্ত স্পষ্ট কৰি দিয়া হৈছে। অশোক মিট্টাল লাভলী প্ৰফেচনেল ইউনিভাৰ্চিটিৰ প্ৰতিষ্ঠাপক হিচাপে পৰিচিত এগৰাকী শিক্ষাবিদ তথা উদ্যোগপতি। কিন্তু এই হঠাৎ পৰিৱৰ্তনে সাধাৰণ মানুহৰ মনত বহু প্ৰশ্নৰ সৃষ্টি কৰিছে।

প্ৰথম প্ৰশ্নটো হ'ল- কিয় এই অপসাৰণ? ৰাঘৱ চাদ্দা এসময়ত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ আস্থাভাজন সহযোগী হিচাপে পৰিচিত আছিল। দিল্লী আৰু পঞ্জাবৰ ৰাজনীতিত তেওঁ সক্ৰিয় ভূমিকা পালন কৰি আহিছে। কিন্তু বিগত কিছু মাহত দলৰ গুৰুত্বপূৰ্ণ অনুষ্ঠানত তেওঁৰ অনুপস্থিতি আৰু মৌনতাই যথেষ্ট প্ৰশ্নৰ অৱতাৰণা কৰিছিল। ইয়াৰ আগতে দলৰ তাৰকা প্ৰচাৰকৰ তালিকাৰ পৰাও তেওঁৰ নাম বাদ পৰিছিল।

দ্বিতীয় প্ৰশ্নটো হ'ল- এই সিদ্ধান্ত কিমান গণতান্ত্ৰিক? আম আদমী পাৰ্টীয়ে নিজকে সম্পূৰ্ণভাৱে গণতান্ত্ৰিক দল বুলি দাবী কৰে। কিন্তু দলৰ ভিতৰত এনে গুৰুত্বপূৰ্ণ পদৰ পৰিৱৰ্তনৰ সময়ত জ্যেষ্ঠ নেতা ৰাঘৱ চাদ্দাক কোনোধৰণৰ ব্যাখ্যা নিদিয়াকৈ অপসাৰণ কৰাটোৱে দলটোৰ অভ্যন্তৰীণ গণতান্ত্ৰিক চৰিত্ৰৰ ওপৰতে সন্দেহৰ সৃষ্টি কৰিছে। দলৰ সিদ্ধান্তত চাদ্দা কিমান সন্মত- সেইটোও গুৰুত্বপূৰ্ণ প্ৰশ্ন।

তৃতীয় প্ৰশ্নটো- বিজেপিৰ নেতা বীৰেন্দ্ৰ সচদেৱে উত্থাপন কৰা যুক্তিৰ সৈতে জড়িত। তেওঁ কৈছে যে চাদ্দাই কেজৰিৱালৰ 'বিশ্বাসী আৰু দুৰ্নীতিগ্ৰস্ত' নেতৃত্বৰ পৰা নিজকে আঁতৰাই খখাৰ বাবেই তেওঁক অপসাৰণ কৰা হৈছে। যদিও এই কথা সম্পূৰ্ণৰূপে সত্য বুলি প্ৰমাণিত হোৱা নাই, তথাপি স্বাতী মালিবালৰ দৰে আন এগৰাকী নেতাইও পূৰ্বে দলৰ পৰা আঁতৰি যোৱা প্ৰসংগই চিন্তাৰ সৃষ্টি কৰে। এনে ধাৰাবাহিকতাৰ পাছত দলটোৰ একতাৰ ওপৰত প্ৰশ্নৰ সৃষ্টি হৈছে।

আকৌ, অশোক মিট্টালক নিযুক্তি দিয়াৰ পাছত তেওঁ সংবাদমেলত যি দাবী কৰিছে যে এইটো নিয়মীয়া পদ্ধতিৰ অংশ, তাতো সন্তুষ্ট হ'ব পৰা নাযায়। কাৰণ ৰাঘৱ চাদ্দা সাংসদ হিচাপে অত্যন্ত সক্ৰিয় আছিল। তেওঁ মধ্যবিত্ত শ্ৰেণীৰ কৰৰ বোজা, তথাৰ ম্যাদ উকলি যোৱা, পিতৃত্বৰ ছুটী, বায়ু প্ৰদূষণকে, চিৰাৰ দাম বৃদ্ধিকে ধৰি বিভিন্ন জনস্বাৰ্থৰ বিষয় সংসদত উত্থাপন কৰি আহিছিল। তেওঁৰ অপসাৰণৰ পাছত সামাজিক মাধ্যমত খেয়াৰ কথা ভিডিঅ'টোত এই বিষয়সমূহ তুলি ধৰি তেওঁ ক্ষোভ প্ৰকাশ কৰিছে। এটা 'ইভিল আই' ইমোজি ব্যৱহাৰ কৰি তেওঁ যে ইংগিতপূৰ্ণ বাৰ্তা দিব বিচাৰিছে, সেয়া স্পষ্ট।

সাধাৰণ মানুহৰ মনত এতিয়া প্ৰশ্ন উঠিব পাৰে যে- ৰাঘৱ চাদ্দাৰ দৰে এজন কাৰ্যক্ষম সাংসদক অপসাৰণ কৰি দলটোৱে সংসদত নিজৰ শক্তি কমাই দিয়া নেকি? অশোক মিট্টাল শিক্ষা আৰু ব্যৱসায়ৰ ক্ষেত্ৰত সফল হ'লেও সংসদীয় কৌশল আৰু ৰাজনৈতিক সংগ্ৰামৰ অভিজ্ঞতাৰ ফালৰ পৰা চাদ্দাৰ সমকক্ষ হ'ব পাৰিব নে? পঞ্জাবৰ ৰাজনৈতিক গতিশীলতা আৰু সাংগঠনিক ভাৰসাম্য ৰক্ষাৰ বাবে এই সিদ্ধান্ত বুলি দলীয় সূত্ৰই ব্যাখ্যা দিছে যদিও সেয়া সম্পূৰ্ণ সন্তোষজনক যেননালাগে।

শেষত ক'ব লগা যে, যিকোনো দলৰ নিজা অভ্যন্তৰীণ কৌশল আৰু নেতৃত্ব পৰিৱৰ্তনৰ অধিকাৰ আছে। কিন্তু এনে পৰিৱৰ্তন যেতিয়া ৰাজহুৱাভাৱে সন্দেহৰ সৃষ্টি কৰে, তেতিয়া দলটোৱে অধিক স্বচ্ছ আৰু যুক্তিসংগত ব্যাখ্যা আগবঢ়োৱা উচিত। ৰাঘৱ চাদ্দা নীৰৱে থাকিব পাৰে, কিন্তু সাধাৰণ মানুহৰ মনত থকা প্ৰশ্নবোৰ নীৰৱে থাকিব নোৱাৰে। আগন্তুক দিনত এই সিদ্ধান্তই আম আদমী পাৰ্টীৰ সংসদীয় কাৰ্যদক্ষতাৰ ওপৰত কি প্ৰভাৱ পেলায়, সেইফালে সকলোৱে দৃষ্টি থাকিব।

আমাৰ যুৱপ্ৰজন্মৰ মানসিকতাত আন এক গুৰুত্বপূৰ্ণ তথা চিন্তনীয় দিশ হ'ল স্থানভেদে শ্ৰমৰ মৰ্যাদা সলনি হোৱা এক আচহুৱা চৰিত্ৰ। দেখা যায় যে, যিজন যুৱকে নিজৰ গাঁৱত বা চহৰত এখন সৰু চাহৰ দোকান দিবলৈ বা ডেলিভাৰী বয়ৰ কাম কৰিবলৈ সংকোচ কৰে, সেই একেজন যুৱকেই দিল্লী, মুম্বাই, বেংগালুৰু বা চেন্নাইৰ দৰে মহানগৰীত গৈ তাতকৈও নিম্ন পৰ্যায়ৰ কাম কৰিবলৈ অকণো কুণ্ঠাবোধ নকৰে। তাত তেওঁলোকে হোটেলত বাচন ধোৱা, চিকিউৰিটি গাৰ্ডৰ কাম কৰা বা শ্বপিং মলত চেলচ্ বয় বা চাফাই কৰ্মী হিচাপে কাম কৰাটোক লৈ কোনো হীনমান্যতাত ভোগা দেখা নাযায়। ইয়াৰ মনস্তাত্ত্বিক কাৰণটো হ'ল অচিনাকি ঠাইত কোনেও কাকো চিনি নাপায়, গতিকে তাত কামৰ মৰ্যাদা বা সামাজিক প্ৰতিষ্ঠাৰ ভয় নাথাকে।

মাতৃভাষাৰ সংকট সৃষ্টিত চৰকাৰী সিদ্ধান্ত

আমি স্কুলত নে কলেজত পঢ়া Alphonse Daudet-ৰ 'The Last Lesson' নামৰ পাঠ এটাৰ কথা মনত আছে। পাঠটিত শিক্ষক- M. Hamel - য়ে বৰ দুখেৰে কৈছিল, - "My children, this is the last lesson I shall give you. The order has come from Berlin to teach only German in the schools of Alsace and Lorraine..... This is your last French lesson....."

বহু বছৰৰ আগতে আমাৰ অসমৰ স্কুলতো এদিন শিক্ষকে বাধ্যত পৰি কৈছিল, "সৰুকৈ পৰা তোক এইটোপা হে চিকালে, ছনিবাৰে ছনিবাৰে চদায় তোৰ স্বৰ উঠে?" এয়া অসমীয়াৰ দুৰ্কপাল। ছশ বছৰীয়া আহোম ৰাজ্যৰ পতনৰ পিছতে বুটিছ শাসকে আমাৰ ভাষা-সাহিত্যৰ পথটো কণ্টকাকীৰ্ণ কৰি তুলিছিল।

প্ৰশিক্ষনযোগ্য যে ১৮৭৪ চনৰ পূৰ্বে বুটিছে অসমৰ প্ৰশাসনিক কামবোৰ - বংগ প্ৰেচিডেন্সিৰ অধীনত কলিকতাৰ পৰা চলাইছিল। বংগৰ প্ৰশাসনিক কাম চলাবলৈ বুটিছ চৰকাৰে স্থানীয় শিক্ষিত বঙালী লোকক নিয়োগ কৰিছিল। সেই দৰেই অসমৰ প্ৰশাসনিক কামতো বংগৰ পৰা অনা মানুহ নিয়োগ কৰিছিল। বুটিছে তেওঁলোকক বিশ্বাস কৰিছিল আৰু তেওঁলোকে কোবা কথা পুনৰ বিবেচনা নকৰাকৈ গ্ৰহণ কৰিছিল। প্ৰশাসনিক ক্ষেত্ৰত বঙালী বাবুসকলৰ সুচলতাৰ বাবে ১৮৩৬ চনৰ পৰা বুটিছ শাসিত অসমত বঙলা ভাষাৰ জৰিয়তে কাম-কাজ চলোৱাৰ সিদ্ধান্ত লৈছিল। ১৮৩৬ চনত ৰেভিনিউ কমিছনাৰ জেনকিন্সে উদ্যোগ লৈ 'মৰি গ'লেও অসমীয়া ভাষাৰ স্বতন্ত্ৰতা স্বীকাৰ নকৰা' বিষয়া উইলিয়াম ৰবিনচনৰ সহযোগত স্কুল আৰু কাছাৰীৰ পৰা অসমীয়া ভাষাক বিদায় সম্বৰ্ধনা জনাইছিল। সিদিনাও হয়তো অসমৰ স্কুলৰ কোনোবা শিক্ষকে অমুনিয়াহ কাঢ়ি কৈছিল - "ল'ৰাহঁত, এয়া তহঁতৰ মাতৃভাষাৰ শেষ পাঠ। আজিৰ পৰা তহঁতে আৰু পৃথিৱীৰ অতিকৈ 'শুৱলা' ভাষাত পাঠ আওঁৰোবাৰ পৰা বঞ্চিত হ'বি।" কিন্তু কোনো অসমীয়াই সেই সময়ত চৰকাৰৰ ভাষা-নীতিৰ ওপৰত প্ৰশ্নৰ অৱতাৰণা কৰা নাছিল। চিন্তাৰ উদ্ৰেক হৈছিল তেতিয়াহে, যেতিয়া অসমীয়া লোকে দেখিলে- অসমৰ খিলঞ্জীয়া সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰখনলৈ ভাবুকি আহি পৰিল, অসমৰ জন-গাঁথনিলৈ ৰূপান্তৰ ঘটিল। ফলত অসমৰ থলুৱা ভাষা, সংস্কৃতি, অৰ্থনীতি আৰু ৰাজনৈতিক স্থিতি গভীৰ চাপ আৰু উৎকণ্ঠাৰ মাজলৈ ক্ৰমান্বয়ে গতি কৰিছিল। মুষ্টিমেয় অসমীয়া উৎকণ্ঠিত হৈছিল তেতিয়া, যেতিয়া অসমৰ সাংস্কৃতিক গতিধাৰাৰ পৰিৱৰ্তন স্পষ্ট হৈ পৰিছিল।

অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ চকু মুকলি কৰাত প্ৰথম ভূমিকা লয় - খ্ৰীষ্টিয়ান মিছনেৰীসকলে। মিছনেৰীসকলে ধৰ্ম প্ৰচাৰৰ বাবে আহিলেও ভাষাতত্ত্বৰ ওপৰত গভীৰ জ্ঞান থকা নাথান ব্ৰাউনে অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠাৰ বাবে যুঁজখন আৰম্ভ কৰিব লগীয়া হ'ল। উইলিয়াম ৰবিনচনৰ লগত নাথান ব্ৰাউনৰ ক্ৰমে বাক-বিতণ্ডা আৰম্ভ হ'ল। কিন্তু মিছনৰ উৰ্দ্ধতন মহলৰ লগত মতানৈক্য হোৱাৰ ফলত ব্ৰাউনে যুঁজখন আধাতে এৰি ১৮৫৫ চনত অসমৰ পৰা গুচি যায়। তাৰ পিছৰ সময়ছোৱাত অসমৰ ভাষা আন্দোলনটো চলাই নে যোৱাৰ দায়িত্ব লয় মাইলচ ব্ৰন্সনে। ড° মহেশ্বৰ নেওগ চাৰৰ উল্লেখ অনুসৰি - 'মাইলচ ব্ৰন্সনে অসমীয়া ভাষা পুনৰ প্ৰচলনৰ বাবে কলিকতাত থকা ডাইচবয়লৈ চিঠি প্ৰেৰণ কৰিছিল'। তাৰ সমান্তৰাল ভাৱে আধুনিক অসমৰ পিতৃ স্বৰূপ আনন্দৰাম ঢেকিয়াল ফুকনেও কলিকতালৈ চিঠি পঠিয়াই থাকিল। কিন্তু সেই চিঠিয়ে বুটিছৰ প্ৰশাসনিক বিষয়াসকলৰ বিবেচনা জাগ্ৰত কৰাত বাবে বাবে ব্যৰ্থ হ'ল। ইতিমধ্যে বুটিছে ভাবতত বলবং কৰা শিক্ষা- নীতি অনুসৰি অসমৰ স্কুলত ইংৰাজী শিক্ষাকো অন্তৰ্ভুক্ত কৰা হয়। বিশ্বৰ ইতিহাস সাক্ষী - প্ৰভুত্ব স্থাপন কৰা জাতিটোৰ স্বাভিমান আৰু ৰাজহাড় ভাঙি দিবলৈ যি কোনো বিজয়ী শাসকে প্ৰথমে আঘাত কৰে পৰাভূত জাতিৰ মেৰুদণ্ড স্বৰূপ ভাষাটোৰ ওপৰত। 'The Last Lesson'ত উল্লেখ কৰা ফ্ৰান্সৰ স্কুলত জাৰ্মান ভাষাত পঢ়াবলৈ নিৰ্দেশ দিয়া জাৰ্মান শাসকৰ দৰেই বুটিছ শাসকেও প্ৰায় সমগ্ৰ বিশ্বত তেওঁলোকে শাসন কৰা দেশসমূহত ইংৰাজী ভাষা জাপি দিছিল। তাৰ পৰিপ্ৰেক্ষিতত বুটিছে অধিকাৰ কৰা সকলো দেশেই তাৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ অনেক ভাষা আৰু ভাষিক উপাদান হেৰুৱালে। অসমে হেৰুৱালে নিজৰ মুখৰ ভাষা আৰু শিক্ষা লাভৰ সুচল বাট।

এই বিশাল পৃথিৱীৰ প্ৰতি খণ্ড ভূমিতে থাকে একোটা জাতি। সেই জাতিৰ মুখত থাকে একোটা ভাষা। প্ৰতি খণ্ড ভূমিত থকা সেই ভাষাই হৈছে জাতিটোৰ 'মাতৃভাষা'। মাতৃভাষাৰ জৰিয়তে মানুহে লোক গীত গায়, মনৰ ভাব প্ৰকাশ কৰে সাধুকথা শুনে। পৰবৰ্তী সময়ত মাতৃভাষাত ৰচিত হয় কাব্য, শ্ৰেষ্ঠ সাহিত্য, বুৰঞ্জী ইত্যাদি ইত্যাদি। এই মাতৃভাষাৰ মাধ্যমেই মানুহে শিক্ষাৰ পাতনিও মেলে। অনাৰ্য্য-আৰ্য্য, প্ৰাগজ্যোতিষ, কামৰূপৰ সময়ৰে পৰা এই ভূখণ্ডত গঢ় লৈ উঠিছিল এটা শক্তিশালী ভাষা। যি ভাষা আছিল কামৰূপ তথা প্ৰাগজ্যোতিষৰ মানুহৰ মাতৃভাষা। পূৰ্বৰ চুটিয়া, কছাৰী, বাৰভূঞা আদি জাতিৰ ভাষাৰ লগতে আহোম জাতিৰ ভাষাৰ সমাহৰণে হৈ অসমীয়া ভাষাৰ সৃষ্টি হৈছিল। চৰ্যাপদেৰে আৰম্ভ হোৱা প্ৰাচীন কামৰূপৰ ভাষাই মাধৱ কন্দলীৰ পৰা আৰম্ভ কৰি শংকৰদেৱ, মাধৱদেৱ, ভট্টদেৱ আৰু নানা মনিষীৰ হাতেৰে বাগৰি আহি ভাৰতীয় আঞ্চলিক ভাষাত সমৃদ্ধিশালী ভাষা ৰূপে নিজৰ অস্তিত্ব ঘোষণা কৰিবলৈ সক্ষম হৈছিল। এই শ্ৰীবৃদ্ধি ঘটা অসমীয়া ভাষাৰ চৰম দুৰ্গতি হৈছিল বুটিছৰ শাসন কালত।

এয়াও সত্য যে- মাইলচ ব্ৰন্সন, অলিভাৰ কট্টৰ, নাথান ব্ৰাউন, এ কে গাৰ্নি আদি সেই সময়ত অসমৰ উপস্থিত নোহোৱাহেঁতেন অসমীয়া ভাষা হয়তো পৃথিৱীৰ পৰাই বিলুপ্ত হ'লহেঁতেন। সুখৰ বিষয়, পৰৱৰ্তী কালত অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ সন্তানসকলে বুজিবলৈ সক্ষম হৈছিল যে অসমীয়া ভাষা ইতিমধ্যে বিভিন্ন কাৰকৰ আগ্ৰাসনত নিচিহ্ন হ'বলৈ গৈ আছে। গতিকে তাৰ পৰা অসমীয়া ভাষাটোক উদ্ধাৰ কৰাৰ বাবে পৰম বিক্ৰমেৰে যুঁজিব লাগিব। মিছনেৰীসকলৰ সৈতে সমুহীয়া ভাৱে আন্দৰাম ঢেকিয়াল ফুকন, ওগাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা আদিয়ে অসমীয়া জাতিৰ বিকাশৰ হেঙাৰ আঁতৰাই ভাষিক আত্মপ্ৰতিষ্ঠাৰ বাবে যুঁজখন চলাই নিলে। সেই যুঁজ ১৮৭৩ চনলৈকে চলিল আৰু ভাষাটো পুনৰ অসমীয়াৰ মুখলৈ উভতি আহিল। অসমেও সকলো গ্লানি জাৰি-জোকাৰি শিক্ষাৰ দিশত নতুন উদ্যমেৰে খোজ পেলালে। পৰৱৰ্তী সময়ত অসমৰ বিদ্যায়তনিক দিশটো সুদৃঢ় হ'ল যদিয়ো উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত মাধ্যমে ছাত্ৰ-ছাত্ৰীক বিপাঙত পেলালে।



ড° আৰ কে বেজবৰুৱা

১৯৫২ চনত অসমৰ শিক্ষণ প্ৰক্ৰিয়া অসমীয়াত হ'ব লাগে বুলি আৰু অসমীয়া ভাষাই চৰকাৰী ভাষা হিচাপে স্বীকৃতি পাব লাগে বুলি পুনৰ দাবী উত্থাপন হ'ল। সময় আগবাঢ়িছিল। স্বাধীন ভাৰতত 'ৰাজ্য পুনৰ গঠন আইন, ১৯৫৬' বলৱৎ হৈছিল। তাৰ ভিত্তি আছিল- প্ৰদেশবোৰৰ ভাষিক বৈশিষ্ট্য। অসমৰ মাতৃভাষা অসমীয়া হোৱা সত্ত্বেও পুনৰ অসমীয়া ভাষাক অসমৰ চৰকাৰী ভাষা হিচাপে স্বীকৃতি দিবলৈ দাবী উত্থাপন কৰিব লগীয়া হৈছিল, আন্দোলন কৰিব লগীয়া হৈছিল। অসমীয়া ল'ৰাই ৰাজপথ তেজেৰে ধুৱ লগীয়া হৈছিল। অসমৰ বৃহৎ অনুষ্ঠান - 'অসম সাহিত্য সভা'ৰ মজিয়াৰ পৰাও দাবী উত্থাপিত হৈছিল। ১৯৬০ চনত অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই- "অচিৰেই অসমীয়া ভাষাক ৰাজ্য ভাষা কৰা হ'ব!" বুলি ঘোষণা কৰাৰ লগে লগে পাহাৰ-তৈয়ামৰ মৈত্ৰীত জোকাৰণি উঠিছিল। ভাৰতৰ সংবিধানে স্বীকৃতি দিয়া প্ৰতিটো ভাষাবেই একোখন গৃহ ভূমি থাকে। সেই গৃহ ভূমি হৈছে তাৰ মাতৃভাষাৰ নিজৰ ঘৰ। কিন্তু দুৰ্ভাগ্য এয়াই যে অসমীয়া ভাষাক চৰকাৰী ভাষাৰ মৰ্যাদা প্ৰদানৰ বাবেও আন্দোলন কৰিব লগীয়া হৈছিল। অৱশেষত, ১৯৬৪ চনৰ ৩১ জুলাইৰ পৰা "অসম চৰকাৰী ভাষা আইন - ১৯৬৪" - বলৱৎ কৰা হৈছে। অসমীয়া ভাষাৰ প্ৰতি এটা এটা ভাবুকি আহিয়েই আছে। কিছুদিন আগত এটা চৰকাৰৰ পৰা নিৰ্দ্দেশ আহিছিল- "There is no national language in India. However, article 343(1) of the Indian constitution specifically mentions that, The official language of the Union shall be Hindi in Devanagari script."

আমাৰ সকলোৱে অসমীয়া ভাষা লুপ্ত হ'ব বুলি আশংকা আছেই। এ. পি. এছ. চি. পৰীক্ষাত অসমীয়া ভাষা কৰ্তন কৰাৰ কথাইয়ো ইতিমধ্যে জোকাৰণি তুলি থৈছে। আনহাতে, দশম শ্ৰেণীলৈ হিন্দী ভাষাটো বাধ্যতামূলক কৰাৰ বাবেও সকলো অসমীয়া সন্তুষ্ট হ'ব পৰা নাই। অকল অসমীয়াই নহয়, উত্তৰ-পূৰ্বাঞ্চলৰ লোকসকলো উদ্বিগ্ন। পঞ্চাশৰ দশকৰ আশে-পাশে নেফা নামেৰে জনাজাত, বৰ্তমানৰ অৰুণাচল প্ৰদেশত অসমীয়া ভাষাত শিক্ষাৰ জ্যোতি বিলোৱা হৈছিল প্ৰয়াত ইন্দিৰা মিৰিৰ তত্ত্বাৱধানত। কিন্তু পিছলৈ ইংৰাজী আৰু হিন্দী ভাষাৰ অগ্ৰাগ্ৰিয়ে তাত অসমীয়া ভাষাৰ কণকঠীয়া মাৰি পেলালে। আনকি, ইংৰাজী আৰু হিন্দীয়ে অৰুণাচলৰ বিভিন্ন জনগোষ্ঠীৰ মুখৰ নিজস্ব ভাষা সমূহো কাঢ়ি ল'লে। এয়া দেখ দেখ উদাহৰণ।

কোনো এখন ভূমিৰ মাতৃভাষাক এলাগী কৰি তাত অন্য এটা ভাষা বাধ্যতামূলকভাৱে জাপি দিয়াটো আত্মঘাতী চিন্তা হয় নে নহয় -সেয়া জ্ঞানী-গুণী ব্যক্তি আৰু আইন প্ৰণয়ন কৰা চৰকাৰখনে গভীৰ ভাবে বিশ্লেষণ কৰি চোৱাত হয়তো অসুবিধা নহয়। কোনো এটা জাতিৰ ওপৰত অন্য এটা ভাষা আৰে জাপি দিয়া কাৰ্যবে দ্বাৰা জাতিটো কিমান উপকৃত হ'ব সেই কথাটোহে গুৰুত্বপূৰ্ণ। ভৱিষ্যতে সেই গৃহ ভূমিত মাতৃভাষাৰ ভৱিষ্যত সুবক্ষিত হ'বনে নহয়, সেয়া মূল প্ৰশ্ন। বৰ্তমান বিশ্ববিদ্যালয়ৰ শ্ৰেণীকোঠাত গৱেষণা গ্ৰন্থও অসমীয়া ভাষাত প্ৰস্তুত হ'ব লাগে বুলি দাবী উত্থাপন হৈছে আৰু তাক কাৰ্য্যকৰী কৰাও হৈছে। তেনে ক্ষেত্ৰত হিন্দী বা ইংৰাজী ভাষা বাধ্যতামূলক কৰা কামটো জাতিটোৰ বাবে মোক্ষম আঘাত হ'ব নেকি? কথাটো সকলো পক্ষই ভাবি চোৱা উচিত। চৰকাৰে ভাবিব লাগিব- কেনেকৈ মাতৃভাষাটো সংৰক্ষণ কৰিব পৰা যায়। ব্যৱস্থা কৰা দৰকাৰ, ভাষাটোক বাধাহীন গতি দি বিশ্বৰ বিভিন্ন দেশত উৰিবলৈ দিব পাৰি। আজি অসমীয়া কবিতাই জ্ঞানপীঠ আজুৰি আনিছে, কাইলৈ হয়তো অসমীয়া ভাষাৰ সাহিত্যই নোবেল বঁটাৰ বাবে হাত মেলিব। ইংৰাজী জানিলেহে সকলো হ'ব বুলি ক'ব পাৰিব নে? এসময়ত প্ৰয়াত প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে ৰাষ্ট্ৰসংঘৰ মজিয়ালৈ ভাৰতীয় ভাষা লৈ যোৱাটো যদি গৌৰৱৰ কাৰণ, তেন্তে আমি অনুধাৰন কৰিব লাগিব- অসমীয়া ভাষাত শিক্ষা আহৰণ কৰি তাক প্ৰাচীনতম ভাষা হিচাপে ভাৱতত প্ৰদৰ্শন কৰাটো গৌৰৱৰ বিষয় হয় নে নহয়।

অতি সম্প্ৰতি অসমৰ ৰাজ্য চৰকাৰৰ শিক্ষা ব্যৱস্থাত কিছুমান নতুন সিদ্ধান্ত লোৱাৰ কথাত প্ৰসংগটো পুনৰ চৰ্চলৈ আহিছে। শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তনৰ কথাক লৈ বহুতো চৰ্চা হৈয়েই আছে। প্ৰায় সকলোৱে এক মুখে স্বীকাৰ কৰে যে আমাৰ শিক্ষা ব্যৱস্থাত বহু আশোঁৱাহ আছে। শিক্ষাক লৈ বিভিন্ন আয়োগে বিভিন্ন পৰামৰ্শ আগবঢ়াইছে। তাৰে বহু পৰামৰ্শ ৰূপায়ণ কৰা হৈছে। বহুতো এলাগী বুলি পেলাই থৈছে। সদ্যহতে শুনা মতে, প্ৰতিখন জিলাৰ ৫ৰ পৰা ১০খন নিৰ্বাচিত বিদ্যালয়ত ইংৰাজী মাধ্যমত শিক্ষা দান আৰম্ভ হ'ব। অনতি পলমে ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ ইংৰাজী মাধ্যমত ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰিব লাগিব। বৰ্তমান অভিভাৱক সকল যথেষ্ট সচেতন। এই সময়ত বেছিভাগ ল'ৰা-ছোৱালীয়ে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত ইংৰাজী মাধ্যমত শিক্ষা লাভ কৰি আছে আৰু ভৱিষ্যতেও তাৰ সংখ্যাযে নকমে সেয়া নিশ্চিত। অন্য এটা গুৰুত্বপূৰ্ণ কথা - বিদ্যালয়ত সমাজ অধ্যয়ন বিষয়টো নাইকিয়া কৰি ভূগোল আৰু বুৰঞ্জী বিষয় দুটা বাধ্যতামূলক অধ্যয়নৰ বাবে গ্ৰহণ কৰা হ'ব। এয়া এক যোগাত্মক দিশ বুলি বহুতে শলাগিছে। কিন্তু খোকোজা লগোৱা কথাটো হৈছে বিজ্ঞান আৰু গণিত বিষয় দুটা (তৃতীয় শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ) ইংৰাজী মাধ্যমত গ্ৰহণ কৰিব লাগিব বুলি লোৱা সিদ্ধান্ত। চন্দ্ৰ শেখৰ ভেঙ্কটৰমণে কৈছিল, "আমি বিজ্ঞান মাতৃভাষাৰ মাধ্যমত পঢ়ুৱাব লাগে। নহ'লে বিজ্ঞান বিষয়টো কিছু মুষ্টিমেয় মানুহৰ কচৰৎ হে হৈ থাকিব। য'ত সাধাৰণ মানুহে ভাগ ল'ব নোৱাৰিব।"

অকল তেৰেঁই নহয়, অন্যান্য বহু ব্যক্তিয়ে কৈ গৈছে- শিক্ষাৰ মাধ্যম হ'ব লাগে মাতৃভাষা। অসম চৰকাৰৰ শিক্ষা বিভাগে যি বুৰঞ্জীৰ পাঠ গ্ৰহণৰ কথা উল্লেখ কৰিছে, সেই বুৰঞ্জীয়ে আমাক ক'ব কেনেকৈ অসমত শিক্ষাৰ মাধ্যম অসমীয়া কৰা হৈছিল আৰু তাৰ বাবে অসমত কিমান ৰক্তপাত হৈছিল।

আমাৰ এক বুজন সংখ্যক ল'ৰা-ছোৱালীয়ে ইংৰাজী, বিজ্ঞান আৰু গণিত বিষয়ত বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব নোৱাৰে। বেছিভাগে ল'ৰা-ছোৱালীয়ে ইংৰাজী, গণিত আৰু বিজ্ঞান বিষয় কেইটাক ভয় কৰে। তাতে যদি আকৌ গণিত-বিজ্ঞান পঢ়িব লগীয়া হয়, ইংৰাজীত, তাৰ ফলত শিক্ষা আহৰণত বিঘ্নতি ঘটিব নে উন্নতি হ'ব তাকো বিচাৰ কৰা প্ৰয়োজন। সিদ্ধান্তসমূহ গ্ৰহণ কৰাৰ পূৰ্বে চৰকাৰে বিভিন্ন দিশ পৰ্য্যালোচনা কৰি লোৱা ভাল। অসমৰ সকলো পাৰদৰ্শিতাৰ ল'ৰা-ছোৱালীয়ে ইংৰাজী, বিজ্ঞান আৰু গণিতত দেখুওৱা পাৰদৰ্শিতাৰ পৰিসংখ্যা লোৱা হওক। তাৰ ওপৰত ভিত্তি কৰিএই বিষয়সমূহত ছাত্ৰ-ছাত্ৰীৰ দখল সহজ সাধ্য বা অনুকূল কৰাৰ বাবে বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণ কৰা হওক। বিশেষজ্ঞৰ পৰামৰ্শ অনুসৰি সিদ্ধান্ত ল'লে সকলোৱে বাবে শুভ হ'ব। আজি যিসকল ছাত্ৰ-ছাত্ৰী ইংৰাজী মাধ্যমত পঢ়ি সফল হৈছে, তেওঁলোকৰো পাৰদৰ্শিতাৰ ওপৰত কিছু গৱেষণা হোৱা দৰকাৰ। তাৰ পৰা আমি বুজি পাম - কি কৰিলে উন্নত ফলাফল পোৱা যাব। ব্যক্তিগত খণ্ডৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ান বাধ্যতামূলক কৰাৰ বাবে যি ব্যৱস্থা লৈছে, সেয়া আদৰণীয়। তাৰ পৰা শিক্ষা ব্যৱস্থাটো সৰল হ'ব বুলি ভবাৰ থল আছে। চৰকাৰৰ আন এটা ভাল খবৰে কিন্তু কিছু লোকক চিন্তাত পেলাইছে। ভাৰতৰ কিছুমান প্ৰদেশৰ বিদ্যালয়ত পুৱাৰ আহাৰ দিয়াৰ ব্যৱস্থা আছে বুলি জনা যায়। তাকে অনুকৰণ কৰি অসমৰ স্কুলতো পুৱাৰ আহাৰ দিয়াৰ চিন্তা-চৰ্চাই সকলোকে সন্তুষ্ট কৰিব পৰা নাই। বৰ্তমান Midday meal - য়ে কিছুমান শিক্ষকক সন্তুষ্টি দিছে যদিয়ো বহু শিক্ষকক জ্বলা-কলা কৰিছে। মাজে মাজে বিভিন্ন বিশৃংখলাবোৰ সৃষ্টি হৈছে। কিতাপ এৰি শিক্ষকে হেতা আৰু পাচবুক লৈ দৌৰিব লগীয়া হৈছে। "পঢ়ুৱায় পঢ়ে ৰুৱে পাণ..." বাক্য শাৰী অৰ্থহীন হৈছে। দেশখনৰ বহু আঁচনিয়ে অসমীয়া মানুহৰ হাতৰ পৰা কামবোৰ ইতিমধ্যেই কাঢ়ি লৈছে। কৰ্ম্মৰ প্ৰতি স্পৃহা হ্ৰাস কৰিছে। বিনামূলীয়া বিতৰণ ব্যৱস্থা আৰু হিতাধিকাৰীৰ সৃষ্টিয়ে কাম কৰিব নোখোজা মানুহৰ খোজা দিনে দিনে বৃদ্ধি কৰিছে। এসময়ত বিশ্যাত হৈ পৰা মাইক্ৰ'ফাইনেন্সৰ কথা আমিও পাহৰিলোঁ, চৰকাৰেও পাহৰিলে।

ল'ৰা-ছোৱালী স্কুললৈ যোৱাৰ সময়ত সন্তানক ভাত খুওৱা, টিফিন যোগাৰ কৰি দিয়া আদিত অভিভাৱকে যথেষ্ট দৌৰা দৌৰি কৰিব লগীয়া হয়। এক প্ৰকাৰ ৰাতিপুৱাৰে সেই সময়খিনি আমাৰ বাবে যথেষ্ট কষ্টপূৰ্ণ। সেই চিন্তা চৰকাৰে গ্ৰহণ কৰি এক প্ৰকাৰ মাক-দেউতাকক অফুৰন্ত সময় দান কৰিব। তাৰ ফলত চাকৰিয়াল অভিভাৱকৰ যথেষ্ট সময় বাহি হ'ব। কিন্তু তাৰ বিপৰীতে একাংশ অভিভাৱকৰ সন্তানৰ প্ৰত

যুৱ শক্তিক বিজেপিৰ সপক্ষে একত্ৰিত হ'বলৈ আহ্বান

ঢেকীয়াজুলিৰ ভোটপাৰা ষ্টেডিয়ামত প্ৰেমা খাণ্ডুৰ বিশাল নিৰ্বাচনী প্ৰচাৰ সভা

অশোক সিংহলৰ সমৰ্থনত তীব্ৰ প্ৰচাৰ, কংগ্ৰেছক লক্ষ্য কৰি মুখ্যমন্ত্ৰীৰ কঠোৰ সমালোচনা

অসম বাৰ্তা, ঢেকীয়াজুলি, ৪ এপ্ৰিল ঃ শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি ৰাজহচত্ৰ এলেকাৰ ভোটপাৰা ষ্টেডিয়ামত আজি এক উৎসাহময় পৰিবেশৰ মাজতে অনুষ্ঠিত হ'ল ভাৰতীয় জনতা পাৰ্টিৰ এক গুৰুত্বপূৰ্ণ নিৰ্বাচনী প্ৰচাৰ সভা। এই সভাত উপস্থিত থাকি অঞ্চলীচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু-ৰে যুৱ সমাজক উদ্দেশ্যি জোৰদাৰ ভাষণ প্ৰদান কৰে। উল্লেখ্য যে ছপ্ত নং ঢেকীয়াজুলি বিধানসভা সমষ্টিৰ বিজেপিৰ প্ৰক্ষেপিত প্ৰাৰ্থী অশোক সিংহলৰ সমৰ্থনত এই নিৰ্বাচনী প্ৰচাৰ সভা আয়োজন কৰা হৈছিল। ভাৰতীয় জনতা যুৱ মৰ্চাৰ ঢেকীয়াজুলি মণ্ডলৰ উদ্যোগত অনুষ্ঠিত এই "যুৱ সম্পৰ্ক সভা"ত বহুসংখ্যক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰি ৰাজনৈতিক উৎসাহ প্ৰকাশ কৰে। সভাত ভাষণ প্ৰদান কৰি পেমা খাণ্ডুৱে কংগ্ৰেছ দলক তীব্ৰ ভাষাৰে সমালোচনা কৰে আৰু কয় যে পূৰ্বতে কংগ্ৰেছে শাসনত দেশ আৰু ৰাজ্যত উন্নয়নৰ গতি অতিকৈ পয়ালগা আছিল। তাৰ বিপৰীতে বৰ্তমানৰ বিজেপি চৰকাৰে উন্নয়ন আৰু স্থিৰতাৰ পথত দেশক আগুৱাই লৈ গৈছেবুলি তেওঁ দাবী কৰে। তেওঁ লগতে যুৱ প্ৰজন্মক উদ্দেশ্যি কয় যে সুৰক্ষিত আৰু উন্নত অসম গঢ়াৰ স্বাৰ্থত বিজেপিৰ প্ৰাৰ্থী অশোক সিংহলক বহুমূলীয়া ভোট প্ৰদান কৰাটো অতি জৰুৰী। যুৱ সমাজে এইবাৰ উন্নয়নমুখী ৰাজনীতিক সপক্ষে আগবাঢ়ি আহিল লাগিব বুলি তেওঁ আহ্বান জনায়। এই সভাত উপস্থিত আছিল ভাৰতীয় জনতা যুৱ মৰ্চাৰ ৰাজ্যিক সভাপতি বাকেশ দাস আৰু তেজপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্ত। তেওঁলোকেও ভাষণ প্ৰদান কৰি যুৱ সমাজক বিজেপিৰ সপক্ষে ভোট প্ৰদান কৰিবলৈ আহ্বান জনায় আৰু দলৰ উন্নয়নমূলক কাম-কাজৰ বিষয়ে আলোক পাত কৰে। সামগ্ৰিকভাৱে এই নিৰ্বাচনী প্ৰচাৰ সভাই ঢেকীয়াজুলি সমষ্টিত বিজেপিৰ প্ৰচাৰ অভিযানত নতুন গতি প্ৰদান কৰাৰ লগতে যুৱ সমাজৰ মাজত ব্যাপক সঁহাৰি লাভ কৰা দেখা যায়।

এইবাৰ বিজেপি চৰকাৰ আহিলে পূৰ্বৰ সুলভ মূল্যৰ সামগ্ৰীৰ লগতে মিঠাতেলো লাভ কৰিব বিনামূলীকৈ ঃ জয়ন্ত মল্ল বৰুৱা

নলবাৰী ক্ষুদ্ৰ চেনিকুছি-পাইকাৰকুছিত জয়ন্ত মল্ল বৰুৱাৰ শক্তি প্ৰদৰ্শন

পাঁচ সহস্ৰাধিক ওপৰত ৰাইজৰ উপস্থিতিত জয়ন্ত মল্ল বৰুৱাৰ নিৰ্বাচনী ৰণডংকা

অসম বাৰ্তা, নলবাৰী, ৪ এপ্ৰিল ঃ নলবাৰী জিলাৰ ক্ষুদ্ৰচেনিকুছি-পাইকাৰকুছি, ঘগ্ৰাপাৰ মণ্ডলত ৩৯ নং বিধানসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ মনোনীত প্ৰাৰ্থী জয়ন্ত মল্ল বৰুৱাই নিৰ্বাচনী প্ৰচাৰ সভা এখন অনুষ্ঠিত কৰা হয়। প্ৰায় পাচ সহস্ৰাধিক ৰাইজৰ উপস্থিতিত অনুষ্ঠিত কৰা হয় সভাখন। কেইবা সহাস্ৰাধিক ৰাইজৰ উপস্থিতিত জয়ন্ত মল্ল বৰুৱাই নিৰ্বাচনী ৰণাডংকা বজাই। নিৰ্বাচনী প্ৰচাৰ সভাত জয়ন্তমল্ল বৰুৱাই কংগ্ৰেছৰ সময়ৰ কলা অধ্যায় সম্পৰ্কত বক্তব্য ৰাখে লগতে বিজেপি তথা এনডিএ চৰকাৰৰ দিনত কেনেকৈ অসমখন বিকাশিত আৰু সুৰক্ষিত অসমলৈ ৰূপান্তৰিত হৈছে সেই বিষয়ে জনাই আৰু এইবেলি বিকাশৰ বাবে পুনৰবাৰ বিজেপি তথা এন ডি এ ক জয়যুক্ত কৰাবলৈ আহ্বান জনায়। আজিৰ সভাখনত উপস্থিত থাকে জিলা বিজেপি সভাপতি জয়ন্ত বুজৰবৰুৱা, ঘগ্ৰাপাৰ জিলা পৰিষদৰ সদস্য ডিম্বেশ্বৰ বেজবৰুৱা, ঘগ্ৰাপাৰ মণ্ডলৰ সভাপতি মনোজ ডেকাৰ লগতে বিজেপি নেতা-কৰ্মী আৰু সাধাৰণ ৰাইজ।

■ টেলিফোন যোগে উপস্থিত জনতাক সম্বোধন শ্বাহৰ ■

গোলকগঞ্জত কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহৰ বিজয় সংকল্প সমাৰোহৰ নিৰ্বাচনী প্ৰচাৰ কাৰ্য্যসূচী বাতিল

অসম বাৰ্তা, গোলকগঞ্জ, ৪ এপ্ৰিল ঃ গোলকগঞ্জৰ ১৭ নং ৰাষ্ট্ৰীয় ঘইপথ স্থিত বীৰ চিলাৰায় দলঙৰ সমীপবৰ্তী পেন্টাৰঘাট চিলাৰায় মেলা ময়দানত আজি গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিত থকাৰ বাতৰিত প্ৰায়ে ৫০ সহস্ৰাধিক বিজেপি কৰ্মী সমৰ্থক পুৱাৰে পৰা উক্ত ময়দানত হিলদল ভাঙি উছাহৰ সৈতে উপস্থিত হয় যদিও হেলিকপ্টাৰৰ যান্ত্ৰিক বিজুতিৰ বাবে মন্ত্ৰী গৰাকীৰ গোলকগঞ্জ কাৰ্যসূচী বাতিল হয়। মন্ত্ৰী গৰাকীৰ ভ্ৰমণ সূচী বাতিলৰ ঘোষনাৰ লগে লগে উপস্থিত বিজেপি সমৰ্থক মহিলা কৰ্মী সকলৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। তেখেত সকলৰ মতে টেপচেপিৰ মুখ্যমন্ত্ৰী, হালাকুৰাৰ জয়ন্ত মল্ল বৰুৱাৰ কাৰ্যসূচী বাতিলৰ পিছত আজি প্ৰচণ্ড গৰমৰ মাজত উপস্থিত হৈ গৃহমন্ত্ৰীৰ কাৰ্য্যক্ৰম বাতিল হোৱাটো গতানুগতিক ঘটনা হ'ব নোৱাৰে। অশেষ কষ্ট কৰি জনসমদ্ৰ সদৃশ ভীৰত প্ৰত্যাশিত ভালপোৱা নেতাক দৰ্শনৰ পৰা বিৰত হ'বলগীয়া হোৱাত মহিলা সকলৰ মাজত বিৰূপ প্ৰতিক্ৰিয়া প্ৰকাশ হোৱাটো স্বাভাৱিক। ইফালে উক্ত বিশাল বিজয় সংকল্প সভাত গৃহমন্ত্ৰী অমিত শ্বাহে টেলিফোন যোগে উপস্থিত জনতাক সম্বোধন কৰে। তেখেতে অসমৰ বৃন্দাবনী বস্ত্ৰৰ ঘুৰাই অনাৰ ক্ষেত্ৰত বিজেপি সৰকাৰৰ তৎপৰতা, প্ৰধানমন্ত্ৰী মোডি জীয়ে আৰু মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ কলা সংস্কৃতিক, শৈক্ষিক সামাজিক দিশত অসমক বিশ্ব দৰবাৰত অসমক প্ৰতিষ্ঠা কৰাক লৈ নিজা তৎপৰতা অব্যাহত ৰাখিছে বুলি উনুকিয়াই বিভিন্ন সমস্যা সমাধান, উন্নয়নৰ অৰ্থে বিজেপি প্ৰাৰ্থীক ভোট দি জয় যুক্ত কৰিবলৈ টেলিফোনিক বাৰ্তাটোত আহ্বান জনায়। ইফালে গৃহমন্ত্ৰীৰ ভ্ৰমণ বাতিলৰ ঘোষনাৰ লগে লগে সভা ভংগ হোৱা সম্পৰ্কত অশ্বিনী ৰায় সৰকাৰে কয় গোলকগঞ্জ ৰ ৰাইজক এতিয়াই মই আহিব ক'লে পুনৰ বিশ্বাসৰে আস্তাৰে সভালৈ উভতি আহিব বুলি মত প্ৰকাশ কৰে।

অসম আন্দোলনৰ অগ্ৰণী নেতা নিবাৰণ নাথ গুৰুতৰভাৱে অসুস্থ

অসম বাৰ্তা, হাউলী, ৪ এপ্ৰিল ঃ অসম আন্দোলনৰ অগ্ৰণী নেতা, হাউলী গণ সংগ্ৰাম পৰিষদৰ প্ৰতিষ্ঠাপক সম্পাদক নিবাৰণ নাথ গুৰুতৰভাৱে অসুস্থ হৈ ৰবপেটা চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে। অৱসৰ প্ৰাপ্ত বন বিষয়া নিবাৰণ নাথ ১৯৭৭ চনৰ পৰাই হাউলী অঞ্চলৰ বিভিন্ন সামাজিক, সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত থকাৰ লগতে অসম আন্দোলনৰ সময়ত হাউলীৰ সংগ্ৰামী ৰাইজক বলিষ্ঠ ৰূপত সংগঠিত কৰা নিবাৰণ নাথ এগৰাকী জাতীয় জীৱনৰ অক্লান্ত যোদ্ধা। হাউলী আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি যুগান্ত বায়ন, অসম আন্দোলনৰ বলিষ্ঠ চিন্তা নায়ক হেমেন দাস, সংগ্ৰামী সতীৰ্থ সম্মিলন হাউলীৰ সভাপতি তৰুণ চন্দ্ৰ নাথ আৰু সম্পাদক ধৰণীধৰ দাসে নিবাৰণ নাথৰ আশু-আৰোগ্য কামনা কৰিছে।

নিৰ্বাচনী প্ৰচাৰ কেন্দ্ৰ ভাঙি-চিঙি লণ্ডভণ্ড

চামগুৰি আৰু কলিয়াবৰত নিৰ্বাচনী হিংসা

অসম বাৰ্তা, ৰূপহীহাট, ৪ এপ্ৰিল ঃ চামগুৰি সমষ্টিৰ কাঠপাৰাত পুনৰ নিৰ্বাচনী হিংসাৰ ঘটনা সংঘটিত হোৱাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। য়োবানিশা আন্ধাৰৰ সুযোগ লৈ কোনো দুৰ্বৃত্ত দল এটাই ভাঙি-লণ্ড ভণ্ড কৰিলে বিজেপিৰ নিৰ্বাচনী কাৰ্যালয়। বিজেপি প্ৰাৰ্থী অনিল শইকীয়াৰ নিৰ্বাচনী কাৰ্যালয়ত দুৰ্বৃত্তই ভাঙি-চিঙি পেলালে কোনো পোষ্টাৰ। সমগ্ৰ ঘটনাটোৰ লগত কংগ্ৰেছী জড়িত থকাৰ অভিযোগ বিজেপি কৰ্মীৰ। ঘটনাস্থলীত আমবাগান আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। আনপিনে কলিয়াবৰ সমষ্টিৰ দক্ষিণ বেলগুৰিত য়োবানিশা সংঘটিত হয় নিৰ্বাচনী হিংসা। কোনো দুৰ্বৃত্ত দল এটাই ভাঙি-ছিঙি লণ্ড ভণ্ড কৰিলে নিৰ্দলীয় প্ৰাৰ্থী জিতেন গৌড়ৰৰ নিৰ্বাচনী কাৰ্যালয়। নিৰ্দলীয় প্ৰাৰ্থী জিতেন গৌড়ৰ নিৰ্বাচনী কাৰ্যালয়ত দুৰ্বৃত্তই চিঙি পেলালে বেনাৰ পোষ্টাৰ। নিশা ২ বজাত দুৰ্বৃত্তই অস্থায়ী নিৰ্বাচনী কাৰ্যালয়টো ভাঙি লণ্ডভণ্ড কৰি থৈ যায়। এই সমগ্ৰ ঘটনাটোৰ লগত অগপ কৰ্মী জড়িত থকাৰ অভিযোগ নিৰ্দলীয় কৰ্মীৰ। অগপ দলে পৰাজয়ৰ ভয়ত শংকাত ভুগি এনেধৰণৰ নিকৃষ্ট কাৰ্য্য সংঘটিত কৰাৰ অভিযোগ নিৰ্দলীয় কৰ্মীৰ।

সমাগত নিৰ্বাচন; প্ৰবল প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে নেকি ডিগবৈৰ বিজেপি প্ৰাৰ্থী সুৰেন ফুকন?

ঝাৰখণ্ড মুক্তি মৰ্চাৰ ষ্টাৰ কেম্পেইনাৰৰ নিৰ্বাচনী প্ৰচাৰ ❑ প্ৰাৰ্থী ভৰত নায়ক সম্পদ নে বিপদ?

অসম বাৰ্তা বিশেষ, পেঙেৰী, ৪ এপ্ৰিল ঃ ৮৪ নং ডিগবৈ বিধান সভা সমষ্টিৰ প্ৰাৰ্থীসকলৰ মাজত অব্যাহত থকা নিৰ্বাচনী তৎপৰতাই বিশেষ আকৰ্ষণৰ সৃষ্টি কৰিছে। নাচি-বাগি সমষ্টিটোৰ চুকে-কোণে ধাৰাবাহিক নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে যদিও বিজেপি প্ৰাৰ্থী সুৰেন ফুকন ভিতৰি শংকিত হোৱা বুলিও জানিব পৰা গৈছে। থাওকতে তেওঁৰ বিপক্ষে শক্তিশালী প্ৰতিদ্বন্দ্বী নাই যেন লাগিলেও সমষ্টিটোত অব্যাহত 'আগুৱান কাৰেণ্ট'-এ মোক্ষম আঘাত হনাৰ সম্ভাৱনাক নুই কৰিব নোৱাৰি। কাৰণ নিজৰ মানুহ বুলি ভবা ঝাৰখণ্ড মুক্তি মৰ্চাৰ প্ৰাৰ্থী ভৰত নায়কৰ সতে ভিতৰি কি কি শক্তিয়ে কাম কৰিছে সেয়া নেপথ্য কথা। বিৰোধী মিত্ৰ জোঁটৰৈহে ৰাইজৰ দলৰ প্ৰাৰ্থী দুলাল মৰাণেও তেওঁৰ জোখাৰে নিৰ্বাচনী প্ৰচাৰ তুঙ্গত তুলিছে। নিৰ্দলীয় প্ৰাৰ্থী লক্ষেশ্বৰ মৰাণৰ পৰা জানিব পৰা মতে বিভিন্ন শক্তিয়ে সহযোগিতা আগবঢ়াই তেওঁক জয়ী কৰাৰ পণ বান্ধি লৈছে। শেহতীয়াকৈ ঝাৰখণ্ড মুক্তিমৰ্চাৰ প্ৰাৰ্থী ভৰত নায়কৰ উত্থানে বিশেষকৈ বিজেপি প্ৰাৰ্থীগৰাকীক চিন্তাৰ উদ্ৰেক ঘটাইছে। ইতিপূৰ্বে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত সুৰেনে তিনিচুকীয়া জিলাত নিৰ্বাচনী প্ৰচাৰ চলাই যোৱাৰ পাছত আজি হেলিকপ্টাৰ যোগে আহি ডিগবৈৰ বিভিন্ন বাগিচা এলেকাত দলৰ ষ্টাৰ কেম্পেইনাৰ হিচাপে মুখ্যমন্ত্ৰী সুৰেনৰ পত্নী কল্পনা সুৰেনে প্ৰচাৰ সভাত অংশগ্ৰহণ কৰাৰ কথা আছিল যদিও প্ৰতিকূল বতৰৰ বাবে সভা স্থগিত ৰাখিব লগা হ'ল। ঝাৰখণ্ড মুক্তিমৰ্চাৰ প্ৰাৰ্থীসকলৰ হৈ অসমত ষ্টাৰ কেম্পেইনাৰসকলে এনেদৰে জঁপিয়াই পৰিব বুলি কোনোৱে ভবা নাছিল। মুক্তি মৰ্চাৰ প্ৰাৰ্থী ভৰত নায়কে চাহ জনগোষ্ঠীয় আৰু আদিবাসী ভোট (প্ৰায় ৪৫ হাজাৰ)ক মূলধন হিচাপে লৈ আগবঢ়াৰ পাছত বিজেপি তথা অন্যান্য প্ৰাৰ্থীসকলৰ ভাগত চাহ জনগোষ্ঠীয় আৰু আদিবাসী ভোট কিমান পৰে সেয়া কৈ দিয়াটো দুৰূহ বিষয়। হিন্দীভাষী (১০ হাজাৰ+), গোৰ্খালী (১০ হাজাৰ +) আৰু বাংলাভাষী (১৫ হাজাৰ+) ভোটৰ ৯০ শতাংশই বিজেপিৰ হাতলৈ যোৱাৰ সম্ভাৱনা অধিক যদিও চাহ বাগিচাৰ হিন্দু আৰু খৃষ্টধৰ্মী (৪৪ হাজাৰ+) ভোটাৰৰ বৃহৎ সংখ্যক ভোট ঝাৰখণ্ড মুক্তিমৰ্চাৰ হাতলৈ যোৱা সম্ভাৱনাকো নুই কৰিব নোৱাৰি। প্ৰায় ৬০ হাজাৰ অসমীয়া ভোট ক্ৰমে সুৰেন ফুকন, দুলাল মৰাণ আৰু লক্ষেশ্বৰ মৰাণৰ মাজত বিভক্ত হোৱাৰ সম্ভাৱনালৈকে পিছৰ দুজনে পাৰ কেতবোৰ প'কেট ভোট। তাৰ মাজতো ভিতৰি চলা 'আগুৱান কাৰেণ্ট'-এ কাক কেনেকৈ সহায় কৰে সেয়া সময়ৰ কথা। উল্লেখ্য যে উজনি তিনিচুকীয়া জিলাৰছটা বিধানসভা সমষ্টিৰ ভিতৰত অন্যতম গুৰুত্বপূৰ্ণ সমষ্টি হৈছে ৮৪ নং ডিগবৈ বিধানসভা সমষ্টি। ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত ডিগবৈ বিধানসভা সমষ্টিটো ১৯৫১ চনত প্ৰতিষ্ঠা লাভ কৰিছিল। ১৮৮৯ চনতে তেল আৱিষ্কাৰ হোৱা ডিগবৈত ১৯০১ বৰ্ষত প্ৰতিষ্ঠা হোৱা এছিয়াৰ প্ৰাচীনতম শোধনাগাৰটোৰ বাবেও ডিগবৈৰ ঐতিহাসিক গুৰুত্ব আছে। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত ৮৪ নং ডিগবৈ বিধানসভা সমষ্টিত ১, ৪৬, ৯১৭ গৰাকী ভোটাৰ থকাৰ বিপৰীতে ১৮৯টা ভোটকেন্দ্ৰ আছে। এই সংখ্যক ভোটাৰৰ ভিতৰত আছে ৭১, ৫৩৬ পুৰুষ, ৭৫, ৩৭৭ মহিলা আৰু ৪ গৰাকী তৃতীয় লিংগৰ ভোটাৰ। ১৩ খনকৈ গাঁও পঞ্চায়ত, তিনিটাকৈ মণ্ডল আৰু ১খন পৌৰসভাৰে গঠিত ডিগবৈ বিধানসভা সমষ্টিটোত প্ৰায় ১৪খন সৰু-বৰ চাহ বাগিচা আছে ডিগবৈ বিধানসভা সমষ্টিত। সমষ্টিটো ১৯৫১ চনৰ পৰা ২০১৬ চনলৈকে কংগ্ৰেছ দলৰ দখলতে আছিল। ১৯৫১ চনত যাদৱ চন্দ্ৰ খাকলাৰী আৰু দলবীৰ সিং লোহাৰ, ১৯৫৭ আৰু ১৯৬২ চনত ছিজেশ চন্দ্ৰ দেৱ শৰ্মা, ১৯৬৭ চনত জে এন ভূঞা, ১৯৭২ চনত চন্দ্ৰ বাহাদুৰ চেত্ৰী আৰু ১৯৭৮ ৰ পৰা ২০১১ চনলৈ ৮ টাকৈ কাৰ্যকাল (৩৪ বছৰ)ৰ বাবে বিধায়ক আছিল প্ৰয়াত ৰামেশ্বৰ ধানোৱাৰ। ১৩ টাকৈ কাৰ্যকাল কংগ্ৰেছ দলৰ দখলত থকা ডিগবৈ বিধানসভা সমষ্টিটো প্ৰথমবাৰলৈ বিজেপিৰ দখললৈ যায় ২০১৬ চনত। বিগত দুটা নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টীৰ সুৰেন ফুকনে বিধায়ক হিচাপে নিৰ্বাচিত হয়। এই বাৰ নিৰ্বাচনৰ বাবে বহুকেইগৰাকী প্ৰাৰ্থিই প্ৰয়াসী আছিল যদিও সুৰেন ফুকনে ভাৰতীয় জনতা পাৰ্টীৰ পৰা টিকট লাভ কৰি তৃতীয় বাৰলৈ প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সুবিধা পাইছে। বিজেপি টিকট বঞ্চিতসকল আছিল ৰাজ্যিক বিজেপিৰ সম্পাদক লক্ষ্য কৌৰব, জিলা বিজেপিৰ উপ-সভাপতি মুলেন্দ্ৰ মৰাণ, আৰ এজ এছব নতুভূষণ সোণোৱাল, মৰাণ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণ, তিনিচুকীয়া জিলা পৰিষদৰ অধক্ষ্য ভাদেশ্বৰ মৰাণ আৰু বিজেপিৰ অ' বি চি মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি নব মৰাণ অন্যতম। তজপ ভাৰতীয় জাতীয় কংগ্ৰেছৰ পৰা প্ৰাৰ্থীত্ব প্ৰত্যাশীৰ সংখ্যা আছিল ১০ গৰাকী। ইয়াৰে তিনিচুকীয়া জিলা বিজেপিৰ প্ৰাক্তন সভাপতি লক্ষেশ্বৰ মৰাণে টিকট বঞ্চিত হৈ নিৰ্দলীয়ৰূপে আৰু ভূমিপুত্ৰ মৰাণ জনগোষ্ঠীৰে প্ৰাক্তন নেতা তথা অবসৰপ্ৰাপ্ত শিক্ষক দুলাল মৰাণে ৰাইজৰ দলৰ টিকটত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। একেদৰে ঝাৰখণ্ড মুক্তি মৰ্চাৰ হৈ ভৰত নায়ক আৰু ভাৰতীয় তৃণমূল কংগ্ৰেছৰ পৰা জীতেন নাগে প্ৰাৰ্থিত্ব আগবঢ়াইছে। নিৰ্বাচনত সুৰেন ফুকনেই তুলনামূলকভাৱে কম ভোটৰ ব্যৱধানত জয়ী হ'ব বুলি ধাৰণা কৰা হৈছে যদিও সেই পৰিমাণৰ ভোটেৰে মন্ত্ৰিত্ব আজুৰি আনিবলৈ সক্ষম হয়নে নহয় সেয়া সময়েহে ক'ব। ৰাজনৈতিক পৰ্যবেক্ষক সকলৰ মতে, যিমানেই নিৰ্বাচনৰ ভোট গ্ৰহণৰ দিন চমু চাপি আহিছে, সিমানেই ডিগবৈ বিধানসভা সমষ্টিৰ নিৰ্বাচনী যুঁজখন ক্ৰমাংক জটিলতৰ হৈ পৰিছে। কেইদিনমানৰ আগলৈকে এইবাৰ প্ৰায় তিনিকোণীয়া যুঁজ এখন হ'ব বুলি ধাৰণা কৰা হৈছিল যদিও উচ্চশিক্ষিত ভৰত নায়কৰ ক্ৰমাংক উত্থানে এইবাৰ ডিগবৈত প্ৰায় চাৰিকোণীয়া যুঁজ এখন হোৱাৰ সম্ভাৱনাই অধিক। কাৰণ এই ভৰত নায়কৰ হাততেই আজি বহু বছৰ পূৰ্বে পঞ্চায়ত নিৰ্বাচনত পৰাজিত হৈছিল সুৰেন ফুকন। যি কি নহওক, এক প্ৰকাৰ চক্ৰব্যৱহৰ মাজত সোমাই পৰিলেও তুলনামূলকভাৱে কম ভোটৰ ব্যৱধানত বিজেপিৰ সুৰেন ফুকনেই শেষ হাঁহি মাৰিব বুলি পৰ্যবেক্ষক সকলে ধাৰণা কৰিছে যদিও সেই পৰিমাণৰ ভোটেৰে ফুকনে মন্ত্ৰিত্ব আজুৰি আনিবলৈ সক্ষম হ'য়নে নহ'য় সেয়া সময়েহে ক'ব।

নিৰ্বাচনী ফলাফলত মহিলা আৰু নতুন ভোটাৰে লব নিৰ্ণায়ক ভূমিকা

দুধনৈত নিৰ্বাচনী যুঁজ তীব্ৰতৰ; নিৰ্বাচনী প্ৰচাৰত বিজেপিৰ হাইপ্ৰফাইল নেতা কংগ্ৰেছৰ মৌন প্ৰচাৰ, সুদৃঢ় কৌশল

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ৪ এপ্ৰিল ঃ নিৰ্বাচনী গৰম বতাহে এতিয়া উত্তপ্ত কৰি তুলিছে ১৫ নং দুধনৈ অনুসূচীত জনজাতি বিধানসভা সমষ্টিক। সমষ্টিটোত এইবাৰ বিজেপি মিত্ৰজোঁট আৰু কংগ্ৰেছৰ মাজত এক তুমুল প্ৰতিদ্বন্দ্বিতা হোৱাটো নিশ্চিত হৈ পৰিছে। মিত্ৰজোঁটৰ প্ৰাৰ্থী টংকেশ্বৰ ৰাভাৰ হৈ গেৰুৱা শিবিৰে হাইপ্ৰফাইল নেতাসকলক নিৰ্বাচনী পথাৰত নমাই দিয়াৰ বিপৰীতে কংগ্ৰেছ প্ৰাৰ্থী কিশোৰ কুমাৰ ব্ৰহ্মই আকোৱালি লৈছে এক সুকীয়া কৌশল। বিজেপি মিত্ৰজোঁটৰ প্ৰক্ষেপিত বিজেপি প্ৰাৰ্থী টংকেশ্বৰ ৰাভাক জয়ী কৰিবলৈ মিত্ৰজোঁটে কোনো ধৰণৰ ত্ৰুটি ৰখা নাই। ইতিমধ্যে কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ অন্যতম ষ্টাৰ কেম্পাইনাৰ অমিত শ্বাহ, বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰী, সাংসদ বিজুলী কলিতা মেধী আৰু মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই দুধনৈত উপস্থিত হৈ নিৰ্বাচনী প্ৰচাৰ তুঙ্গত তুলিছে। আগন্তুক দিনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ লগতে আন কেইবাগৰাকীও শীৰ্ষ নেতাই প্ৰচাৰ চলাব বুলি জানিব পৰা গৈছে। ইয়াৰ উপৰিও সমষ্টিটোৰ ২১টা পঞ্চায়তত ৰাইজৰ কাষ চাপিছে বিজেপি প্ৰাৰ্থী টংকেশ্বৰ ৰাভা। বিজেপিয়ে মুলত ৰাজ্যত অবৈধ প্ৰব্ৰজন, নিকা আৰু স্বচ্চ নিযুক্তি প্ৰক্ৰিয়া, বিভিন্ন জনকল্যাণমূলক আঁচনি, মহিলা সৱলীকৰণ, মধ্যভোগীৰ বিলুপ্তি ইত্যাদি বিষয়ক লৈ নিৰ্বাচনী প্ৰচাৰ চলাইছে। আনহাতে কংগ্ৰেছে 'মৌন' হৈ সুদৃঢ় কৌশল হাতত লৈছে। বিজেপিৰ এই বিশাল আয়োজনৰ বিপৰীতে কংগ্ৰেছ প্ৰাৰ্থী কিশোৰ কুমাৰ ব্ৰহ্মই অতি শান্তভাৱে ৰাইজৰ কাষ চাপিবলৈ চেষ্টা চলাইছে। এতিয়ালৈ কোনো বৃহৎ সভাৰ পৰিৱৰ্তে সৰু সৰু নিৰ্বাচনী মেল আৰু ঘৰে-ঘৰে গৈ কৰা প্ৰচাৰেৰে তেওঁ ভোটাৰৰ মন জয় কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। কিশোৰ কুমাৰ ব্ৰহ্মই দৃঢ়তাৰে কয় যে ২০২১ চনৰ ইতিহাসৰ এইবাৰো পুনৰাবৃত্তি হ'ব আৰু তেওঁৰ জয় এশ শতাংশই নিশ্চিত। কিয়নো দুধনৈ সমষ্টিবাসী ৰাইজৰ স্মৃতিপটত ২০২১ চনৰ ৮৯৬টা ভোটৰ বহস্য আজিও সজীৱ হৈ আছে। ২০২১ চনৰ বিধানসভা নিৰ্বাচনতো বিজেপিৰ ব্যাপক লহৰ থকাৰ পিছতো দুধনৈৰ ফলাফল আছিল আচৰিত কৰা। সকলোৱে বিজেপি প্ৰাৰ্থী শ্যামজিৎ ৰাভাৰ জয় নিশ্চিত বুলি ধৰি লৈছিল যদিও শেষ মুহূৰ্তত কংগ্ৰেছৰ যাদৱ স্বৰ্গীয়াৰীয়ে ৮৯৬টা ভোটৰ ব্যৱধানত চমকপ্ৰদ জয় সাব্যস্ত কৰিছিল। কংগ্ৰেছৰ যাদৱ স্বৰ্গীয়াৰীয়ে ৭৭, ৩৪৮টা ভোট লাভ কৰিছিল। বিজেপিৰ শ্যামজিৎ ৰাভাই লাভ কৰিছিল ৭৬, ৪৫২ ভোট আৰু নিৰ্দলীয় প্ৰাৰ্থী তথা প্ৰাক্তন বিধায়ক দীপক কুমাৰ ৰাভাই লাভ কৰিছিল ১৫, ৪২৮ ভোট। দীপক কুমাৰ ৰাভাৰ ভোটেই নিৰ্বাচনী ফলাফলৰ সমীকৰণ সলনি কৰিছিল বুলি সচেতন ভোটাৰ ৰাইজে ক'ব বিচাৰে। অবশ্যে এইবাৰ কথা সুকীয়া। আগন্তুক নিৰ্বাচনত নতুন ভোটাৰ আৰু মহিলা ভোটাৰে নিৰ্ণয় কৰিব দুধনৈ সমষ্টিৰ দুয়োগৰাকী প্ৰাৰ্থীৰ ভাগ্য। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত দুধনৈত পাঁচটা নতুন পঞ্চায়ত অন্তৰ্ভুক্ত হৈছে। পূৰ্বতে এই পঞ্চায়ত কেইটা পূৰ্ব গোৱালপাৰা সমষ্টিত আছিল। সমষ্টি পুনঃ নিৰ্ধাৰণৰ ফলত সমষ্টিটোৰ মুঠ ভোটাৰৰ সংখ্যা ১, ৭৬, ৫৫১ গৰাকীলৈ বৃদ্ধি পাইছে। ইয়াৰে ৮৫, ৩৬৬ গৰাকী পুৰুষ আৰু ৯১, ১৫৫ গৰাকী মহিলা ভোটাৰ। এই পৰিসংখ্যাৰ পৰা স্পষ্ট যে এইবাৰ দুধনৈৰ ভাগ্য নিৰ্ণয় কৰাত মহিলা শক্তি আৰু ন-ভোটাৰ তথা যুৱ প্ৰজন্মৰ ভূমিকা অতি নিৰ্ণায়ক হ'ব। দুধনৈৰ ৰাইজে আকৌ এবাৰ কংগ্ৰেছৰ হাতত সমষ্টিটোৰ দায়িত্ব তুলি দিব নে বিজেপিৰ হেভিৱেইট প্ৰচাৰৰ প্ৰভাৱত সমষ্টিটো গেৰুৱা হ'ব, সেয়া ৪ মে'ৰ ফলাফলেহে নিশ্চিত কৰিব।

মাকুম ছোটা হাপজানত কিশোৰী আত্মহনন

অসম বাৰ্তা, মাকুম, ৪ এপ্ৰিল ঃ মাকুম ছোটা হাপজান দুই নম্বৰ লাইনত এগৰাকী ১৩ বছৰীয়া কিশোৰীৰ ডিঙিত চিপজৰী লৈ আত্মহনন কৰা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, কিশোৰীগৰাকীয়ে দিনৰ ভাগত ওচ

'মেন অব গ'ল্ডেন বুট'

পুৰা প্ৰায় ৭.৩০ বজাত গুৱাহাটীৰ কাহিলিপাৰাস্থিত নিজ বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল প্ৰায় ৭১ বছৰ। ২০২২ চনৰ পৰা ডিমেনচিয়া ৰোগত আক্ৰান্ত হৈ দীৰ্ঘদিন ধৰি শয্যাশায়ী হৈ আছিল প্ৰবীণ ফুটবলাৰগৰাকী। 'মেন অব গ'ল্ডেন বুট' হিচাপে সুপৰিচিত গিলবাৰ্টছন চামোই ফুটবলৰ জৰিয়তে অসম আৰক্ষীৰ ফুটবল দলক ৰাষ্ট্ৰীয় স্তৰলৈ উন্নীত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ১৯৫৫ চনৰ ১২ এপ্ৰিলত ডিব্ৰুগড়ত জন্মগ্ৰহণ কৰা গিলবাৰ্টছন চামোই শেখ শেশী কৰি ১৯৭১ চনত অসম পুলিচত কনষ্টেবল হিচাপে কৰ্মজীৱন আৰম্ভ কৰে। সেই সময়ৰ পৰাই তেওঁ অসম পুলিচ ফুটবল দলত যোগদান কৰি নিজৰ প্ৰতিভাৰ পৰিচয় দিয়ে। ১৯৭২ চনৰ পৰা ১৯৮২ চনলৈকে তেওঁ অসম পুলিচ দলৰ অধিনায়কৰ দায়িত্ব পালন কৰিছিল। ১৯৭৩ চনত কেৰালাৰ কোচিত অনুষ্ঠিত এখন ফুটবল টুৰ্ণামেণ্টত ৰাজ্যিক দলৰ হয়ে প্ৰতিনিধিত্ব কৰাৰ সুযোগ লাভ কৰে তেওঁ। তাৰ পাছত ১৯৭৩ চনৰ পৰা ১৯৮২ চনলৈকে মুঠ সাতবাৰ সন্তোষ ট্ৰফীত অসমক প্ৰতিনিধিত্ব কৰে। ১৯৭৬ চনৰ পৰা ১৯৭৮ চনলৈকে ৰাজ্যিক দলৰ অধিনায়ক হিচাপেও দায়িত্ব পালন কৰিছিল। অসম পুলিচৰ হয়ে তেওঁ ৰবদৈল ট্ৰফী, এটিপিএ শ্বিল্ড আৰু কেপ্টেইন এনএম গুপ্তা ট্ৰফী জয় কৰিছিল। ১৯৮১ চনত সন্তোষ ট্ৰফীত অসমক চেম্পিয়ন কৰাত গুৰুত্বপূৰ্ণ অৱদান আছিল তেওঁৰ। ভাৰতীয় দলৰ হৈ বিদেশতো প্ৰতিনিধিত্ব কৰিছিল গিলবাৰ্টছন চামোই। ১৯৭৫ চনত ইণ্ডোনেছিয়া আৰু মালয়েছিয়াত অনুষ্ঠিত প্ৰদৰ্শনীমূলক খেলত ভাৰতৰ হয়ে খেলিছিল। ১৯৮৫ চনত যোৰহাট নাগাংলেণ্ড পুলিচৰ বিপক্ষে জীৱনৰ অন্তিম খেলত অংশগ্ৰহণ কৰিছিল তেওঁ অসম আৰক্ষীৰ দ্বিতীয় অধিনায়ক হিচাপে কৰ্মজীৱন সমাপ্ত কৰাৰ পাছত তেওঁ কাহিলিপাৰাত দশম অসম আৰক্ষী বাহিনীৰ ওচৰতে নিজৰ বাসভৱনত বসবাস কৰি আছিল। ২০২২ চনত অসম চৰকাৰে তেওঁক ৰাজ্যৰ দ্বিতীয় সৰ্বোচ্চ অসামৰিক সন্মান 'অসম সৌৰভ' বঁটাৰে সন্মানিত কৰিছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই কন্যা আৰু বহুসংখ্যক আত্মীয়-স্বজন এৰি থৈ গৈছে। পৰিয়ালৰ তথ্য অনুসৰি, দেওবাৰে গুৱাহাটীৰ আদিংগিৰি পাহাৰত খ্ৰীষ্টান ধৰ্মীয় ৰীতি-নীতি অনুসৰি তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ'ব। প্ৰবীণ ফুটবলাৰগৰাকীৰ মৃত্যুত অসমৰ ক্ৰীড়া জগতত গভীৰ শোকৰ ছাঁ পৰিছে। তেওঁৰ অৱদান অসম ফুটবলৰ ইতিহাসত সদায় স্মৰণীয় হৈ থাকিব।

আমাক চিঠি লিখা বিধায়ক নালাগে, কাম কৰা বিধায়ক

সমষ্টিৰ আমগুৰি বৰছিলাত এক জনাকীৰ্ণ নিৰ্বাচনী সভাত সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী দেৱব্ৰত শইকীয়াক আক্ৰমণ কৰি এনেদৰে কয়। নাজিৰা সমষ্টিৰ এনডিএ প্ৰাৰ্থী মযুৰ বৰগোঁহাই ৰ পক্ষে নিৰ্বাচনী প্ৰচাৰ চলাই মুখ্যমন্ত্ৰী গৰাকীয়ে প্ৰতিশ্ৰুতিৰ বন্যা বোৱাই এনডিএক ভোট দিবলৈ আহ্বান জনাই। এনডিএ চৰকাৰ পুনৰ ক্ষমতালৈ আহিলে দুই লাখ নিনমুৱাক চাকৰি দিব বুলি ঘোষণা কৰি কয় যে, ইয়াৰে ২৫ হাজাৰ পুলিচ বিভাগত, ৭৫ হাজাৰ শিক্ষক আৰু ৮০ হাজাৰ অন্যান্য বিভাগত নিযুক্তি দিয়া হব। ইয়াৰ বিপৰীতে কংগ্ৰেছে চৰকাৰ গঠন কৰিলে সুতা কম্বল, ধুতি, লুঙীৰ লগত পায়জামা দিব বুলি কংগ্ৰেছ দলক ইতিকিং কৰে। আনহাতে ২০২৯ চনৰ সমষ্টি পুনৰ গঠন প্ৰক্ৰিয়াত আমগুৰি সমষ্টি পুনৰ আহিব বুলি ঘোষণা কৰি কয় যে প্ৰত্যেক ৰাজ্যত ৫০ক্ষ লোকসভা আৰু বিধানসভা আসন বাঢ়িব। লোকসভাত এই সন্দৰ্ভত ১৪ তাৰিখে বিল উত্থাপন হব। ইয়াৰ ফলত অসমত ৬৩টা সমষ্টি বাঢ়িব। গতিকে আমগুৰি সমষ্টি পুনৰ ঘূৰি অহাটো অসম্ভৱ নহয়। আৰু তেতিয়ালৈকে আমগুৰিৰ পৰা কোনো অফিচ কাছাৰী স্থানান্তৰ কৰা নহয় বুলি ঘোষণা কৰে। নাজিৰা সমষ্টিত ৭০০ কিলোমিটাৰ পথ নিৰ্মাণ কৰাবো প্ৰতিশ্ৰুতি দিয়ে মুখ্যমন্ত্ৰী গৰাকীয়ে। আনহাতে এনডিএ পুনৰ ক্ষমতালৈ আহিলে ৰঙালী বিহু আৰু দুৰ্গাপূজাৰ সময়ত প্ৰতিঘৰ লোককে দুটাকৈ বন্ধন গেছৰ চিলিণ্ডাৰ বিনামূলীয়া কৈ দিয়াৰো প্ৰতিশ্ৰুতি দিয়ে মুখ্যমন্ত্ৰী গৰাকীয়ে। নাজিৰা সমষ্টিৰ এনডিএ প্ৰাৰ্থী মযুৰ বুঢ়াগোহাঁই, অগপ দলৰ শিৱসাগৰ জিলা সভাপতি ঘন গগৈ, বিজেপি নেতা প্ৰহ্লাদ গোৱালা, ডঃ অংকিতা দত্ত উপস্থিত থকা নিৰ্বাচনী সভাত মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছ দলক আক্ৰমণৰ লক্ষ্য কৰি লোৱা দেখা গল। লক্ষণীয় যে, মুখ্যমন্ত্ৰী গৰাকীয়ে মঞ্চত উপস্থিত থকা বিজেপি নেত্ৰী ডঃ অংকিতা দত্তক একপ্ৰকাৰৰ উপেক্ষা কৰি সম্বোধন কৰাৰ পৰাও বিৰত থকা পৰিলক্ষিত হয়।

আগন্তুক নিৰ্বাচনত বিৰোধী

গগৈয়ে কয় যে, গৌৰীপুৰ সমষ্টিত এইবাৰ ৰাইজৰ দলৰ প্ৰাৰ্থী আবুল মিঞাই নিশ্চিতভাৱে জয়লাভ কৰিব। তেওঁ কয়, "ইয়াৰ মূল কাৰণ হৈছে AIUDF দলৰ প্ৰাৰ্থী নিজানুৰ ৰহমানে ৰাজ্যসভা নিৰ্বাচনত বিজেপিক ভোট দিয়া। গতিকে ৰাইজে তেওঁক ভোট নিদিব।" অখিল গগৈয়ে কংগ্ৰেছ দলৰ প্ৰাৰ্থী আবুল মিঞাৰ সমষ্টিত যথেষ্ট শক্তিশালী স্থিতিত আছে আৰু ইয়াৰ পৰা নিশ্চিতভাৱে জয়ী হ'ব। অখিল গগৈয়ে দাবী কৰে যে, এইবাৰ বিৰোধী ঐক্য মঞ্চই অসমত চৰকাৰ গঠন কৰিব আৰু সেই চৰকাৰৰ মুখ্যমন্ত্ৰী হ'ব গৌৰব গগৈ। তেওঁ কয়, "বিৰোধী ঐক্যমঞ্চই উমৈহতীয়াকৈ ৭০ৰ পৰা ৮০খন আসন লাভ কৰিব।" AIMIM নেতা আছাদুদ্দিন ওৱেইছিয়ে AIUDF হয়ে নিৰ্বাচনী প্ৰচাৰ কৰাৰ বিষয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি অখিল গগৈয়ে তীব্ৰ সমালোচনা কৰে। তেওঁ কয়, "আছাদুদ্দিন ওৱেইছি বিজেপি আৰু আৰএছএছৰ মানুহ। হিমন্ত বিশ্ব শৰ্মাৰ পৰামৰ্শ আৰু অমিত শ্বাহৰ নিৰ্দেশত যেতিয়া বিজেপি আৰু আৰএছএছ বিপদত পৰে, তেতিয়াই আছাদুদ্দিন ওৱেইছি আহি উপস্থিত হয়।" অখিল গগৈয়ে আৰু কয়, "আছাদুদ্দিন ওৱেইছিয়ে অসমত আহি ধৰ্মীয় শ্লোগান দিছে, 'আল্লাহু আকবাৰ' আজান দিছে। অসমত হিন্দু-মুছলমানৰ বাজনীতি নকৰে। হিন্দুৰে কেতিয়াও হিন্দু শ্লোগান নিদিয়ে, মুছলমানেও মুছলমান শ্লোগান নিদিয়ে। বদৰুদ্দিন আজমলে আছাদুদ্দিন ওৱেইছিক আনি ধৰ্মীয় ৰাজনীতি কৰিব বিচাৰিছে।"

বিহু-পূজাত অসমৰ প্ৰতিটো

সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলাই মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে, বিহু আৰু পূজা উপলক্ষে অসমৰ প্ৰতিটো পৰিয়ালক এটা বিনামূলীয়া গেছ চিলিণ্ডাৰ প্ৰদান কৰা হ'ব। নিৰ্বাচনী সভাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, "বিহু আৰু পূজাত অসমৰ ৰাইজে এটাকৈ চিলিণ্ডাৰ পাব। সেই চিলিণ্ডাৰৰ টকা মামাই দিব, আপোনালোকে একো দিব নালাগে। সেয়া আপোনালোকলৈ বিহু-পূজাৰ উপহাৰ।" সোণাৰি সমষ্টিত সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে কয়, "অসমত গেছ চিলিণ্ডাৰৰ নাটনি হোৱা নাই। সকলো ঠিকে আছে।" এই প্ৰচাৰ সভাত মুখ্যমন্ত্ৰী শৰ্মাই ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীয়ে ঝাৰখণ্ড মুক্তি মৰ্চাৰ প্ৰাৰ্থীৰ হয়ে অসমত প্ৰচাৰ চলোৱাৰ বিষয়েও প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। তেওঁ কয়, "ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী অসমলৈ অহাটো আমাৰ বাবে ভাল কথা। তেওঁ অসমৰ উন্নয়ন দেখি ভাল পাব। মই ঝাৰখণ্ডকৈ গৈছিলোঁ, তাত একোৱেই নাই। তেওঁ অসমত আহি চাহ বাগিচা, মেডিকেল কলেজ, ডাঙৰ ডাঙৰ ৰাস্তা দেখিছে। অসমৰ পৰা তেওঁ বহুতখিনি শিকিব পাৰিব।" আছাদুদ্দিন ওৱেইছিয়ে অসমত প্ৰচাৰ চলোৱাৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে কয়, "কংগ্ৰেছে আনিছে আছাদুদ্দিন ওৱেইছিক। যদি এনেকৈ থাকে তেন্তে অসমীয়াৰ বাবে বেয়া।"

অসমত নতুনকৈ সংযোজন

এটা অংশ নাজিৰা সমষ্টিলৈ অন্তৰ্ভুক্ত কৰা হৈছিল।" আমগুৰিৰ সৈতে স্থানীয় অধিবাসীসকলৰ গভীৰ আৱেগিক সম্পৰ্কৰ কথা স্বীকাৰ কৰি মুখ্যমন্ত্ৰীয়ে আশ্বাস দিয়ে যে সমষ্টিটো পুনৰুজ্জীৱিত নোহোৱালৈকে সেই অঞ্চলৰ পৰা কোনো চৰকাৰী কাৰ্যালয় স্থানান্তৰ কৰা নহ'ব। অন্তৰ্বৰ্তী সময়ত তাত অধিক চৰকাৰী কাৰ্যালয় স্থাপন কৰাৰো সম্ভাৱনা আছে বুলি তেওঁ উল্লেখ কৰে। নাজিৰা সমষ্টিৰ নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতাৰ প্ৰসংগত মুখ্যমন্ত্ৰী শৰ্মাই ভোটাৰসকলক বিজেপি প্ৰাৰ্থী মযুৰ বৰগোহাঁইক সমৰ্থন কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে ৰাজ্য আৰু কেন্দ্ৰত একে দলৰ চৰকাৰ থকাৰ বাবে "দ্বৈত ইঞ্জিন চৰকাৰ"ৰ সুবিধা অসমে লাভ কৰিছে।" দ্বৈত ইঞ্জিন চৰকাৰে অসমত উন্নত ৰাস্তা, বিভিন্ন কল্যাণমূলক আঁচনি আৰু সাময়িক পৰিবৰ্তন আনিছে। মযুৰ বৰগোহাঁইক ভোট দিলে নাজিৰাতো এই অগ্ৰগতি অব্যাহত থাকিব" শৰ্মাই কয়। পবম্পৰাগতভাৱে কংগ্ৰেছৰ শক্তিশালী ঘাঁটি হিচাপে পৰিচিত নাজিৰা সমষ্টিত এইবাৰ উচ্চ পৰাৰ দ্বন্দ্বিদ্বন্দ্বিতা চলি আছে। বৰ্তমানৰ কংগ্ৰেছ বিধায়ক আৰু বিধানসভাৰ বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াৰ বিৰুদ্ধে বিজেপিৰ মযুৰ বৰগোহাঁই প্ৰতিদ্বন্দ্বিতা কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ব্যক্তিগতভাৱে প্ৰচাৰৰ নেতৃত্ব দিয়াৰ লগে লগে বিজেপিয়ে এই আসন জয় কৰাৰ বাবে তীব্ৰ প্ৰয়াস চলাইছে। বাজনৈতিক বিশ্লেষক ৰূপক ভট্টাচাৰ্যই কয় যে এই নিৰ্বাচনত বিৰোধিতাৰ প্ৰভাৱ পৰিব পাৰে। তথাপি ভোটাৰসকলে বিকাশমূলক বিষয় আৰু অগ্ৰগতিৰ ফালে অধিক গুৰুত্ব দিয়া পাবে বুলি তেওঁ মত প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীৰ এই ঘোষণাই নাজিৰাৰ নিৰ্বাচনী প্ৰচাৰত নতুন মাত্ৰা প্ৰদান কৰিছে আৰু অসমৰ ৰাজনীতিত মহিলা সংৰক্ষণৰ সম্ভাব্য প্ৰভাৱৰ বিষয়ে আলোচনা আৰম্ভ কৰিছে।

সোমবাৰে হোজাইত প্ৰধানমন্ত্ৰী

প্ৰশাসনে ব্যাপক নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰিছে। জিলা প্ৰশাসনৰ ফালৰ পৰা জাৰি কৰা এক গুৰুত্বপূৰ্ণ আদেশ অনুসৰি, অনুষ্ঠানস্থলীৰ চৌপাশে বিশেষ নিষেধাজ্ঞা বলবৎ কৰা হৈছে। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণসূচীত শ্ৰীমন্ত শংকৰদেৱ নগৰ খেলপথাৰত এখন বৃহৎ জনসভা অনুষ্ঠিত হ'ব। লগতে বববহা ফিল্ডত এক অস্থায়ী হেলিপেড ব্যৱস্থা কৰা হৈছে। এই দুয়োটা স্থানত উচ্চস্তৰৰ নিৰাপত্তা ব্যৱস্থা নিশ্চিত কৰাৰ উদ্দেশ্যে হোজাই জিলাৰ জিলা দণ্ডাধীশ শ্ৰী দেৱ প্ৰসাদ মিশ্ৰই ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা (BNSS)-ৰ ধাৰা ১৬৩ অনুসাৰে এক বিশেষ আদেশ জাৰি কৰিছে। উক্ত আদেশ অনুসৰি, জনসভাস্থলী আৰু হেলিপেড এলেকাৰ পৰা ৩ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰৰ কোনো ধৰণৰ ড্ৰোন, মানৱবিহীন উৰণ যন্ত্ৰ (UAV), বেলুন আদি ব্যৱহাৰ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। কেৱল সংশ্লিষ্ট কৰ্তৃপক্ষৰ পূৰ্বানুমতি লৈহে এইবোৰ ব্যৱহাৰ কৰিব পৰা যাব। এই ব্যৱস্থা প্ৰধানমন্ত্ৰীৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে সাধাৰণ জনতাৰ সুৰক্ষা সুনিশ্চিত কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা হৈছে। প্ৰশাসনে স্পষ্টকৈ জনাইছে যে এই নিষেধাজ্ঞা প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ ভ্ৰমণকালীন সময়ছোৱাত বলবৎ থাকিব। কোনো ব্যক্তি বা সংস্থাই যদি এই আদেশ অমান্য কৰে, তেন্তে তেওঁৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতা (BNS)-ৰ ধাৰা ২২৩ অনুসাৰে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইফালে, জিলা প্ৰশাসনে আৰক্ষী বিভাগ, বিশেষ সুৰক্ষা গোট (SPG), আৰু অন্যান্য সংশ্লিষ্ট বিভাগসমূহক সতৰ্ক অৱস্থাত থাকিবলৈ নিৰ্দেশ দিছে। অনুষ্ঠানটো শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ সকলো ধৰণৰ প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে বুলি প্ৰশাসনৰ ফালৰ পৰা জানিবলৈ দিয়া হৈছে। এই বৃহৎ অনুষ্ঠানটোক লৈ স্থানীয় লোকসকলৰ মাজতো ব্যাপক উৎসাহ দেখা গৈছে। কিন্তু তাৰ মাজতে নিৰাপত্তাৰ ক্ষেত্ৰত কোনো ধৰণৰ শিথিলতা নথকাৰ বাবে প্ৰশাসনে সাধাৰণ ৰাইজক সকলো নিয়ম-কানুন মানি চলিবলৈ আহ্বান জনাইছে। সামগ্ৰিক ভাৱে ক'বলৈ গ'লে, প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণ উপলক্ষে হোজাই জিলাত এক কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে, য'ত আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ আৰু আইন-শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

অসমত মিঞা থকালৈকে

গামৰ হয়ে নিৰ্বাচনী প্ৰচাৰ চলাইছিল কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্গেৰিটাই। প্ৰচাৰ সভাত তেওঁ কংগ্ৰেছ দলক তীব্ৰ ভাষাত আক্ৰমণ কৰে। মন্ত্ৰী পবিত্ৰ মাৰ্গেৰিটাই কয় যে, অসমত কোনো কাৰণতে বিৰোধীশূন্য হ'ব নোৱাৰে। বিশেষকৈ মিঞা অধ্যুষিত অঞ্চলত কংগ্ৰেছ আৰু বিৰোধী ঐক্যৰ বিজয় নিশ্চিত বুলি তেওঁ স্বীকাৰ কৰে। তেওঁ কয়, "এটা কথা মই স্বীকাৰ কৰিবলৈ কুণ্ঠাবোধ নকৰোঁ যে বিৰোধী সদায় থাকিব। বিশেষকৈ কংগ্ৰেছ সদায় থাকিব, কাৰণ ২৪-২৫খন আসন মিঞা অধ্যুষিত। তেওঁলোকৰ পৰা প্ৰতিযোগিতাত আমি শত যোজন আঁতৰত আছোঁ। তেওঁলোক মিঞা অঞ্চলত বহু আগুৱাই গৈছে। অসমৰ এক অংশত মিঞাসকল আছেই আৰু তেওঁলোকে প্ৰাণত থাপি লৈছে কংগ্ৰেছ, ৰাইজৰ দলকে ধৰি বিৰোধী দলসমূহক।" কংগ্ৰেছ প্ৰাৰ্থী ইন্দ্ৰনীল পেগুৰ লক্ষ্য কৰি মন্ত্ৰীগৰাকীয়ে কয়, "ইন্দ্ৰনীল পেগুৰ দলৰ দম্ভ হৈছে যে তেওঁলোকে মিঞাৰ অঞ্চলত ২৪খন আসন পাবই। তেওঁলোকৰ যাত্ৰা আৰম্ভ হ'ব সেই ২৪খন আসনৰ পৰা আৰু আমাৰ যাত্ৰা আৰম্ভ হ'ব মাজুলীৰ দৰে পবিত্ৰ তীৰ্থস্থানৰ পৰা। গতিকে কেতিয়াও অসম বিৰোধীশূন্য হ'ব নোৱাৰে।" তেওঁ লগতে কয়, "মিঞা যেতিয়ালৈকে থাকিব, তেতিয়ালৈকে কংগ্ৰেছ, ইন্দ্ৰনীল পেগু, গৌৰব গগৈ, অখিল গগৈ, লুৰীজ্যোতি গগৈৰ দৰে নেতাসকল সেই নিৰ্দিষ্ট এলেকাবোৰত সদায় উজ্জ্বল হৈ থাকিব।" মাজুলীৰ নিৰ্বাচনী যুঁজত শিক্ষা আৰু উন্নয়নক লৈ তীব্ৰ বিতৰ্ক চলি থকা পৰিপ্ৰেক্ষিতত পবিত্ৰ মাৰ্গেৰিটাই ভূৱন গামৰ পক্ষে যুক্তি দাঙি ধৰে। তেওঁ কয়, "ভূৱন গাম এগৰাকী শিক্ষিত ব্যক্তি। মাৰ্কশীটত কাৰোবাৰ মাৰ্ক বেছি হ'বে পাৰে, কাৰোবাৰ কম হ'বে পাৰে। কিন্তু শিক্ষা মানে কেৱল মাৰ্কশীট নহয়।" মন্ত্ৰীগৰাকীয়ে আৰু কয়, "ভূৱন গামৰ দাদা এবিধ শিক্ষা হৈছে তেওঁ মাটিৰ সৈতে মিলি থকা। তেওঁ কোনো চাহাবী প্ৰতিনিধি নহয়। যিকোনো মানুহে যিকোনো সময়ত তেওঁক লগ পাব পাৰে। তেওঁ সাধাৰণ মানুহৰ লগত মিলি-জুলি থাকে।"

জয়ন্ত মল্লবৰুৱাৰ দুৰ্গত

আয়োজন কৰা এই বৃহৎ ৰেলী তথা পদযাত্ৰাত অংশ গ্ৰহণ কৰে সাংসদ তথা বিৰোধী ঐক্যৰ অন্যতম মুখ্য নেতা গৌৰব গগৈয়ে। আবেলি প্ৰায় তিনিবজাৰ পৰা আৰম্ভ হোৱা এই দীঘলীয়া ৰোড শ'ধ্বমধমা বাদ্য আস্থানৰ পৰা আৰম্ভ হৈ হৰি মন্দিৰ, বাটা চ'ক, নলবাৰী নাট্য মন্দিৰ, থানা চ'ক আদি গুৰুত্বপূৰ্ণ পথ অতিক্ৰম কৰি হাজো-নলবাৰী পথৰে আগবাঢ়ে আৰু শেষত চ'ক বজাৰত সামৰণি পৰে। প্ৰায় তিনি ঘণ্টা ধৰি চলা এই ৰেলীয়ে সম্পূৰ্ণ নলবাৰী চহৰক নিৰ্বাচনী উত্তেজনাৰে মুখৰিত কৰি তোলে। ৰোড শ'ত অংশ লোৱা সহযোৰ্ধক কৰ্মী-সমৰ্থক আৰু সাধাৰণ ভোটাৰে "কংগ্ৰেছ জিন্দাবাদ", "গৌৰব গগৈ জিন্দাবাদ", "অশোক শৰ্মা জিন্দাবাদ" আদি শ্লোগানেৰে আকাশ-বতাহ কঁপাই তোলে। পুৰুষ, মহিলা, যুৱক-যুৱতী আৰু জ্যেষ্ঠ নাগৰিক মিলাই বিপুল জনসমাগমে এই ৰেলীক এক গণঅভিযানৰ ৰূপ প্ৰদান কৰে। বিশেষকৈ ৰেলীটোত গাঁও-চহৰৰ বিভিন্ন প্ৰান্তৰ লোকৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণে কংগ্ৰেছ মিত্ৰজোটৰ প্ৰতি ৰাইজৰ আগ্ৰহ আৰু সমৰ্থন স্পষ্টভাৱে প্ৰতিফলিত কৰে। ৰাজনৈতিক বিশ্লেষকসকলৰ মতে, এনে বৃহৎ জনসমাগমে নিৰ্বাচনী ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা দেখা গৈছে। উক্ত ৰেলীত অংশগ্ৰহণ কৰে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা প্ৰভাৱী ভূপেশ বাঘেল, প্ৰাৰ্থী অশোক শৰ্মা, জিলা কংগ্ৰেছৰ ভাৰপ্ৰাপ্ত সভাপতি দিব্যজ্যোতি হাঁলৈৰ লগতে কংগ্ৰেছ, এজেপি আৰু চি পি আই (এম) দলৰ বহু কৰ্মীগৰাকী নেতাই। আবেলি প্ৰায় ৫.৩০ বজাত চ'ক বজাৰত সামৰণি পৰা এই বৃহৎ ৰোড শ'ই নলবাৰী সমষ্টিত কংগ্ৰেছ মিত্ৰজোটৰ নিৰ্বাচনী প্ৰচাৰত নতুন গতি সঞ্চাৰ কৰা বুলি দলীয় মহলত মন্তব্য প্ৰকাশ পাইছে। সমগ্ৰ কাৰ্যসূচীৰ মাজেৰে বিৰোধী ঐক্যই নিজৰ সংগঠনমূলক শক্তি আৰু জনসমৰ্থন দৃঢ়ভাৱে প্ৰদৰ্শন কৰিবলৈ সক্ষম হয়।

বিজেপি নেতাৰ বিৰুদ্ধে

প্ৰাৰ্থী বিজয় গুপ্তাৰ বিপক্ষে অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী কুংকি চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। শেহতীয়াকৈ কুংকি চৌধুৰীক লৈ সামাজিক মাধ্যমত এটা ডীপ ফেক ভিডিঅ' ভাইৰেল হোৱাত ব্যাপক বিতৰ্কৰ সৃষ্টি হৈছে। কুংকি চৌধুৰীয়ে অভিযোগ কৰিছে যে, তেওঁৰ মূল ভিডিঅ'ৰ দৃশ্য ব্যৱহাৰ কৰি কৃত্ৰিম বুদ্ধিমত্তা (এআই)ৰ সহায়ত তেওঁৰ কণ্ঠ সলনি কৰি এটা ভুৱা ভিডিঅ' তৈয়াৰ কৰা হৈছে। সেই ভিডিঅ'টো বিজেপিৰ আইটি চেল আৰু দলৰ একাংশ নেতাই উদ্দেশ্যপ্ৰণোদিতভাৱে প্ৰচাৰ কৰিছে বুলি তেওঁ দাবী কৰে। এই ঘটনা সন্দৰ্ভত শনিবাৰে পাণবজাৰ চাইবাৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে কুংকি চৌধুৰীয়ে। এজাহাৰত বিজেপিৰ আইটি চেলৰ লগতে বলেন বৈশ্য, বিশ্বজিৎ বৰ্মন আৰু অভিজ্ঞান দিহিঙীয়াৰ নাম উল্লেখ কৰা হৈছে। এজাহাৰ দাখিলৰ পূৰ্বে সামাজিক মাধ্যমত কুংকিয়ে লিখিছে, "বিজেপি আইটি চেলে মোৰ ভাৰমূৰ্তি ম্লান কৰাৰ বাবে উদ্দেশ্যপ্ৰণোদিতভাৱে এটা ভুৱা এআই জেনেৰেটেড ভিডিঅ' প্ৰচাৰ কৰিছে। এনে কুৰুচিপূৰ্ণ কাৰ্যক আমি তীব্ৰ ভাষাৰে গৰিহণা দিছোঁ। আমি আশৈ শীঘ্ৰে ইয়াৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিম।" আন এটা পোষ্টত তেওঁ লিখিছে, "প্ৰত্যক্ষ ৰাজনীতিৰ পথাৰত মই একেবাৰে নতুন। মোৰ দৰে নৰাগতসকলাকৈ কিয় ইমান ভয় কৰিছে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু বিজয় গুপ্তা ডাঙৰীয়াই?" এজাহাৰ দাখিল কৰি সংবাদমাধ্যমৰ আগত কুংকি চৌধুৰীয়ে কয়, "বিজেপিৰ আইটি চেল আৰু বলেন বৈশ্য, বিশ্বজিৎ বৰ্মন আৰু অভিজ্ঞান দিহিঙীয়াই মোৰ বিষয়ে আৰু মোৰ পৰিয়ালৰ বিষয়ে মিছা প্ৰচাৰ চলাই আছে। ইমান তললৈ তেওঁলোক কিয় নামিছে মই নাজানো। ভবাই নাছিলোঁ যে তেওঁলোক ইমান তললৈ নামিব পাৰে। সেয়েহে মই এজাহাৰ দাখিল কৰিবোঁ।" তেওঁ লগতে কয়, "বিজেপি কাৰ্যালয়ৰ ৫০১ নম্বৰ কোঠা সকলোলে জানে। সম্ভৱতঃ সেই কোঠাৰ পৰাই হাজাৰ হাজাৰ ফেক একাউণ্টে এই ডীপ ফেক ভিডিঅ' বিয়পাই দিছে।" কুংকিয়ে আৰু কয়, "মই সৰু ছোৱালী, ৰাজনীতিলৈ মাত্ৰ আহিছোঁ। তেওঁলোকে তললৈ নামি যি কাম কৰিছে, মই হতবাক হৈছোঁ। মোক ভয় খুৱাব বিচাৰিছে। মোৰ ইনষ্টাগ্ৰামৰ পুৰণি পোষ্টবোৰ কমেণ্টেৰে ভৰি পৰিছে। মধ্য গুৱাহাটীৰ ৰাইজে সকলো বুজে। মই নাভাবোঁ যে এইবোৰে নিৰ্বাচনত কিবা প্ৰভাৱ পেলাব।" শুকুৰবাৰে ফাঁচী বজাৰত তেওঁৰ বিৰুদ্ধে ছোৱা প্ৰতিবাদৰ বিষয়েও কুংকিয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। তেওঁ কয়, "কালি মই গম পোৱা নাছিলোঁ। আজি পুৰা গম পালোঁ যে কিছুমান ল'ৰাই প্ৰতিবাদ কৰিছে। মোক ভয় খুৱাবলৈ চেষ্টা কৰা হৈছে। মধ্য গুৱাহাটীৰ ৰাইজ আৰু নৰপ্ৰজন্মৰ মাত দমাবলৈ চেষ্টা কৰা হৈছে।"

হেলিকপ্টাৰত তেল নাই!

মহিলাবীয়ে। আকাশ মাৰ্গৰ সলনি স্থল পথেৰে বিজনীত উপস্থিত হোৱা হাগ্ৰামা মহিলাবীয়ে ভাষণত হেলিকপ্টাৰত তেল নাই বুলি মন্তব্য কৰে। তেওঁ কয় যে হেলিকপ্টাৰত তেল নাই, মানাছত তেল শেষ হৈছে। এইবিলাক কি ড্ৰাইভাৰ হ'ল। ওপৰত কিবা হলে কোনে বিক্ষ ল'ব বুলি পাইলটৰ ওপৰত খং উজাৰে। ইফালে উক্ত সভাতেই ভাষণত পুনৰ পাহাৰ প্ৰসংগ উত্থাপন কৰে। তেওঁ কয় যে বিজনীত পাহাৰ লাগিলে পাহাৰ বনাই দিম। পাহাৰ এটাত কিমান যাব, এশ কোটি, দুশ কোটি। বনাই দিম, টেণ্ডাৰ মাৰিলে হ'ল। তেওঁ ভাষণত ৰসিকতা কৰি মুখ্যমন্ত্ৰীয়ে বিটিচিৰ বাহিৰত মুছলিমক টিকছে গালি দিছে। বিটিচিৰ লগতে আমাৰ বুজাবুজি আছে বুলি কয়। তেওঁ ইউপিএলক সমালোচনা কৰি ইউপিপিএলৰ কথা, এবছৰ কথা, কমলসিঙৰ কথা যদি মানি চলে সব চেচ হৈ যাব, মই যাব বুলি কয় সংবাদ মাধ্যমৰ আগত। আনহাতে বিজনীৰ সংখ্যালঘু বসতিপ্ৰধান অঞ্চল মাজবাবাবীত এনডিএৰ প্ৰাৰ্থী অৰূপ কুমাৰ দেৰ হৈ নিৰ্বাচনী প্ৰচ

তিনিচুকীয়া নিৰ্বাচনী জিলাত বিধানসভা নিৰ্বাচন-২০২৬ৰ প্ৰিজাইডিং-পুলিং বিষয়াসকলৰ গ্ৰুপ প্ৰশিক্ষণ আৰম্ভ

অসম বাৰ্তা, ষ্টাফ বিপৰ্টাৰ, তিনিচুকীয়া, ৪ এপ্ৰিল ঃ তিনিচুকীয়া নিৰ্বাচনী জিলাত বিধানসভা নিৰ্বাচন ২০২৬ সুচাৰুৰূপে সম্পন্ন কৰিবৰ বাবে জিলা প্ৰশাসন আৰু জিলা নিৰ্বাচনী শাখাই ব্যাপক প্ৰস্তুতি অব্যাহত ৰাখিছে। ৯ এপ্ৰিল তাৰিখে অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ সুচাৰুৰূপে অনুষ্ঠিত কৰিবৰ বাবে তিনিচুকীয়া নিৰ্বাচনী জিলাৰ অন্তৰ্গত তিনিচুকীয়া, মাকুম, ডুমডুমা, ডিগবৈ, মাৰ্ঘেৰিটা আৰু শদিয়া বিধানসভা সমষ্টিৰ বাবে নিয়োজিত প্ৰিজাইডিং বিষয়া তথা প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুলিং বিষয়াসকলৰ গ্ৰুপ প্ৰশিক্ষণ আজিৰে পবা তিনিচুকীয়া মহাবিদ্যালয়, তিনিচুকীয়া বাণিজ্য মহাবিদ্যালয় আৰু তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ সাংস্কৃতিক কেন্দ্ৰত আৰম্ভ হৈছে। ৬ এপ্ৰিললৈকে অনুষ্ঠিত হ'বলগীয়া এই গ্ৰুপ প্ৰশিক্ষণত বেলট ইউনিট (BU), কণ্ট্ৰোল ইউনিট (CU) আৰু VVPAT-ৰ সংযোগ, পৰীক্ষণ আৰু মক পোল (Mock Poll) অনুষ্ঠিত কৰাৰ পদ্ধতি, পুলিং বিষয়াসকলৰ দায়িত্ব, ভোট কেন্দ্ৰৰ ব্যৱস্থাপনা ইত্যাদি সম্পৰ্কত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। উক্ত প্ৰশিক্ষণ কালত ভাৰতীয় নিৰ্বাচনী আয়োগে নিযুক্তি দিয়া শদিয়া, ডুমডুমা আৰু তিনিচুকীয়া বিধানসভা সমষ্টিৰ সাধাৰণ পৰ্যবেক্ষক ডাঃ অভিনন্ত তুখা আৰু মাকুম, মাৰ্ঘেৰিটা আৰু ডিগবৈ বিধানসভা সমষ্টিৰ সাধাৰণ পৰ্যবেক্ষক মিতালী নামচুম উপস্থিত থাকি প্ৰশিক্ষণ প্ৰক্ৰিয়াৰ সবিশেষ বুজ লয়। জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া সুমিত ছাত্ৰাৱানে উপস্থিত প্ৰিজাইডিং, পুলিং বিষয়াসকলক ৯ এপ্ৰিল ভোট গ্ৰহণৰ দিনা সুচাৰুৰূপে নিজৰ দায়িত্ব পালন কৰিবলৈ আহ্বান জনোৱাৰ লগতে যিকোনো ধৰণৰ অসুবিধাৰ সম্মুখীন হলে উদ্বিগ্ন নহৈ তাৎক্ষণিকভাবে উৰ্ধতম কৰ্তৃ পক্ষক অৱগত কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে, সমগ্ৰ ৰাজ্যৰ লগতে তিনিচুকীয়া নিৰ্বাচনী জিলাৰ ঙটা বিধানসভা সমষ্টিৰ মুঠ ১২৮১টা ভোটগ্ৰহণ কেন্দ্ৰত ৯ এপ্ৰিলত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। তিনিচুকীয়া নিৰ্বাচনী জিলাত ভোটগ্ৰহণ প্ৰক্ৰিয়া সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে ১২৮১ গৰাকী প্ৰিজাইডিং বিষয়া আৰু ৬৮৪৩ গৰাকী প্ৰথম পুলিং, দ্বিতীয় পুলিং আৰু তৃতীয় পুলিং বিষয়া নিয়োগ কৰা হৈছে। আনহাতে, বিধানসভা নিৰ্বাচনৰ সম্পৰ্কীয় যিকোনো তথ্য পাবৰ বাবে অথবা যিকোনো অভিযোগ দাখিলৰ বাবে জিলা আয়ুক্ত কাৰ্যালয়ত ২৪ ঘণ্টাই কাৰ্যকৰী হৈ থকা এটি নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। বাইজে নিৰ্বাচন সংক্ৰান্তিয় যিকোনো তথ্য পাবৰ বাবে লগতে যিকোনো অভিযোগ দাখিলৰ বাবে নিয়ন্ত্ৰণ কক্ষৰ 'অসম বিধানসভা নিৰ্বাচন-২০২৬' ৰ সিতে সম্পৰ্কিত যিকোনো তথ্য পাবৰ বাবে অথবা যিকোনো অভিযোগ দাখিলৰ বাবে তিনিচুকীয়া জিলা আয়ুক্ত কাৰ্যালয়ত (DDMA Control Room) নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। বাইজে নিৰ্বাচন সংক্ৰান্তিয় যিকোনো তথ্য পাবৰ বাবে লগতে যিকোনো অভিযোগ দাখিলৰ বাবে নিয়ন্ত্ৰণ কক্ষৰ 18003453936 নম্বৰত অথবা 1950 নম্বৰত ফোন কৰিব পাৰিব বুলি জিলা তথ্য আৰু জনসংযোগ বিষয়া মামুন বৰকটকীয়ে জনাইছে।

চিচিবৰগাঁৱত বিজেপি সমৰ্থকৰ বিৰোধীক ভোট দিলে সকলো আঁচনি কৰ্তন কৰাৰ ভাবুকি

অসম বাৰ্তা, ধেমাজি, ৪ এপ্ৰিল ঃ সমাগত বিধানসভা নিৰ্বাচন। কি শাসক কি বিৰোধী সকলোৱে এতিয়া দিনে নিশাই তীব্ৰ গতিত চলাই নিছে নিৰ্বাচনী প্ৰচাৰ। বিভিন্ন কৌশলে ভোটাৰৰ মন জয় কৰিবৰ বাবে পৃথকে-পৃথকে চলাইছে নিৰ্বাচনী প্ৰচাৰ। নিজৰ পছন্দৰ প্ৰাৰ্থীজনক জয় কৰাৰ লক্ষ্যৰে প্ৰাৰ্থীৰ অনুপস্থিতিত তাৰ কাৰ্যকৰ্তাই চলাই নিছে নিজ সমষ্টিৰ বিভিন্ন স্থানত নিৰ্বাচনী সভা। মুঠৰ ওপৰত উজনি-নামনি বৰাক বন্ধা পুত্ৰ সকলোতে এতিয়া নিৰ্বাচনৰ গৰম বতাহ। তাৰ মাজতে এখন আজৰ নিৰ্বাচনী সভাই চকু কপালত তুলিছে সকলোকে। শসকীয় দলৰ এখন নিৰ্বাচনী সভাত সংঘটিত হৈছে এক অনুকূল ঘটনা। যিটো ঘটনাকৈ সৰ্বত্ৰে এতিয়া চকু কপালত উঠিছে। নিৰ্বাচনৰ নামত শাসকে যি নিকৃষ্টমানৰ ৰাজনীতি কৰিছে তাকলৈ এতিয়া ঘোৰ বিৰোধিতা কৰিছে একাংশ জাতীয় দল-সংগঠনে। নিজকে অতি চতুৰ তথা শাসকীয় দলৰ কৰ্মী হিচাপে নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিবলৈ গৈ নিজৰ সোঁৱৰে-বাওঁৱে দুই তিনি সমৰ্থনকাৰীক কাষত বহুৱাই সাধাৰণ যেন দেখা ভোটাৰক মুকলি ভাবুকি দেখাজি নৱগঠিত ৭৯ নং চিচিবৰগাঁও সমষ্টিত। ভোটাৰক সন্মুখৰ মজিয়াত মুকলিকৈ বহিবলৈ দি উদাত্ত কণ্ঠেৰে এজন শাসকীয় দলৰ সদস্যৰ কৈ গৈছে বিভিন্ন ভুৱনবোলোৱা মন্তব্য। তাৰ মাজতে কৈছে যদি বিজেপিক ভোট নিদিয়ে আপোনালোকৰ নাম সকলো আচনিৰ পৰা কৰ্তন কৰা হব। জৈনক মুনি বাইদেউ ৰাজকুমাৰ টাই আৰু জৈনক দাহাল উপাধিৰ তিনি ব্যক্তিয়ে নিৰ্বাচনী সভাৰ প্ৰচাৰ চলাবলৈ গৈ ভোটাৰক অনেক ভয় ভাবুকি প্ৰদান কৰি ভোটাৰ সকলক হলধেকত পেলাই নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ আহিলা তৈয়াৰ কৰিছে। উল্লেখ্য যে বিৰোধীক ভোটদান প্ৰদান কৰিলে বিগত বিজেপি শাসনকালত লাভ কৰা বিভিন্ন আচনি কৰ্তন কৰাৰ কথা হব বুলি এতিয়া শাসকীয়ই ভয় ভাবুকি প্ৰদান কৰাত উঠি পৰি লাগিছে। লগতে উক্ত সভা উল্লেখ কৰে যে ভোটাৰ সকলে চকাৰৰ পৰা লাভ কৰা আচনি সমূহ কাটি অন্যলোকক প্ৰদান কৰা হব বুলি স্পষ্টকৈ উল্লেখ কৰে বিজেপিৰ পালিনেতা গৰকীয়ে। ইফালে ভোটাৰ সকলক সাৱধান কৰি দিয়ে যে আগন্তুক দিনত কোনেও যাতে নিজৰ ভৰিত নিজে কোঠাৰ মাৰি নলব বুলি সকিয়াই দিয়ে। বিজেপিক ভোটপ্ৰদান কৰিবলৈ যেন এতিয়া বিভিন্ন ভয় ভাবুকিৰ আশ্ৰয়লৈ আগন্তুক বিধানসভাৰ বৈতৰণী পাৰহোৱা অপ্ৰাণ চেষ্টা অব্যাহত ৰাখিছে শাসক দলে। সামাজিক মাধ্যমত সমগ্ৰ বিষয়টো বিয়পি পৰাৰ লগে লগে ধেমাজিত জাঙুৰ খাই উঠিছে একাংশ দল-সংগঠনে। বিশেষকৈ অসম জাতীয়তাবাদী যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি উজ্জ্বল চুতীয়াই ৰাজ্যৰ সকলো শাসক বিৰোধীক সকলোকে প্ৰৰোচনামূলক মন্তব্য আগনবঢ়াবলৈ সক্ৰিয়ই দিয়াৰ লগতে ৰাজ্যবাসীক উপযুক্ত প্ৰাৰ্থীকহে ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে।

খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ ভিত্তিত শাসন ক্ষমতা পুনৰ প্ৰতিষ্ঠা কৰিবই লাগিব ঃ মতিউৰ ৰহমান

চাৰিগৰাকী নিৰ্দলীয় প্ৰাৰ্থীলৈ মহাসংঘৰ পূৰ্ণ সমৰ্থন

অসম বাৰ্তা, নামতি, ৪ এপ্ৰিল ঃ "বৃটিছে অসম এৰি যোৱাৰ ৭৯ বছৰৰ পিছতো অসমৰ প্ৰকৃত খিলঞ্জীয়া আৰু প্ৰকৃত ভাৰতীয় নাগৰিক সকলৰ উপযুক্ত ভাবে ক্ষমতা আৰু অধিকাৰ সমূহ সুবঁকিত নহ'ল। বিশেষভাবে এসময়ৰ শক্তিশালী শাসক জনগোষ্ঠী সমূহৰ হাতৰ পৰা শাসন ক্ষমতা অতি কৌশলেৰে কাঢ়ি নিয়াহে হৈছে। সেয়ে অসমৰ জাতি সংঘ অসম সন্মিলিত মহাসংঘই হাজাৰ বছৰীয়া খিলঞ্জীয়া জনগোষ্ঠী সমূহৰ হেৰোৱা শাসন ক্ষমতা আৰু আত্মনিয়ন্ত্ৰণৰ অধিকাৰ পুনৰ প্ৰতিষ্ঠাৰ বাবেই আইনী যুঁজ আৰু গণতান্ত্ৰিক সংগ্ৰাম চলাই আছে।" এই মন্তব্য মাতিছে ১৯৫২ চনত প্ৰথম অসম বিধান সভাৰ নিৰ্বাচন অনুষ্ঠিত হৈছিল। তাৰ পিছৰ পৰাই ক্ৰমান্বয়ে খিলঞ্জীয়া জনগোষ্ঠীৰ লোক বিধান সভাত কমি আহিছে। খিলঞ্জীয়া জনগোষ্ঠী সমূহেও এই ক্ষেত্ৰত যথেষ্ট ভুল কৰি আহিছে। অসমৰ বাহিৰে আন ৰাজ্যবোৰত সেই ৰাজ্যৰ খিলঞ্জীয়া জনগোষ্ঠী সমূহৰ হাততেই শাসন ক্ষমতা আছে। কেৱল অসমত খিলঞ্জীয়া জনগোষ্ঠী সমূহে শাসন ক্ষমতা হেৰুৱাই ছে কাৰণ বিদেশী-বহিৰাগতৰ ব্যাপক প্ৰাদুৰ্ভাৱ। এই ক্ষেত্ৰত প্ৰথম দায়ী ভাৰত চৰকাৰ আৰু অসমৰ ৰাজ্যিক চৰকাৰবোৰ। অসমৰ কংগ্ৰেছ, বিজেপি, অসম গণ পৰিষদ, চিপিএম, চিপিআই, এ আই ইউ ডি এফ, ৰাইজৰ দল, অসম জাতীয় পৰিষদ আদি সকলো ৰাজনৈতিক দলেই দেশৰ সংবিধান সন্মত বিদেশীৰ ভিত্তি বছৰ ১৯৫১ৰ বিৰোধিতা কৰি বাংলাদেশৰ স্বাধীনতা ঘোষণাৰ তাৰিখ ১৯৭১ চনৰ ২৫ মাৰ্চলৈকে প্ৰায় ৮০ লাখ অবৈধ বাঙালীভাষী হিন্দু-মুছলমান বিদেশী আৰু নেপালী বিদেশী বাখি নাগৰিকত্ব দি নাগৰিক পঞ্জীত নাম অন্তৰ্ভুক্ত কৰাৰ পক্ষত থকা বাবেইটো চিৰ দিনলৈ অসমৰ খিলঞ্জীয়া জনগোষ্ঠী সমূহে হাজাৰ বছৰীয়া শাসন ক্ষমতা হেৰুৱাবলগীয়া হৈছে। বৰ্তমান অসমত মুছলমান বিদেশীৰ ভিত্তি বছৰ ১৯৭১ আৰু হিন্দু বিদেশীৰ ভিত্তি বছৰ ২০২৪ চন। নাগৰিকত্ব সংশোধনী আইন (২০১৯)ৰ জৰিয়তেই অতি কৌশলেৰে হিন্দু বিদেশীক নাগৰিকত্ব দিয়াৰ বাবে পথ মুকলি কৰি ৰাখিছে। আজি অহা এগৰাকী হিন্দু বিদেশীয়ে নাগৰিকত্ব বিচাৰি আবেদন জনাই চৰকাৰক কলেই হ'ল যে তেওঁ ২০২৪ চনৰ আগতেই আহিছে, কেৱল ভয়তে নাগৰিকত্বৰ বাবে আবেদন জনোৱা নাছিল, তেতিয়াই লগে-লগেই তেওঁক ভাৰতীয় নাগৰিকত্ব দিয়া হ'ব এইয়াই বাস্তৱ সত্য। অসমত খিলঞ্জীয়াৰ ভিত্তি বছৰ লৈও নানা ধেমিলেমি কৰি অ-খিলঞ্জীয়া বিভিন্ন সম্প্ৰদায়ক খিলঞ্জীয়া বুলি অভিহিত কৰি আছে বিভিন্ন দল-সংগঠন আৰু বুদ্ধীজীৱিয়ে। আন্তঃৰাষ্ট্ৰীয় নীতি অনুসৰিয়েই অসমত খিলঞ্জীয়াৰ ভিত্তি বছৰ ১৮২৬। ৰাষ্ট্ৰসংঘ খিলঞ্জীয়া লোকৰ অধিকাৰ চনদৰ ৩ আৰু ৪ নং অনুচ্ছেদৰ আধাবত আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ ভিত্তিত অসমত খিলঞ্জীয়া জনগোষ্ঠী সমূহৰ এখন শক্তিশালী ফেডাৰেল চৰকাৰ প্ৰতিষ্ঠা কৰিবলৈকে মহাসংঘই খিলঞ্জীয়া জনগোষ্ঠী সমূহক জাগ্ৰত কৰাৰ বাবে চেষ্টা কৰি আছে। কিন্তু উল্লিখিত সকলো ৰাজনৈতিক দলেই ইয়াৰ বিৰোধিতা কৰি আহিছে। সেয়ে অসমৰ খিলঞ্জীয়া জনগোষ্ঠী সমূহৰ আৰু ১৯৫১ৰ ভিত্তিত প্ৰকৃত ভাৰতীয় নাগৰিক সকলৰ সুৰক্ষাৰ প্ৰশ্নটো প্ৰথম আৰু জৰুৰী বিষয় ৰূপে বিবেচিত হোৱা উচিত আছিল। অসম সন্মিলিত মহাসংঘই দেশৰ সংবিধান সন্মত ১৯৫১ৰ ভিত্তি কাৰ্যকৰী কৰিবলৈকে ছুপ্ৰিম কৰ্টত আইনী যুঁজ আৰু আন্তঃৰাষ্ট্ৰীয় নীতি অনুসৰি খিলঞ্জীয়াৰ ভিত্তি বছৰ ১৮২৬ প্ৰয়োগ কৰিবলৈ আৰু আত্মনিয়ন্ত্ৰণৰ অধিকাৰ প্ৰতিষ্ঠা কৰাৰ বাবে চলাই থকা গণতান্ত্ৰিক সংগ্ৰাম আৰু ৰাষ্ট্ৰসংঘৰ পৰা সহায় বিচৰি আন্দোলন জনাই চলাই থকা ব্যৱস্থাৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাইছে অসমৰ শিৱসাগৰ, গোলাঘাট, মাকুম আৰু চিচি বৰগাঁৱৰ পৰা এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা নিৰ্দলীয় প্ৰাৰ্থীয়ে। সেয়ে মহাসংঘই শিৱসাগৰ সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী ড° ভবেন্দ্ৰ নাথ মহন, গোলাঘাট সমষ্টিৰ ৰুবুল বৰা, মাকুম সমষ্টিৰ পদ্মকান্ত চুতীয়া আৰু চিচি বৰগাঁৱ সমষ্টিৰ প্ৰাঞ্জল বৰাকৈ পূৰ্ণ সমৰ্থন জনাইছে। আৰু হেৰোৱা অধিকাৰ আৰু শাসন ক্ষমতা পুনৰ প্ৰতিষ্ঠাৰ বাবেই এই চাৰিগৰাকী নিৰ্দলীয় প্ৰাৰ্থীক ভোট দি জয়যুক্ত কৰিবলৈ বাইজক সবিনয়ে কৰবোৰে অনুৰোধ জনাইছে। লগতে অসমৰ বিভিন্ন সমষ্টিত এই নিৰ্বাচনত নিৰ্দলীয় প্ৰাৰ্থী ৰূপে প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীয়ে যদি এই চাৰি জনৰ দৰেই অসমৰ সুৰক্ষাৰ স্বাৰ্থত উল্লিখিত বিষয়ৰ সপক্ষে থিয় দিয়ে তেন্তে তেওঁলোকৰ পক্ষেও ভোট দান কৰিবলৈ খিলঞ্জীয়া জনগোষ্ঠী সমূহক আৰু প্ৰকৃত ভাৰতীয় নাগৰিক সকলক মহাসংঘই সবিনয়ে অনুৰোধ জনাইছে। আজি চিংফৌ, দেউৰী, ৰাভা আদি অসংখ্য খিলঞ্জীয়া জনগোষ্ঠীৰ ৰাজনৈতিক প্ৰতিনিধি নাই। কিন্তু বিদেশী মূলৰ আৰু বহিৰাগতৰ যথেষ্ট ৰাজনৈতিক প্ৰতিনিধি আছে। অসমৰ হাজাৰ বছৰীয়া খিলঞ্জীয়া জনগোষ্ঠী সমূহৰ গৃহভূমি তথা উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা নিজস্ব ভূ-খণ্ডৰ শাসন ক্ষমতা আৰু ভূ-সম্পদৰ অধিকাৰ সুৰক্ষিত কৰাটো খিলঞ্জীয়া জনগোষ্ঠী সমূহৰ অতিশয় জৰুৰী দায়িত্ব আৰু কৰ্তব্য বুলিয়েই বিবেচিত হয়। এই দায়িত্ব আৰু কৰ্তব্য অবহেলা কৰিলে তাহানিৰ খিলঞ্জীয়া বজ-মহাবজা, মহাবীৰ লাচিত বৰফুকন, বীৰাঙ্গনা মুলাগাভৰু আদিয়ে কেতিয়াও ক্ষমা নকৰে। অত্যাচাৰশাকীয় সামন্তী আৰু ঔষধৰ উচ্চ মূল্যবৃদ্ধি, জঘণ্য সাম্প্ৰদায়িকতা আৰু জাতি বেবাৰ মাজত ঘৃণা বিয়পোৱা, ৰাইজক ধাৰত পুতি চৰকাৰ চলোৱা, ২৫ হাজাৰ অসমীয়া মাধ্যমৰ বিদ্যালয় বন্ধ কৰা, অসমীয়াই যাতে অসমত উচ্চ পদস্থ বিষয়া হ'ব নোৱাৰে তাৰ বাবেই অসমীয়া প্ৰশ্ন কাকত এ পি এছ চিব পৰা বাতিল কৰা, ১ হাজাৰ গুণ মাটিৰ খাজনা বৃদ্ধি কৰি ৰাইজক মাধ্যমৰ সোধাই থকা, থলুৱা সামগ্ৰীৰ ভিত্তিত উদ্যোগ স্থাপন নকৰা, নিবনুৱাৰ সংস্থাপনৰ ব্যৱস্থা নকৰি হিতাধিকাৰী তথা গোলাম সৃষ্টি কৰা এই জনগণ বিৰোধী চৰকাৰৰ বিৰুদ্ধে বাইজে মাৰ বান্ধি থিয় দিব নোৱাৰিলে অসমৰ ধ্বংস নিশ্চিত। আজি তেল নগৰী নাজিৰাত নাজিৰা সাংবাদিক মঞ্চৰ কাৰ্যালয়ত অনুষ্ঠিত কৰা মহাসংঘৰ জৰুৰী সংবাদমেলত মহাসংঘৰ সুৰক্ষা পৰিষদৰ সভাপতি মতিউৰ ৰহমান, মহা সচিব ডাঃ হেমন্ত গগৈয়ে এই কথা ৰাজহুৱা কৰে।

নলবাৰীত নতুনকৈ মুকলি 'সাধনা ডান্স একাডেমী'

অসম বাৰ্তা, নলবাৰী, ৪ এপ্ৰিল ঃ নলবাৰী জিলাৰ বৰকুৱা অঞ্চলত আজি এক আনন্দমুখৰ পৰিৱেশত নতুনকৈ মুকলি কৰা হ'ল "সাধনা ডান্স একাডেমী"নামৰ এখন নৃত্য শিক্ষাৰ প্ৰতিষ্ঠান। বহুদিন ধৰি অঞ্চলবাসীয়ে এখন সু-সংগঠিত আৰু গুণগত মানৰ নৃত্য একাডেমীৰ অভাৱ অনুভৱ কৰি আহিছিল। বিশেষকৈ উঠতি প্ৰজন্মৰ মাজত নৃত্যৰ প্ৰতি আগ্ৰহ বৃদ্ধি পাই অভাৱ পিছতো উপযুক্ত প্ৰশিক্ষণৰ ব্যৱস্থা নথকাৰ বাবে বহু প্ৰতিভা বিকাশৰ পৰা বঞ্চিত হৈ আছিল। এই পৰিপ্ৰেক্ষিতত "সাধনা ডান্স একাডেমী"ৰ স্থাপনাই অঞ্চলটোৰ সাংস্কৃতিক ক্ষেত্ৰত এক নতুন দিশ উন্মোচন কৰিছে। আজিৰ উদ্বোধনী অনুষ্ঠানটো যথেষ্ট আকৰ্ষণীয় আৰু সুসংগঠিতভাৱে সম্পন্ন হয়। একাডেমীখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিশিষ্ট নৃত্যাচাৰ্য সনাতন বৈশ্য আৰু সাংস্কৃতিক ক্ষেত্ৰৰ পৰিচিত ব্যক্তি শক্তি প্ৰসাদ ডেকাই। তেওঁলোকৰ ভাষণত অসমৰ চিৰচেনা নৃত্য-সংস্কৃতি সংৰক্ষণ আৰু নতুন প্ৰজন্মক ইয়াৰ সৈতে জড়িত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। উদ্বোধনী অনুষ্ঠানৰ অন্যতম আকৰ্ষণ আছিল মনোমোহা নৃত্য প্ৰদৰ্শন। বিশিষ্ট নৃত্যাচাৰ্য শিখাৰাণী ডেকা আৰু প্ৰতিভাশালী শিল্পী ধৰিত্ৰী নাথে সুন্দৰ নৃত্য পৰিৱেশন কৰি উপস্থিত দৰ্শকৰ প্ৰশংসা অৰ্জন কৰে। তেওঁলোকৰ প্ৰদৰ্শনে অনুষ্ঠানটোক অধিক জীৱন্ত কৰি তোলে আৰু উপস্থিত বাইজক এক মনোমুগ্ধকৰ সাংস্কৃতিক অনুভৱ প্ৰদান কৰে। এই অনুষ্ঠানত অঞ্চলটোৰ বহু গণ্যমান্য ব্যক্তি, অভিভাৱক, শিক্ষাৰ্থী আৰু সংস্কৃতিপ্ৰেমী বাইজৰ উপস্থিতিয়ে অনুষ্ঠানটোক অধিক গাম্ভীৰ্য আৰু মৰ্যাদা প্ৰদান কৰে। সকলোৰে মাজত নতুন প্ৰশিক্ষণ শিবিৰটোলৈ লৈ যথেষ্ট আশাবাদ আৰু উৎসাহ লক্ষ্য কৰা যায়। একাডেমীৰ পৰিচালন সঞ্চালক মন্তু শৰ্মাই সংবাদ মাধ্যমক জনোৱা মতে, "সাধনা ডান্স একাডেমী"ৰ মুখ্য লক্ষ্য হৈছে উঠতি প্ৰজন্মক সু-ব্যৱস্থাপিত আৰু মানসম্পন্ন নৃত্য শিক্ষা প্ৰদান কৰা। তেওঁ লগতে কয় যে, একাডেমীখনত প্ৰতি সপ্তাহৰ শনিবাৰে আবেলি ৪ বজাৰ পৰা ৬বজালৈ নিয়মীয়াকৈ নৃত্যৰ প্ৰশিক্ষণ দিয়া হ'ব। ইয়াত অসমৰ পৰম্পৰাগত সত্ৰীয়া নৃত্যৰ লগতে আধুনিক নৃত্য আৰু বিভিন্ন লোকনৃত্যৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি পাঠদান কৰা হ'ব। তেওঁ আৰু উল্লেখ কৰে যে, আগন্তুক দিনত এই একাডেমীৰ জৰিয়তে স্থানীয় প্ৰতিভাসমূহক ৰাজ্য আৰু ৰাষ্ট্ৰীয় পৰ্যায়লৈ আগবঢ়াই নিয়াৰ লক্ষ্য লোৱা হৈছে। একাডেমীখনক কেৱল নৃত্যৰ প্ৰশিক্ষণ কেন্দ্ৰ হিচাপে নহয়, বৰঞ্চ এক সম্পূৰ্ণ সাংস্কৃতিক বিকাশৰ মঞ্চ হিচাপে গঢ়ি তোলাৰ পৰিকল্পনা কৰা হৈছে। উল্লেখযোগ্য যে, ববকুৱা তথা পাৰ্শ্ববৰ্তী অঞ্চলত এনে ধৰণৰ নৃত্য একাডেমীৰ অভাৱ বহুদিন ধৰি অনুভৱ কৰা হৈছিল। "সাধনা ডান্স একাডেমী"ৰ স্থাপনাই সেই অভাৱ পূৰণ কৰাৰ লগতে স্থানীয় যুৱপ্ৰজন্মৰ মাজত সৃজিশীলতা আৰু সাংস্কৃতিক চেতনাৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। স্থানীয় বাইজে এই উদ্যোগটোক আন্তৰিকভাৱে স্বাগতম জনাই কয় যে, এই একাডেমীখন আগন্তুক দিনত বহু প্ৰতিভা উন্মোচনৰ ক্ষেত্ৰ হিচাপে পৰিগণিত হ'ব আৰু নলবাৰীৰ সাংস্কৃতিক পৰিচয়ক অধিক সমৃদ্ধ কৰি তুলিব।

তিনি শতাধিকৰ অগপ দলত যোগদান

কলিয়াবৰত মন্ত্ৰী কেশৰ মহন্তৰ মাৰাথন প্ৰচাৰ

অসম বাৰ্তা, ৰূপহীহাট, ৪ এপ্ৰিল ঃ আজি মন্ত্ৰী কেশৰ মহন্তই পূৰ্বৰ চামগুৰি সমষ্টিৰ আৰু বৰ্তমান কলিয়াবৰ সমষ্টিৰ উত্তৰ ভোমোৰাগুৰি, টুবুকীজাৰণী, উত্তৰ ভেলগুৰি, মহবৰ আলী, দেৱালত, ভুৰবন্ধা, শাক পালা, হাৰিভাংগা, নিজ লাওখোৱা আৰু ধনেখোৱাত ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলায়। মন্ত্ৰী গৰাকীয়ে প্ৰতিটো নিৰ্বাচনী সভাত নিজৰ ভাষণত কয় যে বাইজৰ এই স্নেহ, মৰম আৰু আস্থাই মোক সদায় অনুপ্ৰাণিত কৰি আছিছে। উন্নত, সুসংগঠিত আৰু বিকশিত সমষ্টি হিচাপে সৰ্বশ্ৰেষ্ঠ কলিয়াবৰ গঢ়ি তোলাৰ লক্ষ্যৰে পুনৰবাৰ জনতা জনাৰ্দনৰ আশীৰ্বাদ আৰু সমৰ্থন কামনা কৰে মন্ত্ৰী গৰাকীয়ে। মন্ত্ৰী কেশৰ মহন্তৰ মাৰাথন প্ৰচাৰত কংগ্ৰেছ দলৰ পৰা প্ৰায় তিনি শতাধিক নেতা কৰ্মী কংগ্ৰেছ দল ত্যাগ কৰি অগপ দলত যোগদান কৰে। অগপ দলত যোগদান কৰা সকলক মন্ত্ৰী কেশৰ মহন্তই অগপ দলৰ টুপি আৰু গামোচাৰে আদৰি লয়।

ইউ.এম.আৰ.চি ভিশনাৰী ফাউণ্ডেচনৰ বৰ্ষপূতি অনুষ্ঠানৰ সফল সামৰণি

অসম বাৰ্তা, উত্তৰ শালমাৰা, ৪ এপ্ৰিল ঃ সমাজসেৱাৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়াই অহা ইউ.এম.আৰ.চি ভিশনাৰী ফাউণ্ডেচনৰ বৰ্ষপূতি অনুষ্ঠান এইবাৰ অতি ধুমধামেৰে আৰু সফলভাৱে অনুষ্ঠিত হয়। ভাৰত চৰকাৰৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত এই ফাউণ্ডেচনটোৰ উদ্যোগত অভয়াপুৰীৰ জ্যোতি সাংস্কৃতিক অনুষ্ঠান প্ৰাঙ্গণত দিনজোৰা বিভিন্ন কাৰ্যসূচীৰ মাজেৰে অনুষ্ঠানটো আয়োজন কৰা হয়। অনুষ্ঠানটোৰ আৰম্ভণিত পূবা পৰ্বত পৰিৱেশ সুৰক্ষাৰ উদ্দেশ্যে গছপুলি ৰোপণ আৰু বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত বহু স্থানীয় বাসিন্দা, স্বেচ্ছাসেৱক আৰু ফাউণ্ডেচনৰ সদস্যসকলে সক্ৰিয় অংশগ্ৰহণ কৰি পৰিৱেশ সংৰক্ষণৰ বাৰ্তা প্ৰসাৰ কৰে। সন্ধিয়া পৰ্বত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়, যাতে নৃত্য, গীত, আবৃত্তি আদি মনোমোহা কাৰ্যসূচীয়ে উপস্থিত দৰ্শকসকলক মুগ্ধ কৰি তোলে। লগতে সমাজৰ বিভিন্ন ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱা ব্যক্তিসকলক সম্বৰ্ধনা জনোৱা হয়। আমন্ত্ৰিত অতিথিসকলৰ প্ৰেৰণাদায়ক ভাষণে অনুষ্ঠানটোক এক বিশেষ মৰ্যাদা প্ৰদান কৰে আৰু উপস্থিত সকলোকে সমাজসেৱাৰ প্ৰতি অধিক উৎসাহিত কৰে। এই বৰ্ষপূতি অনুষ্ঠানৰ অন্যতম আকৰ্ষণ আছিল বঁটা বিতৰণ পৰ্ব। উক্ত অনুষ্ঠানত ড° ছিৰখাত ৰুছেইনক "আদৰ্শ শিক্ষক বঁটা", কৃষ্টিশিখা অধিকাৰী আৰু প্ৰেৰণা কাশ্যপক "যুৱ সংগীত প্ৰতিভা বঁটা", কনকনা দেৱশৰ্মাক "উদীয়মান নৃত্য শিল্পী বঁটা", পূৰ্ন কলিতাক "শ্ৰেষ্ঠ শিক্ষক বঁটা", তৃষ্ণা হাজৰিকা আৰু অৰবিন্দ অধিকাৰীক "সাহিত্য উৎকৰ্ষ বঁটা" আৰু ৰাখিকা মোহন দাসক "আবৃত্তি উৎকৰ্ষ বঁটা" প্ৰদান কৰা হয়। এই বঁটাসমূহ ফাউণ্ডেচনটোৰ সঞ্চালিকা ৰুণিমা ছেত্ৰী আৰু সঞ্চালক উত্তম কুমাৰ মণ্ডলে প্ৰদান কৰে। বঁটা প্ৰাপকসকলে নিজৰ অনুভৱ প্ৰকাশ কৰি ফাউণ্ডেচনটোৰ এনে উদ্যোগক উচ্চ প্ৰশংসা কৰে আৰু আগন্তুক দিনত সমাজৰ বাবে অধিক কাম কৰি যোৱাৰ অঙ্গীকাৰ কৰে। সামগ্ৰিকভাৱে, এই বৰ্ষপূতি অনুষ্ঠানটোয

❑ বিধায়ক বলিন চেতিয়া তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন ❑

বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী জগদীশ ভূঞাই ক্ৰমাৎ শক্তিশালী কৰিছে নিজৰ স্থিতি

আকৰ্ষণীয় হৈ উঠিছে শদিয়া বিধানসভা সমষ্টিৰ নিৰ্বাচনী যুঁজ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৪ এপ্ৰিল ঃ অহা ৯ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া অসম বিধানসভাৰ নিৰ্বাচনত ৮১ নং শদিয়া বিধানসভা সমষ্টিৰ নিৰ্বাচনী যুঁজখন ক্ৰমাৎ আকৰ্ষণীয় হৈ উঠিছে। এইবাৰ সমষ্টিটোত শাসকীয় বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা বৰ্তমানৰ বিধায়ক বলিন চেতিয়া আৰু বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী অসম জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক তথা সমষ্টিটোৰ প্ৰাক্তন বিধায়ক, মন্ত্ৰী জগদীশ ভূঞাৰ মাজতে মূল যুঁজখন সীমাবদ্ধ থাকিব। অৱশ্যে সমষ্টিটোত তিনিগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়েও প্ৰতিদ্বন্দ্বি বিতা আগবঢ়াইছে। উল্লেখযোগ্য যে সমষ্টি পুনৰ নিৰ্বাচণৰ পাছত এইবাৰ প্ৰথমবাৰৰ বাবে বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। এইবাৰ সমষ্টিটোত মুঠ ২০১৫১২ গৰাকী ভোটাৰে ২৬৮টা ভোট গ্ৰহণ কেন্দ্ৰত ভোটদান কৰি পাঁচগৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। মুঠ ভোটাৰৰ ১০১১২২ গৰাকী পুৰুষ, ১০০৩৮৬ গৰাকী মহিলা আৰু ৪ গৰাকী তৃতীয় লিংগৰ ভোটাৰ। নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে সমষ্টিটোত শাসক আৰু বিৰোধী দুয়োটা পক্ষৰে নিৰ্বাচনী প্ৰচাৰ তীব্ৰ গতিত আগবঢ়া পৰিলক্ষিত হৈছে। সমষ্টিটোত একেৰাহে চাৰিটা কাৰ্যকালৰ বিধায়ক তথা বিজেপি দলৰ প্ৰাৰ্থী বলিন চেতিয়া প্ৰতিষ্ঠান বিৰোধী ঢৌত আক্ৰান্ত হৈছে যদিও অৰুনোদয়কে আদি কৰি ৰাজ্য চৰকাৰৰ বিভিন্ন হিতাধিকাৰী আঁচনিয়ে তেওঁক এইবাৰো নিৰ্বাচনী বৈতৰণী পাৰ কৰাব বুলি আশা কৰা হৈছে। সু-সংগঠিত দল বিজেপিৰ নেতা কৰ্মীয়ে বহুদিনৰ আগৰে পৰা তৃণমূল পৰ্যায়ৰ পৰা ওপৰলৈকে দলটো সংগঠিত কৰি অহাৰ লগতে ভোটাৰ সকলকো সজাগ কৰি অহা দেখা গৈছে। দলৰ বুথ কমিটিসমূহেও অহৰহ ভোটাৰসকলৰ সৈতে যোগাযোগ ৰক্ষা কৰি অহাৰ লগতে সমষ্টিটোত ব্যাপক হাৰত পষ্টাৰিং কৰাৰ উপৰিও প্ৰাৰ্থীগৰাকীয়েও দিনে নিশাই প্ৰচাৰত নামি পৰা দেখা গৈছে। ইফালে বলিন চেতিয়া কুৰি বছৰে বিধায়ক হৈ থকাৰ পাছতো সমষ্টিটোৰ বাটপথ, শিক্ষা, স্বাস্থ্য, খোৱাপানীৰ ব্যৱস্থা, জলসিঞ্চনকে আদি কৰি সমস্যাসমূহ সমাধান কৰিব নোৱাৰা আৰু বিধান সভাত সমষ্টিটোৰ সমস্যাৰ বিষয়ে মাত মাতিব নোৱাৰাটো জেন জি ভোটাৰৰ মাজত সৰৱ আলোচনা হোৱা শুনিবলৈ পোৱা গৈছে। বিশেষকৈ সমষ্টিটোৰ বহুতো ভিতৰুৱা অঞ্চলত উন্নয়নৰ কোনো প্ৰভাৱ দেখিবলৈ নোপোৱাৰো অভিযোগ উত্থাপিত হৈছে। তদুপৰি সমষ্টিটোত ন-বিজেপি আৰু পূৰ্বৰ বিজেপিৰ মাজত থকা সংঘাত স্পষ্ট ৰূপত প্ৰকাশ পাইছে। নিৰ্বাচনটোত নীৰৱ ভূমিকা গ্ৰহণ কৰা পূৰ্বৰ বিজেপিয়ে গোপনে চিপাং হাতত তুলি লোৱাৰ সম্ভাৱনাও নুই কৰিব নোৱাৰি। ইপিনে এইবাৰ বিজেপিয়ে অসমৰ কেইবাটাও জনগোষ্ঠীৰ এজনকো প্ৰাৰ্থীত্ব প্ৰদান নকৰাত সেই সমূহ জনগোষ্ঠীৰ ৰাইজ বিজেপিৰ প্ৰতি নাৰাজ। বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বলিন চেতিয়াৰ সমান্তৰালকৈ বিৰোধী মিত্ৰজোঁটৰ উমেহতীয়া প্ৰাৰ্থী, অসম জাতীয় পৰিষদ দলৰ জগদীশ ভূঞাই দিনে-নিশাই সমষ্টিটোৰ চুকে কোনে ব্যাপক ৰূপত নিৰ্বাচনী প্ৰচাৰ চলাই বলীন চেতিয়াৰ সম্মুখত শক্তিশালী প্ৰত্যাহ্বান স্বৰূপে ঠিয় দিয়া দেখিবলৈ পোৱা গৈছে। শদিয়া বিধানসভা সমষ্টিত এইবাৰ তিনিগৰাকী নিৰ্দলীয় প্ৰাৰ্থীসহ মুঠ পাঁচগৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে যদিও মূল যুঁজখন যে বলিন চেতিয়া আৰু জগদীশ ভূঞাৰ মাজতেই সীমাবদ্ধ থাকিব সেয়া স্পষ্ট হৈ পৰিছে। আমায়িক আৰু সাৱলীল কণ্ঠৰ জগদীশ ভূঞাই অসম গণ পৰিষদৰ দলৰ পৰা ১৯৯৬ আৰু ২০০১ চনত দুবাৰকৈ সমষ্টিটোক প্ৰতিনিধিত্ব কৰাৰ লগতে অসম গণ পৰিষদ চৰকাৰৰ মন্ত্ৰী ৰূপেও কাৰ্যনিৰ্বাহ কৰাৰ সময়ৰ কামকাজ আৰু গণসংযোগক সমল হিচাপে লৈ প্ৰচাৰ কাৰ্য চলাই যথেষ্ট আগবাঢ়ি যোৱা পৰিলক্ষিত হৈছে। তদুপৰি ধলা-শদিয়া সংযোগী দলঙৰ দাবী তেওঁৰেই প্ৰথম উত্থাপন কৰিছিল। সেই কথা দলংখনৰ উদ্বোধনী অনুষ্ঠানত খোদ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰি থৈ গৈছে। ২০২১ চনৰ বিধানসভা নিৰ্বাচনত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী জগদীশ ভূঞাই ২৯, ৪৮৯টা ভোট লাভ কৰি তৃতীয় স্থানত আছিল। সেইবাৰ কংগ্ৰেছৰ লখিন চন্দ্ৰ চেতিয়াই ৪২, ৭৭২টা ভোট লাভ কৰাৰ বিপৰীতে বিজেপিৰ বলিন চেতিয়াই ৬৪, ৮৫৫টা ভোট লাভ কৰি সহজ বিজয় সাৰাজ কৰিছিল। বিগত প্ৰতিটো নিৰ্বাচনতে এই দুই প্ৰতিদ্বন্দ্বী সমুখ সমৰত অৱতীৰ্ণ হৈ আহিছে যদিও একমাত্ৰ বিৰোধীৰ ভোট বিভাজনৰ সুবিধা লৈ বলিন চেতিয়া বিজয়ী হৈ আহিছে। কিন্তু, এইবাৰ জগদীশ ভূঞাই বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচনত অৱতীৰ্ণ হোৱাত কংগ্ৰেছ, বাইজৰ দল আৰু বাঁওপন্থী চিপিআই(এম) দলৰো সমৰ্থন লাভ কৰিছে। ফলত এইবাৰ বিৰোধীৰ ভোট বিভাজনৰ সম্ভাৱনা হ্ৰাস পোৱাত বলিন চেতিয়াৰ দিছপুৰ যাত্ৰা মুঠেই সহজ নহয় বুলি ৰাজনৈতিক পৰ্যবেক্ষক মহলে মন্তব্য কৰিছে। কংগ্ৰেছকে ধৰি আন সহযোগী দলসমূহেও পৰিবৰ্তন বিচাৰি বিৰোধীৰ প্ৰাৰ্থীগৰাকীৰ সৈতে প্ৰচাৰ কাৰ্যত পূৰ্ণ সহযোগ কৰিছে। এই পৰ্যন্ত দুয়োগৰাকী প্ৰাৰ্থী সমানে সমানে আগবাঢ়িছে যদিও শেষ হাঁহি কোনে মাৰিব সেইয়া জানিবলৈ নিৰ্বাচনৰ ফলাফল ঘোষণাৰ দিনটোলৈ অপেক্ষা কৰিব লাগিব।

বিজেপিৰ নিৰ্বাচনী কাৰ্যালয়ৰ দলীয় কাপোৰ ছিঙি জ্বলাই দিয়াক লৈ চাঞ্চল্যৰ

চামগুৰিত পেনাইত নিৰ্বাচনী হিংসা

অসম বাৰ্তা, ৰূপহীহাট, ৪ এপ্ৰিল ঃ চামগুৰিত পুনৰ নিৰ্বাচনী হিংসাৰ ঘটনা সংঘটিত হোৱাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। যাৰ বাবে চামগুৰিত পুনৰ উত্তপ্ত হৈ পৰিছে নিৰ্বাচনী পৰিস্থিতি। বিজেপিৰ অভিযোগ অনুসৰি যোৱানিশা পেনাই স্থিত তেওঁলোকৰ নিৰ্বাচনী প্ৰচাৰ কাৰ্যালয়ত কংগ্ৰেছ কৰ্মীয়ে অগ্নি সংযোগ কৰিছে। নিশা আন্ধাৰৰ সুযোগ লৈ বিজেপি দলৰ নিৰ্বাচনী কাৰ্যালয়ৰ বেনাৰ-পোষ্টাৰ, আৰু দলীয় প্ৰতীকৰ কাপোৰ ছিঙি অগ্নিসংযোগ কৰি জ্বলাই দিছিল। উল্লেখযোগ্য যে, কেই দিনমান পূৰ্বে পেনাইত কংগ্ৰেছৰ একাংশ কৰ্মীয়ে বিজেপি কৰ্মীসকলক আক্ৰমণ কৰাৰ ফলত ৪জন লোক আহত হৈছিল। সেই ঘটনাৰ প্ৰতিক্ৰিয়া শেষ নহওঁতেই পুনৰ অগ্নি সংযোগ কৰাৰ ঘটনাই অঞ্চলটোত চাঞ্চল্য সৃষ্টি কৰিছে। বিজেপি প্ৰাৰ্থী অনিল শইকীয়াৰ সমষ্টিটোত উত্থানত কংগ্ৰেছ দল শংকিত হৈ এনেধৰণৰ দুষ্কাৰ্য সংঘটিত কৰা ৰ সন্দেহ কৰা হৈছে। ঘটনাস্থলীত খাটোৱাল আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।

বঢ়মপুৰত ঘৰৰ পৰা ভোটদান প্ৰক্ৰিয়াত উপস্থিত সাধাৰণ পৰ্যবেক্ষক

অসম বাৰ্তা, পুৰণিগুদাম, ৪ এপ্ৰিল ঃ নগাঁও জিলাত আজি দ্বিতীয় দিনাও বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণকাৰী দলৰ দ্বাৰা ঘৰে ঘৰে গৈ ভোটগ্ৰহণ কৰা প্ৰক্ৰিয়া অব্যাহত আছে। আজি বঢ়মপুৰ বিধানসভা সমষ্টিত এই প্ৰক্ৰিয়া সাধাৰণ পৰ্যবেক্ষকেও পৰ্যবেক্ষণ কৰে। সমষ্টিটোৰ বাবে নিৰ্বাচন আয়োগৰ দ্বাৰা নিয়োজিত সাধাৰণ পৰ্যবেক্ষক শিৱপ্ৰসাদ আইয়ে নিজ কঠীয়াতলি গাঁও পঞ্চায়তৰ অন্তৰ্গত ১৭১ নং ভোটগ্ৰহণ কেন্দ্ৰৰ ভোটাৰ ৮৭ বছৰীয়া ৰেণুবালা মণ্ডলৰ ঘৰত গৈ উপস্থিত হয় আৰু সমগ্ৰ প্ৰক্ৰিয়াটো পৰ্যবেক্ষণ কৰে। তেওঁ ভোটগ্ৰহণকাৰী দলক এইক্ষেত্ৰত কিছু প্ৰয়োজনীয় দিহা-পৰামৰ্শ ও আগবঢ়ায়। ইয়াৰ উপৰিও তেওঁ কেবাটাও ভোটগ্ৰহণ কেন্দ্ৰও পৰিদৰ্শন কৰি শেহতীয়া অৱস্থা বুজ লয়। উল্লেখযোগ্য যে, নিৰ্বাচন আয়োগৰ নিৰ্দেশক্ৰমে নগাঁও জিলাৰ ঘৰৰ পৰা ভোটদান কৰিবলৈ আগ্ৰহী হোৱা দিব্যাঙ্গ আৰু ৮৫ বছৰৰ উৰ্ধৰ ব্যক্তিসকলৰ ভোট বেলট কাকত যোগে তেওঁৰ ঘৰৰ পৰাই সংগ্ৰহ কৰাৰ বাবে কালিৰে পৰা অভিযান আৰম্ভ কৰা হৈছে।

বাঁহজানীত অশোক শৰ্মাৰ সমৰ্থনত চি পি আই (এম)ৰ সভাত বাওঁপন্থী নেতা ৰবীন মিশ্ৰ

ভোট কৰ্তনৰ জবাব আগন্তুক নিৰ্বাচনত দিয়ক

অসম বাৰ্তা, বাঁহজানী, ৪ এপ্ৰিল ঃ বাওঁপন্থী দল চি পি আই (এম) দীৰ্ঘদিন ধৰি ৰাইজৰ অধিকাৰৰ বাবে সংগ্ৰাম কৰি আহিছে। এইবাৰৰ বিধানসভা নিৰ্বাচন অতি গুৰুত্বপূৰ্ণ। কোনো প্ৰলোভনত বিচলিত নহয় সঠিক সিদ্ধান্ত লব লাগিব। চি পি আই (এম) দলে কংগ্ৰেছ দলক সমৰ্থন কৰিছো একমাত্ৰ সাম্প্ৰদায়িক শক্তি আৰু বিভাজনকাৰী শক্তিক প্ৰতিহত কৰা আৰু গৌৰৱ গগৈৰ দৰে ব্যক্তিত্বশালী নেতাক বিৰোধী ঐক্যমঞ্চৰ হৈ আগবঢ়াই নিয়াৰ বাবেই। এতিয়া অসমত চলিছে মিএগা মিএগা। এয়া নিৰ্বাচন জয়লাভ কৰাৰ বিজেপিৰ এক কৌশলহে। ইয়াৰ বিপৰীতে নলবাৰীৰ ৰবক্ষেত্ৰী সমষ্টিৰ বিজেপি প্ৰাৰ্থী নাৰায়ণ ডেকাই আকৌ মিএগৰ ওচৰত ভোট ভিক্ষা কৰি আহিছে। এয়াই হৈছে সাম্প্ৰতিক ৰাজনীতি। এফালে কয় মিএগৰ ভোট নালাগে, আনফালে কয় মিএগৰ ভোট লাগে। ৰাইজে উপলব্ধি কৰিবৰ সময় হৈছে। অৰুণোদয়ৰ ১২৫০ টকাৰ বাবদত ৰাইজ প্ৰলোভিত নহৈ নিজৰ অধিকাৰ সাব্যস্ত কৰোঁতে চিন্তা কৰিব। আঁচনি দিছে আমাৰ ৰাইজৰ কৰ কাটলৰ ধনেৰেই। তদুপৰি বিগত দিনত ভোট কৰ্তনেৰে সংখ্যালঘু ৰাইজক যি মানসিক শাস্তি দিছে তাৰ জবাব অহা ৯ এপ্ৰিলত নলবাৰী সমষ্টিৰ কংগ্ৰেছ ঐক্যমঞ্চৰ প্ৰাৰ্থী অশোক কুমাৰ শৰ্মাক হাতৰ ছবিত ভোট দি জয়ী কৰাব লাগিব। আজি সন্ধিয়া নলবাৰীৰ বাঁহজানীৰ চাদনকুঁৰি মৰনৈপাৰত চি পি আই এম দলে ঐক্যমঞ্চৰ বিৰোধী প্ৰাৰ্থী অশোক কুমাৰ শৰ্মাৰ সমৰ্থনত আয়োজিত নিৰ্বাচনী সভাত এই মন্তব্য কৰে বিশিষ্ট বাওঁপন্থী নেতা ৰবীন মিশ্ৰই। বাওঁপন্থী নেতা প্ৰদীপ ৰাজবংশীৰ সভাপতিত্বত হোৱা আৰু যুৱ নেতা মনোনাৰ ঘছেইনে আঁত ধৰা সভাত বাওঁপন্থী নেতা কৰুণা কলিতই ভাষণত কয় যে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ প্ৰলোভনত হাবুডবু খাই নিজক পাহৰি যোৱা উচিত নহয়। এই বিজেপি চৰকাৰে জুবিনৰ ন্যায়ৰ কথা কৈ এতিয়া পাভলুটি মাৰিছে। এনে মিছলিয়া ৰাজনীতিক এইবাৰ নিৰ্বাচনত ৰাইজক প্ৰত্যাখ্যান কৰাৰ আহ্বান জনায়। শতাধিক ৰাইজ উপস্থিত থকা সভাত জনজাতীয় নেতা প্ৰবীণ স্বৰ্গীয়াৰী, অনিল মহন্ত আদিয়ে ভাষণ দিয়ে।

ৰঙিয়াত বিশাল পদযাত্ৰাৰে শক্তি প্ৰদৰ্শন প্ৰাণজিৎ চৌধুৰীৰ

অসম বাৰ্তা, ৰঙিয়া, ৪ এপ্ৰিল ঃ নিৰ্বাচনলৈ মাজত মাত্ৰ কেইটামান দিন বাকী থকাৰ মাজতে বৃহস্পতিবাৰে ৰঙিয়াত কংগ্ৰেছ তথা বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থী প্ৰাণজিৎ চৌধুৰীৰ সমৰ্থনত সন্ধিয়া ওলাই আহে সহস্ৰাধিক সমৰ্থক। কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক শচীন পাইলট। সংবাদ মাধ্যমক সম্বোধন কৰি পাইলটে কয় যে বিজেপিৰ অহংকাৰৰ প্ৰতি উচিত প্ৰত্যুত্তৰ দিয়াৰ বাবে অসমৰ জনসাধাৰণ সাজু হৈ আছে। কংগ্ৰেছ দলৰ ঘোষিত তথা বাছল গান্ধী প্ৰদান কৰা পাচোটাকৈ গেৰাণ্টিৰ বিপৰীতে বিজেপি দলে সদায় ভাষণ প্ৰদান কৰি আহিছে। বিজেপি নেতৃত্বাধীন চৰকাৰে এজনো অবৈধ অনুপ্ৰৱেশকাৰীক কিয় বাহিৰ কৰিব পৰা নাই তাকে লৈ প্ৰশ্ন উত্থাপন কৰে পাইলটে। দহ বছৰৰ বিপ'ৰ্ট কাৰ্ড নেতাসকলৰ সন্মুখত ৰাখি উন্নয়ন সদৰ্ভত প্ৰশ্ন উত্থাপন কৰাৰ বাবে আহ্বান জনায় পাইলটে। বিজেপি দলৰ চৰকাৰে কেৱল ঘৃণাৰ ৰাজনীতি কৰা বুলি উল্লেখ কৰি পাইলটে কয় যে কংগ্ৰেছ আৰু দেশ সকলোৰে বাবে। এই নিৰ্বাচনত কেৰালা আৰু অসম প্ৰদেশত বিপুল ভোটত কংগ্ৰেছ দল জয়ী হ'ব বুলিও দোহাৰে কেন্দ্ৰীয় নেতা গৰাকীয়ে। আনহাতে কংগ্ৰেছ প্ৰাৰ্থী প্ৰাণজিৎ চৌধুৰীয়ে বিধায়ক ভবেশ কলিতাক এজন অকৰ্মণ্য বিধায়ক আখ্যা দি যোৱা দহ বছৰে সমষ্টিৰ হৈ বিধানসভাত এয়াবো মাত নামাতিলে বুলি কটাক্ষ কৰে। জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত সমৰ্থক সকলে শ্ল'গান দি ৰঙিয়াৰ আকাশ বতাহ কঁপাই তোলে। ৰঙিয়াৰ মূৰাবা চৰুৰ পৰা চহবঘনৰ মাজেৰে পৰিভ্ৰমণ কৰা পদযাত্ৰাত শচীন পাইলটৰ লগতে কংগ্ৰেছ নেতা নাচিম জাবেদ আৰু নাচেৰ ঘছেইনে সংগ দিয়ে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পদযাত্ৰাৰ পাছদিনাই কংগ্ৰেছ দলে বাহিৰ কৰা এই বিশাল পদযাত্ৰাই ৰঙিয়াৰ দুবাৰৰ বিধায়ক ভবেশ কলিতাৰ শিবিৰত উদ্বেগ সৃষ্টি কৰা পৰিলক্ষিত হৈছে।

আজি দীঘিৰপাৰত বিজেপিৰ সমদল, ৰাষ্ট্ৰীয় সভাপতিৰ আগমন

মঙলদৈৰ বিজেপি প্ৰাৰ্থী নীলিমা দেৱীৰ সমৰ্থনত বুথে-বুথে প্ৰচাৰ

অসম বাৰ্তা, মঙলদৈ, ৪ এপ্ৰিল ঃ সমাগত নিৰ্বচনত মঙলদৈ সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী নীলিমা দেৱীৰ সমৰ্থনত মঙলদৈ সমষ্টিৰ প্ৰতিটো বুথতে চলোৱা হৈছে নিৰ্বাচনী প্ৰচাৰ। দলীয় নেতা-কৰ্মী তথা বুথৰ সকলোৰে মিলি চলোৱা এনে এক প্ৰচাৰৰ ভিডিঅ'ইখলকনি তুলিছে বিজেপি তথা অন্যান্য সকলৰ মাজত। বিজেপিৰ সামাজিক মাধ্যম গোটৰ উদ্যোগত লাভ কৰা এনে প্ৰচাৰে পোহৰলৈ আনিছে দৰঙৰ খলুৱা মুছলমান জনগোষ্ঠীয়া একাংশ লোকে বিজেপিক উদ্দাত্ত সমৰ্থন দিছে। প্ৰাপ্ত ভিডিঅ' অনুসৰি ডাঁহী গাঁও পঞ্চায়তৰ পূৰ্বৰ সভাপতি তথা বৰ্তমানৰ সদস্যা দুলুমণি গোস্বামী, ৰঙামাটি পঞ্চায়তৰ সভানেত্ৰী বৰিতা নাথ, আউলাচৌকা পঞ্চায়তৰৰ পূৰ্বৰ সভাপতি ভূপেন ডেকা সমন্বিতে এটা ৫ জনীয়া দল খলুৱা মুছলমান পৰিয়াল বক্তাৰ আলীৰ ঘৰলৈ ভোট বিচাৰি গৈছিল। উক্ত পৰিয়ালটোৰ চোতালত স্থানীয় কুইয়াপানী চুবৰীৰ সকলো মহিলা ওলাই আহি বিজেপিক আগন্তুক নিৰ্বাচনত সমৰ্থন জনোৱাৰ সিদ্ধান্তৰ বিষয়ে দলটোক অৱগত কৰে। দলটোৱে সদৰি কৰা অনুসৰি, স্থানীয় মুছলমান মহিলাসকলে কোনো ধৰণৰ মধ্যভোগীৰ সহায় নোলোৱাকৈ প্ৰধানমন্ত্ৰী আৱাস, অৰুণোদয়, উদানিতা, মুখ্যমন্ত্ৰীৰ আত্মসহায়ক আনকি লাখপতি বাইদেউৰ ধনো লাভ কৰাৰ বিষয়ে প্ৰকাশ কৰে। ড' হিমন্ত বিশ্ব শৰ্মাক আকৌ অসমৰ মুখ্যমন্ত্ৰী কৰাৰ বাবেই ধৰ্ম-বৰ্ণ নিৰ্বিশেষে ভোট দিব বুলি দলটোৱে আগত প্ৰকাশ কৰে। একেদৰে গদৰ তথা স্থানীয় মছজিদ সমিতিৰ পূৰ্বৰ সভাপতি বক্তাৰ আলীয়েই দলটোৰ আগত প্ৰকাশ কৰি কয় যে, এটকাও নিদিয়াকৈ যোগ্যতাৰ ভিত্তিত চাকৰি দিছে এই চৰকাৰখনে। তেওঁৰ ঘৰতেই প্ৰমাণ আছে বুলি দাবী কৰি তেওঁ আকৌ মুখ্যমন্ত্ৰী হিচাবে ড' শৰ্মাক বিচাৰে, কিয়নো ড' শৰ্মা আহিলেহে অসমৰ খলুৱা হিন্দু-মুছলমান শান্তিৰে উঠি অহা চামক আগুৰাই নিব পাৰিব। সেয়ে মঙলদৈত বিজেপি প্ৰাৰ্থী নিলিমা দেৱীক জয়ী কৰোৱাৰ পাৰিলেহে বিজেপি চৰকাৰ আহিব বুলি ওলোটাই দলটোক বুজনি দিব লয়। স্বাভাৱিকতে এই দলটোৱে প্ৰকাশ কৰা ভিডিঅ'ত ওলাই পৰিছে কিদৰে বিজেপিৰ বিগত ৫ বছৰে সুশাসন আৰু দৰিদ্ৰতা নিৰ্মূলৰ সহায়ক স্বচ্ছ পদক্ষেপে পূৰ্বৰ ধাৰণাক ভুল প্ৰমাণ কৰিব লৈছে মঙ্গলদৈত। ইপিনে, মঙলদৈ সমষ্টিৰ প্ৰতিটো বুথতে বুথ সমিতি সমূহেনীৰৱে প্ৰচাৰ কৰি থকাকৈ মেৰী বুথ, চবচে মজবুত ধাৰণাক বাস্তৱায়িত কৰাত সহায় কৰা বুলি বিজেপিৰ দিলা সভাপতি মুকুন্দ ডেকাই দাবী কৰিছে। প্ৰতিটো বুথ সমিতিৰ দলে নিজ নিজ বুথৰ প্ৰত্যেক ঘৰলৈ গৈ বিজেপিৰ হৈ নিৰ্বাচনী প্ৰচাৰ কৰাৰ লগতে পোষ্টাৰসহ দলীয় প্ৰাৰ্থী নীলিমা দেৱীৰ সমৰ্থনত বিগত ৪ দিনে প্ৰচাৰ চলোৱা বুলি প্ৰকাশ কৰিছে বিজেপিৰ জিলা উপসভাপতি গৌৰৱ কুমাৰ ডেকাৰাজহি। আনকি প্ৰান্তে প্ৰান্তে মহিলা মৰ্চাৰ দলো নিৰ্বাচনী প্ৰচাৰত নামি ব্যাপক সমৰ্থন লাভ কৰাৰ বিষয়ে প্ৰকাশ কৰিছে বিজেপি নেতা ধনীশ্ৱৰ ৰাজবংশীয়ে। দলটোৰ প্ৰতিটো উপ-সমিতি, মৰ্চা আৰু বুথ সমিতিৰ যৌথ তৎপৰতাত এতিয়া মঙলদৈত আকৰ্ষণীয় হৈ পৰিছে নিৰ্বাচনী প্ৰচাৰ। বুথ সমিতিৰ ঘৰে ঘৰে নিৰ্বাচনী প্ৰচাৰ, মৰ্চা সমূহৰ প্ৰচাৰৰ মাজতে ৩ এপ্ৰিলত মঙলদৈৰ সমষ্টিৰ সীমা মুৰীয়া দীঘিৰপাৰত আয়োজন কৰা হৈছে বিশাল নিৰ্বাচনী ৰেলী। মঙলদৈৰ পশ্চিম প্ৰান্তত আয়োজিত এই ৰেলীত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনৰ লগতে ৰাজ্যিক সভাপতি দিলীপ শইকীয়া সহ এটা দলে অংশ লয়। ছিপাঝাৰ আৰু মঙলদৈ সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী ক্ৰমে উস্তু পৰমানন্দ বাজবংশী আৰু নিলিমা দেৱীৰ হৈ প্ৰচাৰ কৰা সভাত জলজলি, ধৌৰাপাৰা, নাদগাঁও, তামোলী পাথাৰ, ডাঁহী, নগাঁও, ৰবসত্ৰৰ লগতে বটাবাৰী, কৈকৰা, লেঙেৰীয়াঝাৰ, দেওমৰনৈ আদি বৃহৎ এলেকাৰ ৩০ হাজাৰতকৈও বিজেপি সমৰ্থক তথা নাগৰিকে অংশ লয়।

মৰিগাঁৱত ভোটাৰ সজাগতাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ মাজত বাতৰি পৰিৱেশন প্ৰতিযোগিতা সম্পন্ন

অসম বাৰ্তা, মৰিগাঁও, ৪ এপ্ৰিল ঃ সমাগত অসম বিধানসভাৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত মৰিগাঁও নিৰ্বাচন জিলাৰ ভোটদাতাসকলক আকৰ্ষিত কৰাৰ উদ্দেশ্যে আজি ভোটাৰৰ প্ৰণালীবদ্ধ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ চমুকৈ স্বীপ কোষৰ উদ্যোগত জিলাখনৰ শিক্ষাৰ্থীসকলৰ মাজত এক বাতৰি পৰিৱেশন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদত অনুষ্ঠিত প্ৰতিযোগিতাত জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠানৰ প্ৰায় ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। ভোটাৰক সজাগ কৰাৰ উদ্দেশ্যে মৰিগাঁও নিৰ্বাচন জিলাৰ স্বীপ কোষৰ উদ্যোগত অনুষ্ঠিত কৰি অহা কাৰ্যসূচীৰ অংশ হিচাপে আজি এই প্ৰতিযোগিতাখন অনুষ্ঠিত কৰা হয়। জিলা আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত অনুষ্ঠিত বঁটা বিতৰণী সভাখনৰ আঁত ধৰে স্বীপ কোষৰ নডেল বিষয়া তথা মায়ঙৰ ৰাজহু চক্ৰ বিষয়া প্ৰিয়ঙ্কা গগৈয়ে। সহকাৰী আয়ুক্ত কঙ্কনজ্যোতি শইকীয়াই সভা উদ্বোধন কৰে। প্ৰতিযোগিতাখনৰ বিচাৰক হিচাপে দায়িত্ব পালন কৰে জ্যেষ্ঠ সাংবাদিক প্ৰতাপ হাজৰিকা, বিৰিঞ্চি শৰ্মা, ডালিম ফুকন আৰু অজিত শৰ্মাই। অনুষ্ঠানত মুখ্য অতিথিকপে উপস্থিত থাকে অসম উন্নতি সভাৰ সম্পাদক তথা সমাজ সেৱক অতনু কুমাৰ শৰ্মা। বিজয়ীসকলক পুৰস্কৃত কৰি প্ৰতিগৰাকী বক্তাই সকলোকে ভোটদান কৰি নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনায়। উপস্থিত বিশিষ্ট ব্যক্তিসকলে বিশেষভাৱে যুৱ প্ৰজন্মৰ ভোটাৰসকলক ভোটদান কৰিবলৈ আহ্বান জনায়। প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে জুচিপৰ্ণা ডেকাই। দ্বিতীয় পুৰস্কাৰ লাভ কৰে মহম্মদ ইয়ানুৰ বহমানে। তৃতীয় পুৰস্কাৰ যুগ্মভাৱে লাভ কৰে দীক্ষিতা বৰাই আৰু ক্ৰিষ্টিনা বৰাই। আনহাতে মধুস্মিতা মেধি, কৃষ্ণা বৰা আৰু মৃগাংকশেখৰ শিৰমে নিচুকনি বঁটা লাভ কৰে। অনুষ্ঠানটোত মৰিগাঁও জিলা আয়ুক্ত অনামিকা তেৰাবী, জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী, স্বীপ কোষৰ বিষয়া-কৰ্মচাৰীৰ লগতে বিভিন্ন বিদ্যালয়ৰ অধ্যক্ষ, প্ৰধান শিক্ষক, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

কামৰূপ জিলাত প'ষ্টেল বেলট যোগে ভোটদানৰ সূচী ঘোষণা

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৪ এপ্ৰিল ঃ কামৰূপ নিৰ্বাচনী জিলাৰ প'ষ্টেল বেলট কোষে ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশ মৰ্মে আগন্তুক বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচনী দায়িত্বত থকা বিষয়া-কৰ্মচাৰীসকলৰ বাবে প'ষ্টেল বেলটৰ ব্যৱস্থা হাতত লৈছে। সেই অনুসৰি নিৰ্বাচনৰ দায়িত্বত থকা বিষয়া-কৰ্মচাৰীয়ে ৰাজাখনত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনত ভোটদানৰ বাবে আজি পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৫ বজালৈ আমিনগাঁৱস্থিত সংহত জিলা আয়ুক্ত কাৰ্যালয়, প'লিং আৰু প্ৰিজাইডিং বিষয়াসকলৰ বাবে ৪ এপ্ৰিল আৰু ৫ এপ্ৰিল তাৰিখে মিৰ্জাৰ ডি ক লেজ (DK College, Mirza)ত পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৫ বজালৈ এই সুবিধা উপলব্ধ থাকিব। ইয়াৰ উপৰিও ৬ এপ্ৰিল